# মাৰ্কে লিখা শুভবাৰ্ত্তা

## যোহনে যীচুৰ পথ প্ৰস্তুত কৰে

*(মথি ৩:১–১২; লূক ৩:১–৯, ১৫–১৭; যোহন ১:১৯–২৮)*

**১** ১এইয়া হৈছে, ঈশ্বৰৰ পুত্ৰ[a] যীচু খ্ৰীষ্টৰ শুভবাৰ্তাৰ আৰম্ভনি: ২যিচয়া ভাববাদীৰ পুস্তকত লিখা আছে:

"শুনা! মই মোৰ দূতক তোমাৰ, আগেয়ে পঠাম।
তেওঁ তোমাৰ বাবে বাট যুগুত কৰিব।" *মলাখী ৩:১*

৩ "কোনোবাই নিৰ্জনতাত চিঞৰিছে:
'প্ৰভুৰ বাবে পথ যুগুত কৰা।
তেওঁৰ বাবে বাট পোন কৰা।'" *যিচয়া ৪০:৩*

৪সেয়ে যোহন বাপ্তাইজক আহিল আৰু নিৰ্জনতাত লোকসমূহক বাপ্তিস্ম দিলে। তেওঁ লোকসমূহক তেওঁলোকৰ পাপৰ কাৰণে অনুতপ্ত হৈ জীৱন সলনি কৰি বাপ্তিস্ম গ্ৰহন কৰিবলৈ কলে, যাতে ঈশ্বৰে তেওঁলোকৰ পাপ সমূহ ক্ষমা কৰে। ৫যিহুদিয়া আৰু জেৰুচালেম অঞ্চলৰ সকলো লোক তেওঁৰ ওচৰলৈ গ'ল, আৰু তেওঁ তেওঁলোকক যৰ্দন নদীত বাপ্তিস্ম দিলে, কিয়নো তেওঁলোকে নিজৰ পাপ স্বীকাৰ কৰিছিল।

৬যোহনে উটৰ নোমৰ কাপোৰ পিন্ধিছিল আৰু ককাঁলত ছালৰ টঙালি মেৰিয়াইছিল। তেওঁ ফৰিং আৰু হাবিৰ মৌ খাইছিল।

৭তেওঁ এই কথা ঘোষণা কৰিছিল যে: "মোৰ পাছত এজন মোতকৈ শক্তিমান ব্যক্তি আহি আছে। মই তেওঁক মূৰ দোৱাবলৈ আৰু তেওঁৰ পাদুকাৰ বান্ধ খুলিবলৈও যোগ্য নহও। ৮মই তোমালোকক পানীত বাপ্তিস্ম কৰিছো কিন্তু তেওঁ তোমালোকক পৱিত্ৰ আত্মাত বাপ্তিস্ম কৰিব।"

## যোহনে যীচুক বাপ্তিস্ম দিয়ে

*(মথি ৩:১৩–১৭; লূক ৩:২১–২২))*

৯প্ৰায় সেই সময়তে যীচু গালীলৰ নাচৰতৰ পৰা আহিল আৰু যোহনৰ দ্বাৰা যৰ্দন নদীত বাপ্তিস্ম হ'ল। ১০যেতিয়াই যীচু পানীৰ ওপৰলৈ ওলাই আহিল তেওঁ আকাশখন মুকলি হোৱা দেখিলে আৰু পৱিত্ৰ আত্মা কপৌৰ দৰে তেওঁৰ ওপৰলৈ নামি আহিল। ১১স্বৰ্গৰ পৰা এটা মাত শুনা গ'ল: "তুমি মোৰ পুত্ৰ, যাক মই মৰম কৰো। মই তোমাত পৰম সন্তুষ্ট হৈছো।"

## যীচু পৰীক্ষিত হ'বৰ বাবে যায়

*(মথি ৪:১–১১; লূক ৪:১–১৩)*

১২তেতিয়া লগে লগে আত্মাই যীচুক অৰন্যলৈ পঠাই দিলে ১৩তাত তেওঁ চয়তানৰ দ্বাৰা পৰীক্ষিতহৈ চল্লিশ দিন লৈকে থাকিল। তেওঁ তাত বনৰীয়া জীৱজন্তুৰ লগত আছিল। আৰু স্বৰ্গৰ দূতবিলাকে আহি তেওঁৰ আলপৈচান ধৰিলে।

## যীচুৱে গালীলত তেওঁৰ কাৰ্য্য আৰম্ভ কৰে

*(মথি ৪:১২–১৭; লূক ৪:১৪–১৫)*

১৪যোহনক বন্দীশালত থোৱাৰ পাছত যীচু গালীল প্ৰদেশলৈ গ'ল আৰু ঈশ্বৰৰ বিষয়ে শুভবাৰ্তা ঘোষণা কৰিবলৈ ধৰিলে। ১৫তেওঁ কলে, "এইয়াই সঠিক সময়। ঈশ্বৰৰ ৰাজ্য ইতিমধ্যে নিচেই ওচৰ চাপিল। তোমালোকৰ জীৱন আৰু মন পৰিবৰ্তন কৰা আৰু শুভবাৰ্তাত বিশ্বাস কৰা!"

## যীচুৱে কিছুমান অনুগামীক মনোনীত কৰে

*(মথি ৪:১৮–২২; লূক ৫:১–১১)*

১৬যেতিয়া যীচু গালীল সৰোবৰৰ পাৰেদি গৈ আছিল, তেওঁ চিমোন আৰু চিমোনৰ ভায়েক আন্দ্ৰিয়ক দেখা পালে। তেওঁলোকে সৰোবৰত জাল মাৰি আছিল, কিয়নো তেওঁলোক মাছ মৰীয়া আছিল। ১৭যীচুৱে তেওঁলোকক কলে, "মোৰ পাছে পাছে আহাঁ, মই তোমালোকক মাছ ধৰা সলনি মানুহৰূপী মাছ কেনেকৈ ধৰা হয় শিকাম। তোমালোকে মানুহ গোটাবা, মাছ নহয়।" ১৮ততালিকে তেওঁলোকে নিজৰ জাল এৰিলে আৰু যীচুক অনুসৰণ কৰিলে।

১৯তেতিয়া অলপ দুৰ আগুৱাই গলত যীচুৱে জবদিৰ পুত্ৰ যাকোৱ আৰু তেওঁৰ সৰু ভায়েক যোহনক দেখা পালে। তেওঁলোকে নাৱত জাল মেৰামতি কৰি আছিল। ২০তেওঁ লগে লগে তেওঁলোকক মাতিলে। সেয়ে তেওঁলোকে তেওঁলোকৰ পিতৃ চিবদিক বনোৱা বিলাকৰ সৈতে নাৱতে এৰিলে আৰু তেওঁৰ পাচে পাচে গল।

## যীচুৱে অশুচি আত্মাই ধৰা এজনক সুস্থ কৰে

*(লূক ৪:৩১–৩৭)*

২১তেওঁলোক কফৰনাহূম নামৰ নগৰ এখন পালেগৈ। বিশ্ৰামবাৰৰ দিনা নামঘৰলৈ গ'ল আৰু লোকসমূহক শিক্ষা দিবলৈ আৰম্ভ কৰিলে। ২২তেওঁৰ শিক্ষাত লোকসমূহে বিস্ময় মানিলে, কিয়নো তেওঁ বিধান পণ্ডিত সকলৰ নিচিনা শিক্ষা নিদি এজন ক্ষমতা সম্পন্ন লোকৰ দৰে শিক্ষা দিছিল। ২৩তেওঁলোকৰ নামঘৰত এজন অশুচি আত্মাই ধৰা মানুহ

[a] **১:১ ঈশ্বৰৰ পুত্ৰ** কিছুমান গ্ৰীক লিপিত এই শব্দ নাই।

আছিল। তেওঁ চিঞৰি কলে, ২৪“হে নাচৰতীয়া যীচু! আপুনি
মোৰ পৰা কি বিচাৰিছে? মোক বিনষ্ট কৰিবলৈ আহিলেনে?
মই জানো আপুনি কোন, আপুনি ঈশ্বৰৰ সেই পবিত্ৰ জনা।”
২৫তাতে যীচুৱে তেওঁক কঠোৰ হৈ কলে, “মনে
মনে থাক। ইয়াৰ পৰা বাহিৰ ওলা!” ২৬অশুচি আত্মাই
মানুহজনক জোৰেৰে আছাৰি পেলালে আৰু বৰ মাতেৰে
চিঞৰি বাহিৰ ওলাল।
২৭তাত উপস্থিত থকা সকলো মানুহে ইমান বিস্ময়
মানিলে যে তেওঁলোকে ইজনে সিজনক সোধ-পোচ কৰিব
ললে, “এইটোনা কি? এইয়া অধিকাৰ সৈতে দিয়া নতুন
শিক্ষা নেকি? তেওঁ আনকি অশুচি আত্মাকো আজ্ঞা দিয়ে
আৰু তেওঁলোকে পালন কৰে।” ২৮তেতিয়াই যীচুৰ সংবাদ
গালীল আৰু ইয়াৰ ওচৰে পাজৰে বিয়পি গ’ল।

## যীচুৱে বহুতো লোকক সুস্থ কৰে

*(মথি ৮:১৪–১৭; লূক ৪:৩৮–৪১)*

২৯তেতিয়া যীচু আৰু তেওঁৰ শিষ্যসকল নামঘৰৰ পৰা
ওলাই আহিল। যাকোৰ আৰু যোহনৰ সৈতে তেওঁলোক
পোনেই চিমোন আৰু আন্দ্ৰিয়ৰ ঘৰত সোমাল। ৩০চিমোনৰ
শাহুৱেক জ্বৰত বিচনাত পৰি আছিল আৰু তেওঁৰ বিষয়ে
তেওঁলোকে যীচুক জনালে। ৩১যীচুৱে তেওঁৰ ওচৰলৈ
গৈ হাতত ধৰি তুলিল। তৎক্ষণাত জ্বৰ এৰিলে, আৰু তেওঁ
তেওঁলোকক সেৱা-শুশ্ৰূষা কৰিব ললে।
৩২বেলি মাৰ গৈ সন্ধ্যা হলত, সেই ঠাইৰ মানুহবিলাকে
সকলো ৰোগীক আৰু অশুচি আত্মাই ধৰা বিলাকক তেওঁৰ
ওচৰলৈ আনিলে। ৩৩গোটেই নগৰৰ মানুহ চিমোনৰ ঘৰৰ
দুৱাৰ মূখত গোট খালে। ৩৪যীচুৱে বিভিন্ন ধৰণৰ ৰোগত
আক্ৰান্ত লোকক সুস্থ কৰিলে, আৰু অনেক লোকক অশুচি
আত্মাৰ পৰা মুকলি কৰিলে। তেওঁ তেওঁলোকক একো
কবলৈ নিদিলে, কিয়নো সিহঁতে তেওঁক জানিছিল।

## যীচু অন্যান্য নগৰলৈ যায়

*(লূক ৪:৪২–৪৪)*

৩৫অতি ৰাতিপুৱা আন্ধাৰ থাকোতেই, যীচু উঠিলে আৰু ঘৰৰ
পৰা ওলাই নিৰ্জন ঠাইলৈ গ’ল য’ত নেকি তেওঁ অকলশৰে
প্ৰাৰ্থনা কৰিব পাৰে। ৩৬চিমোন আৰু লগৰীয়াবিলাকে
তেওঁক বিচাৰি গল। ৩৭আৰু যেতিয়া তেওঁক লগ পালে
তেওঁলোকে কলে, “সকলোৱে আপোনাক বিচাৰিছে।”
৩৮যীচুৱে উত্তৰ দিলে, “আমি ওচৰৰ আন নগৰলৈও
যাব লাগিব যাতে তাতো শুভবাৰ্তা প্ৰচাৰ কৰিব পাৰো, মই
এই কাৰণেই আহিছো।” ৩৯সেয়ে তেওঁ গালীলৰ সকলো
ঠাইলে গৈ নামঘৰবোৰত শুভবাৰ্তা প্ৰচাৰ কৰিলে আৰু
লোকসমূহক অশুচি আত্মাৰ পৰা মুক্তি দিয়ালে।

## যীচুৱে এজন ৰোগী সুস্থ কৰে

*(মথি ৮:১–৪; লূক ৫:১২–১৬)*

৪০তেতিয়া এজন কুষ্ঠ ৰোগী তেওঁৰ ওচৰলৈ আহিলে। তেওঁ
তেওঁৰ সন্মুখত আঠু ললে আৰু মিনতি কৰি কলে, “যদি
আপুনি ইচ্ছা কৰে, তেন্তে মোক সুস্থ কৰিব পাৰে।”
৪১কুষ্ঠ ৰোগীজনৰ অন্তিম কথাষাৰে যীচুৰ খং তুলিলে।[a]
কিন্তু তেওঁ নিজৰ হাত মেলি মানুহজনক স্পৰ্শ কৰি কলে,
“মই ইচ্ছা কৰিছো তুমি সুস্থ হোৱা।” ৪২আৰু তৎক্ষণাত
কুষ্ঠ ৰোগ তেওঁৰ পৰা গুচিল, আৰু তেওঁ সম্পূৰ্ণ সুস্থ হ’ল।
৪৩যীচুৱে তেওঁক কঠোৰ আজ্ঞা দিলে আৰু বিদায় দিলে।
৪৪যীচুৱে তেওঁক কলে, “এই বিষয়ে কাকো নকবা। কিন্তু
পুৰোহিতৰ আগত গৈ নিজক দেখুওৱা[b] আৰু মোচিৰ
বিধান অনুযায়ী তুমি সুস্থ হবৰ অৰ্থে বলি উৎসৰ্গ কৰা যাতে
প্ৰত্যেকেই তোমাৰ আৰোগ্য হোৱাৰ সাক্ষী হ’ব পাৰে।”
৪৫কিন্তু যেতিয়াই ব্যক্তিজন বাহিৰলৈ ওলাই আহিল তেওঁ
সকলোৰে আগত নিজৰ ৰোগমুক্তিৰ কথা মুকলি মূৰিয়াকৈ
কবলৈ আৰম্ভ কৰিলে, সেইবাবে যীচুৱে নগৰত মুকলিকৈ
আৰু সোমাব নোৱাৰা হ’ল।[c] তেওঁ বাহিৰত নিৰ্জন ঠাইত
থাকিবলৈ ললে, কিন্তু মানুহবোৰ চাৰিওফালৰ পৰা যীচুৰ
ওচৰলৈ আহিবলৈ ধৰিলে।

## যীচুৱে এজন জঠৰ ৰোগী সুস্থ কৰে

*(মথি ৯:১–৮; লূক ৫:১৭–২৬)*

**২** ১কিছু দিনৰ পাছত যেতিয়া যীচু কফৰনাহুমলৈ ঘূৰি
আহিল, তেওঁ ঘৰলৈ ঘূৰি অহা বুলি খবৰ বিয়পিল।
২সেয়ে তাত ইমান বেচি মানুহ গোট খালে যে আৰু ঘৰৰ
ভিতৰত অকণো ঠাই নোহোৱা হ’ল, আনকি দুৱাৰৰ
বাহিৰতো ঠাই নাছিল। যেতিয়া যীচুৱে তাত লোকসমূহক
উপদেশ দি আছিল। ৩তেতিয়া কেইজনমান লোকে
এজন জঠৰ ৰোগীক চাৰিজন মানুহৰ দ্বাৰা কঢ়িয়াই তেওঁৰ
ওচৰলৈ আনিলে। ৪কিন্তু লোকসমূহৰ ভিৰৰ কাৰণে যীচুৰ
ওচৰলৈ তেওঁক চপাব নোৱাৰিলে। সেয়ে যি ঠাইত যীচু
আছিল, তাৰ সেই ঘৰৰ ওপৰৰ চালি গুচালে আৰু যেতিয়া
তেওঁলোকে চালত এটা বাট বনাই সেই বাটেদি জঠৰ
ৰুগীজনৰ কৰিব পাৰিলে তেওঁলোকে চাঙিখন তললৈ
নমালে য’ত তেওঁলোকে জঠৰ ৰোগীজন ৰাখিছিল। ৫তাতে
তেওঁলোকৰ গভীৰ বিশ্বাস দেখি যীচুৱে জঠৰ ৰোগীজনক
কলে, “ডেকা মানুহ, তোমাৰ পাপসমূহ ক্ষমা কৰা হ’ল।”
৬কেইজনমান বিধান-পণ্ডিত তাত বহি আছিল। যীচুৱে

[a] **১:৪১ কুষ্ঠ ৰোগীজনৰ … খং তুলিলে** বহুতো গ্ৰীক লিপিত “তেওঁৰ ওপৰত দয়া উপজিল” বুলি আছে। কিন্তু এইটো ব্যাখ্যা কৰিবলৈ কঠিন যে কিয় কিছুমান গ্ৰীক লিপিত আৰু লেটিন লিপিত “তেওঁৰ ওপৰত খং উঠিল” বুলি উল্লেখ আছে। সেয়ে বহুতো বাইবেল পণ্ডিত লোকে বৰ্তমান ইয়াকে মূল পাঠ্যক্ৰম বুলি জ্ঞান কৰে।

[b] **১:৪৪ কিন্তু … দেখুওৱা** মোচিৰ বিধান মতে কেৱল পুৰোহিতে কব পাৰে কেতিয়া এজন মানুহৰ ছালৰ ৰেমাৰ ভাল হ’ব।

[c] **১:৪৫ সেইবাবে … নোৱাৰা হ’ল**যীচুৱে স্পৰ্শ কৰা মানুহজন সুস্থ হল বুলি যেতিয়া লোকসমূহ গম পালে তেতিয়া তেওঁলোকে যীচুৱো অশুচি বুলি ভাবিলে। সেয়ে শুচি নোহোৱা পৰ্যন্ত যীচু বাহিৰত থাকিল।

যি কৰিলে, তেওঁলোকে দেখিছিল আৰু তেওঁলোকে নিজক কলে, ৭“এই মানুহ জনে এনে কথা কিয় কৈছে,তেওঁৰ নিজৰ কথাৰেই ঈশ্বৰ নিন্দা কৰিছে। ঈশ্বৰৰ বাদে আন কোনে কাৰোবাৰ পাপ ক্ষমা কৰিব পাৰে?”

৮যীচুৱে লগে লগেই তেওঁবিলাকৰ মনৰ ভাব জানি তেওঁলোকক কলে, “তোমালোকে মনত কিয় এনে চিন্তা কৰিছা? ৯–১০মানৱ পুত্ৰৰ এই পৃথিবীত পাপ ক্ষমা কৰিব পৰা ক্ষমতা আছে কিন্তু এইটো মই তোমালোকক কেনেকৈ প্ৰমাণ কৰিম। তোমালোকে হয়তো ভাৱিব পাৰা এই জঠৰ ৰোগীজনক ‘তোমাৰ পাপ ক্ষমা কৰা হ’ল’ বুলি কবলৈ মোৰ বাবে সহজ আছিল। কিন্তু তেওঁৰ পাপ যে ক্ষমা কৰা হ’ল তাৰ কোনো প্ৰমাণ নাথাকিব। কিন্তু যদি মই মানুহজনক কওঁ, ‘উঠা আৰু তোমাৰ শয্যা তুলি খোজ কাঢ়া।’ তেতিয়া তোমালোকে দেখিবা যে মোৰ প্ৰকৃততে এই ক্ষমতা আছে নে নাই?” তেতিয়া যীচুৱে জঠৰ ৰোগীজনক কলে, ১১“মই তোমাক কওঁ, উঠা, নিজৰ শয্যা তুলা আৰু ঘৰলৈ যোৱা।”

১২সেয়ে তেওঁ উঠিলে, তেওঁৰ শয্যা তুলিলে আৰু ওলাই গ’ল। তাতে সকলোৱে তেওঁলৈ একেথৰে চাই থাকিল। ইয়াকে দেখি লোকসমূহে বিস্ময় মানিলে। তেওঁলোকে ঈশ্বৰৰ প্ৰশংসা কৰিলে আৰু কলে, “আমি এনেকুৱা কেতিয়াও দেখা নাই।”

## লেবী যীচুৰ অনুগামী হয়

*(মথি ৯:৯–১৩; লূক ৫:২৭–৩২)*

১৩এবাৰ যেতিয়া যীচু আকৌ সৰোবৰৰ পাৰলৈ গ’ল, গোটেই লোকসমূহ তেওঁৰ ওচৰলৈ আহিল। যীচুৱে তেওঁবিলাকক উপদেশ দিলে। ১৪যীচুৱে যেতিয়া খোজকাঢ়ি আছিল তেওঁ আলফয়ৰ পুতেক লেৱীক কৰ তুলিবৰ বাবে বহি থকা দেখিলে আৰু তেওঁক কলে, “মোৰ পাছে পাছে আঁহা” তেতিয়াই তেওঁ উঠিলে আৰু তেওঁৰ পাছে পাছে গল।

১৫পাছত যেতিয়া যীচুৱে তেওঁৰ শিষ্যসকলৰ সৈতে লেবীৰ ঘৰত আহাৰ কৰিবলৈ বহিল তেতিয়া অনেক কৰতোলা আৰু পাপীলোকেও তেওঁৰ সৈতে ভোজনত বহিল, তেওঁলোকৰ মাজৰ বহুতে তেওঁৰ পাছে পাছে গৈছিল। ১৬তেতিয়া কেইজন মান ফৰীচী বিধান পণ্ডিতে যীচুক পাপী বিলাকৰ আৰু কৰতোলা সকলৰ লগত ভোজন কৰি থকা দেখি ,তেওঁৰ শিষ্য বিলাকক সুধিলে, “যীচুৱে কৰতোলা আৰু পাপী লোকৰ সৈতে কিয় ভোজন কৰে?”

১৭যীচুৱে সেয়া শুনিলে আৰু তেওঁবিলাকক কলে, “স্বাস্থ্যৱান মানুহৰ কোনো বেজৰ প্ৰয়োজন নহয়। মই ধাৰ্মিকক নহয়, কিন্তু পাপীকহে নিমন্ত্ৰণ কৰিবলৈ আহিলো।”

## যীচু অন্য ধৰ্মীয় নেতাৰ নিচিনা নহয়

*(মথি ৯:১৪–১৭; লূক ৫:৩৩–৩৯)*

১৮যোহনৰ শিষ্য আৰু ফৰীচীবিলাকে লঘোন দিছিল। কিছু লোক যীচুৰ ওচৰলৈ আহিলে আৰু সুধিলে, “যোহন আৰু ফৰীচীবিলাকৰ শিষ্যবিলাকে লঘোন দিয়ে কিন্তু তোমাৰ শিষ্যসকলে কিয় লঘোন নিদিয়ে?”

১৯যীচুৱে তেওঁবিলাকক উত্তৰ দিলে, “বিয়াৰ সমাৰোহত থকা অতিথিবিলাকে লঘোন[a] দিয়াতো কোনে আশা কৰিব যেতিয়া দৰা এতিয়াও তেওঁলোকৰ লগত আছে। দৰা থকালৈকে তেওঁলোকে লঘোন নিদিয়ে, ২০কিন্তু এনে দিন আহিব যি দিনা তেওঁলোকৰ লগৰ পৰা দৰাক নিয়া হব, সেইদিনা তেওঁলোকে লঘোন দিব।”

২১“কোনেও পুৰনি বস্ত্ৰত খাপ নোখোৱা নতুন কাপোৰৰে টাপলি নামাৰে; আৰু যদি কোনোবাই এনে কাম কৰে তেতিয়া কাপোৰৰ টাপলিয়ে নতুন টাপলিয়ে পুৰনি ডোখৰক ফালি নিব আৰু ফটা পুৰনি কাপোৰৰ সৰহহে হব। ২২এনেকৈয়ে পুৰনি ছালৰ মোটত কোনেও নতুন দ্ৰাক্ষাৰস নথয় আৰু কোনোবাই যদি থয়, তেনেহলে নতুন দ্ৰাক্ষাৰসে মোটটো[b] ফালি পেলাব তেতিয়া নতুন দ্ৰাক্ষাৰস আৰু মোটো নষ্ট হব; সেয়েহে নতুন দ্ৰাক্ষাৰস নতুন মোটতহে থয়।”

## যীচু বিশ্ৰামবাৰৰ প্ৰভু

*(মথি ১২:১–৮; লূক ৬:১–৫)*

২৩এটা বিশ্ৰামবাৰে যীচু শস্য ক্ষেত্ৰৰ মাজেদি পাৰ হৈ গৈছিল। খোজকাঢ়ি যাওঁতে তেওঁৰ শিষ্য বিলাকে পথাৰৰ পৰা শস্যৰ থোক ছিঙিখাবলৈ ধৰিলে। ২৪ফৰীচীবিলাকে যীচুক সুধিলে, “চোৱা বিশ্ৰাম বাৰে ইইঁতে এনে কিয় কৰিছে? যেতিয়া তেওঁলোকে এনে কৰিব নাপায় যদিও কিয় এনে কৰিছে।”

২৫তেতিয়া যীচুৱে তেওঁবিলাকক কলে, “তোমালোকে পঢ়া নাইনে যেতিয়া দায়ূদ আৰু তেওঁৰ লগৰীয়া বিলাকৰ সংকট হলত আৰু ভোক লগাত দায়ূদে কি কৰিছিল; ২৬অবিয়াথ মহাপুৰোহিত হৈ থকা সময়ত, দায়ূদ ঈশ্বৰৰ গৃহত সোমাল। তেওঁ পুৰোহিতৰ বাহিৰে অন্য খাব নোৱাৰা যি ঈশ্বৰলৈ উৎসৰ্গা কৰা দৰ্শন পিঠা তাকে খালে। তাৰ পাছত তেওঁ তেওঁৰ লগৰ বিলাককো দিলে যিটো অনুচিত আছিল। তোমালোকৰ মনত নাইনে?”

২৭তেতিয়া যীচুৱে ফৰীচী বিলাকক কলে, “বিশ্ৰামবাৰ মানুহক সহায় কৰিবৰ বাবে বনোৱা হৈছে কিন্তু বিশ্ৰামবাৰৰ দ্বাৰা শাসন কৰিবৰ বাবে মানুহক বনোৱা হোৱা নাই। ২৮এই হেতুকে মই বিশ্ৰামবাৰে কি কৰিব পৰা যায়, তাৰ সিদ্ধান্ত লবলৈকো মানৱপুত্ৰৰ অধিকাৰ আছে।”

[a] **২:১৯ লঘোন**প্ৰাৰ্থনা বা মনোদবৰ কাৰনে আহাৰৰ পৰা বিৰতে থকা।

[b] **২:২২ দ্ৰাক্ষাৰসৰ মোট** দ্ৰাক্ষাৰসৰ মোট হৈছে এটা বন্ধ পাত্ৰ য’ত দ্ৰাক্ষাৰস প্ৰস্তুত কৰা হ’য়। পুৰণি দ্ৰাক্ষাৰসৰ মোট ইতিমধ্যে দ্ৰাক্ষাৰসৰ দ্বাৰা পূৰ্ণ হৈ টনটনীয়া হৈ থাকে। যদি পুৰণি মোটতে আকৌ নতুন দ্ৰাক্ষাৰস ঢালি দিয়া হ’য় তেতিয়া নতুন দ্ৰাক্ষাৰসৰ দ্বাৰা উৎপন্ন হোৱা বায়ুৰ বাবে সেই মোট ফাটি যাব। কিন্তু নতুন দ্ৰাক্ষাৰস যদি নতুন মোটত থোৱা হয় তেতিয়া নতুন দ্ৰাক্ষাৰসৰ মোট বিলাক বায়ুৰ দ্বাৰা বহুল হৈ যাব কিন্তু ফাটি নাযায়।

## যীচুৱে বিশ্ৰামবাৰে এজন লোকক সুস্থ কৰে

*(মথি ১২:৯–১৪; লূক ৬:৬–১১)*

৩ ১এবাৰ যীচু আকৌ নামঘৰত সোমাল। প্ৰাৰ্থনা সভাত
এজন মানুহ আছিল যাৰ এখন হাত অচল আছিল।
২কিছুমান লোকে চাৰ বিচাৰিছিল যীচুৱে মানুহজনৰ হাতখন
সুস্থ কৰেনে নকৰে, কাৰণ তেওঁলোকে যীচুৰ ওপৰত
অপবাদ দিবলৈ কাৰন বিচাৰিছিল।[a] ৩যীচুৱে সেই অচল
হাতৰ মানুহজনক কলে, "মানুহবিলাকৰ সন্মুখত থিয়
হোৱা।"
৪তেতিয়া যীচুৱে তেওঁলোকক সুধিলে, "বিশ্ৰামবাৰৰ
দিনা কি কৰা উচিত: ভাল কৰা নে অন্যায় কৰা? কাৰোবাৰ
জীৱন ৰক্ষা[b] কৰা নে নৰ-বধ কৰা উচিত?" কিন্তু তেওঁলোক
সকলোৱে মনে মনে থাকিল।
৫তেতিয়া তেওঁ খঙেৰে তেওঁলোকৰ ফালে চালে আৰু
তেওঁবিলাকৰ কঠিন মনৰ কাৰণে অসন্তোষ কৰিলে। তাৰ
পাছত তেওঁ অচল হাতৰ মানুহজনক কলে, "তোমাৰ হাত
মেলা।" তেতিয়া মানুহজনে তেওঁৰ হাত মেলিলে আৰু
তেওঁৰ হাত তেতিয়া সুস্থ হল। ৬ফৰীচীবিলাক তাৰ পৰা
গুচি গল আৰু হেৰোদিয়াৰ মানুহে সৈতে লগ হ'ল আৰু
একেলগে তেওঁলোকে তেওঁক বধ কৰিবৰ বাবে ষড়যন্ত্ৰ
আৰম্ভ কৰে।

## বহুতো লোক যীচুৰ অনুগামী হয়

৭যীচু নিজৰ শিষ্য বিলাকৰ সৈতে গালীল হ্ৰদৰ পাৰত গ'ল।
তেওঁৰ পাছে পাছে এক বৃহৎ লোকৰ দল গালীলৰ পৰা
আহিছিল, ৮বহুতো লোক যিহুদীয়া, যিৰূচালেমৰ, ইদোমৰ
আৰু যৰ্দনৰ সিপাৰৰ পৰা আৰু তূৰ আৰু চিদোনৰ পৰাও
আহিল। তেওঁলোকে যীচুৰ ওচৰলৈ আহিছিল যিহেতু
তেওঁলোকে তেওঁ কৰা সকলো কৰ্ম্মৰ কথা শুনিছিল।
৯লোকসমূহৰ ভিৰৰ হেতুকে যীচুৱে শিষ্য বিলাকক
তেওঁৰ কাৰণে এখন সৰু নাওঁ প্ৰস্তুত ৰাখিবলৈ কলে, যাতে
লোকসমূহে তেওঁক হেচা-ঠেলা কৰিব নোৱাৰে। ১০যীচুৱে
অনেকক সুস্থ কৰাত, ব্যাধিয়ে ধৰা সকলোৱে তেওঁক চুব
বিচাৰিছিল সেয়ে তেওঁলোকে তেওঁৰ ওচৰ পাবৰ বাবে
ইজনে সিজনক হেচাঁ-ঠেলা কৰি আছিল। ১১কিছুমান
লোক অশুচি আত্মাৰ দ্বাৰা আক্ৰান্ত আছিল। যেতিয়া অশুচি
আত্মাবিলাকে যীচুক দেখিলে সিহঁতে তেওঁৰ আগত পৰি
চিঞৰি কব ধৰিলে, "আপুনিয়েই ঈশ্বৰৰ পুত্ৰ।" ১২কিন্তু
যীচুৱে তেওঁ কোন হয় কাকো নকবলৈ সিহঁতক দৃঢ়কৈ
নিষেধ কৰিলে।

## যীচুৱে তেওঁৰ বাৰজন পাঁচনিক মনোনীত কৰে

*(মথি ১০:১–৪; লূক ৬:১২–১৬)*

১৩তেতিয়া যীচু এটি পৰ্বতৰ ওপৰলৈ গল আৰু তেওঁ
যিবিলাকক বিচাৰিছিল, তেওঁবিলাকক মাতিলে। তেওঁলোক
তেওঁৰ ওচৰলৈ গল। ১৪তেওঁলোকৰ মাজৰ পৰা তেওঁ
বাৰজন লোকক বাচনি কৰিলে আৰু তেওঁলোকক
পাঁচনি উপাধি দিলে। তেওঁ তেওঁলোকক বাচনি কৰিলে
যাতে তেওঁলোক তেওঁৰ লগত থাকিব পাৰে আৰু তেওঁ
তেওঁলোকক শুভবাৰ্তা প্ৰচাৰ কৰিবৰ বাবে পঠিয়াব পাৰে।
১৫আৰু তেওঁলোকৰ ভূত খেদোৱাৰ অধিকাৰ হব পাৰে।
১৬তেওঁ নিযুক্তি দিয়া বাৰজন লোক হৈছে;

চিমোন (যাৰ নাম তেওঁ পিতৰ দিছিল)
১৭ চিবিদিয়ৰ পুতেক যাকোব আৰু যাকোবৰ ভায়েক
যোহন (যাৰ নাম বনেৰগছ অৰ্থাৎ "মেঘ গৰ্জনৰ
পুতেক")।
১৮ আন্দ্ৰীয়,
ফিলিপ,
বাৰ্থলময়,
মথি,
থোমা,
আলফয়ৰ পুতেক যাকোব,
থদ্দেয়
আৰু উদ্যোগী চিমন আৰু
১৯ ঈস্কোৰিতীয়া যিহুদা (যিজনে যীচুক শত্ৰুৰ হাতত
শোধাই দিছিল।)

## যীচুৰ ক্ষমতা ঈশ্বৰৰ পৰা

*(মথি ১২:২২–৩২; লূক ১১:১৪–২৩; ১২:১০)*

২০তাৰ পাচত যীচু ঘৰলৈ গল। আকৌ এবাৰ ইমান মানুহ
গোট খালে যে যীচু আৰু তেওঁৰ শিষ্য সকলে ভোজনো
কৰিব নোৱাৰিলে। ২১যেতিয়া তেওঁৰ পৰিয়ালৰ লোকে
এইবোৰৰ বিষয়ে গম পালে, তেওঁলোকে তেওঁক ঘূৰাই
লৈ যাবলৈ আহিল, কাৰণ লোকসমূহে কৈছিল যে তেওঁ
বলিয়া হৈছে।
২২জেৰুচালেমৰ পৰা অহা বিধান পন্ডিত[c] সকলে কবলৈ
ধৰিলে, "তেওঁৰ গাত বেলজুবুল[d] লমিভছে আৰু অশুচি
আত্মাবোৰৰ চৰ্দাৰৰ শক্তিৰ দ্বাৰাই তেওঁ মানুহৰ পৰা অশুচি
আত্মা বোৰক খেদাইছে।"
২৩যীচুৱে তেওঁলোকক ওচৰলৈ মাতিলে আৰু দৃষ্টান্তৰে
কবলৈ ধৰিলে, "চয়তানে কেনেকৈ আন অশুচি আত্মাক
খেদাব পাৰে?" ২৪এখন ৰাজ্যই যদি নিজৰ বিৰুদ্ধে যুদ্ধ কৰে,

[a] **৩:২ যীচুৰ ওপৰত… বিচাৰিছিল** কিছুমান যিহুদীয়ে ভাবিছিল যে বিশ্ৰামবাৰৰ নিয়ম মতে সেই দিনা কোনেও একো কাম কৰিব নোৱাৰে আনকি আৰোগ্যও কৰিব নোৱাৰে। যীচু এই কথত মান্তি হোৱা নাছিল।

[b] **৩:4 ৰক্ষা** বিশ্ৰামৰ নিয়ম আৰু মোচীৰ বাকী নিয়মৰ উদ্দেশ্য হৈছে "জীৱন ৰক্ষা।"

[c] **৩:২২ জেৰুচালেমৰ… বিধান পণ্ডিত** আগতে উল্লেখ কৰা সকলতকৈ এই বিধান পণ্ডিত সকল বেছি গুৰুত্বপূৰ্ণ কাৰণ তেওঁলোক ৰাজধানী জেৰুচালেমৰ পৰা অহা।

[d] **৩:২২ বেলজুবুল** অশুচি আত্মাবিলাকৰ ৰাজকুমাৰ, চয়তান, অশুচি আত্মাবোৰ খেদাবৰ বাবে তেওঁক ক্ষমতা দিছে।

তেন্তে সেই ৰাজ্য তিষ্ঠি থাকিব নোৱাৰে, ২৫যদি কোনোবা
পৰিয়লে নিজৰ বিৰুদ্ধে যুদ্ধ কৰে তেন্তে ই বৰ্তি থাকিব
নোৱাৰিব। ২৬সেই দৰে চয়তানে যদি নিজে নিজৰ আৰু
নিজৰ মানুহৰ বিৰুদ্ধে যুদ্ধ কৰে তেন্তে সিও টিকি থাকিব
নোৱাৰিব আৰু নি:শেষ হৈ যাব।

২৭“আচলতে বলৱান জনক নবন্ধাকৈ কোনেও তেওঁৰ
ঘৰত প্ৰবেশ কৰি বস্তু কাঢ়ি নিব নোৱাৰে। বলবান মানুহ
জনক বন্ধাৰ পাছতহে কোনোবাই তেওঁৰ ঘৰৰ বস্তু কাঢ়ি
নিব পাৰিব।

২৮“মই তোমালোকক সচাকৈ কওঁ: মানুহৰ সকলো
পাপ আৰু তেওঁলোকে কৰা নিন্দা, বেয়া কথা কোৱা
সকলো ক্ষমা কৰিব পাৰি। ২৯কিন্তু পবিত্ৰ আত্মাৰ বিৰুদ্ধে
যদি কোনোবাই নিন্দা কৰে তেওঁক কেতিয়াও ক্ষমা কৰা
নাযায়। তেওঁ সেই পাপৰ বাবে চিৰদিনৰ কাৰণে দোষী
হ’ব।”

৩০যীচুৱে এইবোৰ কৈছিল কাৰণ তাত থকা কিছুমান
মানুহৰ কেইজনমানে কৈছিল যে যীচুৰ গাত অশুচি আত্মা
লম্ভিছে।

## যীচুৰ শিষ্যসকলেই তেওঁৰ প্ৰকৃত পৰিয়াল

*(মথি ১২:৪৬–৫০; লূক ৮:১৯–২১)*

৩১তেতিয়া তেওঁৰ মাক আৰু ভায়েক সকল আহি, ঘৰৰ
বাহিৰত থিয় হৈ এজনক তেওঁক মাতিবলৈ কলে। ৩২যীচুৰ
চৰিওফালে বহুতলোক বহি আছিল। তেওঁলোকে তেওঁক
কলে, “চাওঁক আপোনাৰ মাতৃ আৰু ভাই সকলে বাহিৰত
আপোনাক মাতি আছে।”

৩৩যীচুৱে তেওঁলোকক সুধিলে, “মোৰ মাতৃ আৰু মোৰ
ভাইসকল কোন?” ৩৪তেতিয়া তেওঁ তেওঁৰ কেউফালে বহি
থকা লোকসমূহলৈ চাই কলে, “এওঁলোকেই মোৰ ভাই-
ভনী আৰু মাতৃসকল। ৩৫যি সকলে ঈশ্বৰৰ ইচ্ছা অনুসৰি
জীৱন যাপন কৰে তেওঁলোকেই মোৰ ভাই, ভনী আৰু
মাতৃ।”

## কঠীয়া সিচাঁৰ দৃষ্টান্ত

*(মথি ১৩:১–৯; লূক ৮:৪–৮)*

৪ ১যীচুৱে হ্ৰদৰ পাৰত আকৌ উপদেশ দিবলৈ ধৰিলে।
তাত তেওঁৰ কেউকাষে মানুহৰ জুম সমবেত হ’ল।
সেয়ে তেওঁ গ’ল আৰু হ্ৰদত বান্ধি থোৱা এখন নাৱত বহিল।
আৰু লোকসমূহে হ্ৰদৰ দাঁতিত থাকিল। ২তেওঁ দৃষ্টান্তৰে
তেওঁলোকক বহুত শিক্ষা দিলে। উপদেশ দিওতে কৈছিল,

৩“শুনা! এজন খেতিয়কে তেওঁৰ পথাৰত কঠীয়া
সিঁচিবলৈ ওলাই গল। ৪যেতিয়া তেওঁ কঠীয়া সিঁচিছিল
এইদৰে ঘটিল। কেতবোৰ কঠীয়া বাটৰ কাষত পৰিল।
চৰাই আহি সেইবোৰ খাই পেলালে। ৫আন কেতবোৰ
কঠীয়া শিলাময় মাটিত পৰিল–যত অধিক বোকা মাটি
নাছিল। সেয়েহে কঠীয়া সোনকালে গজিল কাৰণ তাত
বোকামাটি গভীৰ নাছিল। ৬পাচে সূৰ্য্য উদয় হোৱাত তাপ
লাগিল আৰু শিপা নথকাৰ বাবে সেইবোৰ শুকাই গল।
৭কেতবোৰ কঠীয়া কাঁইটনিত পৰিল। তাতে কাঁইটিয়াবন
বাঢি সেইবোৰে হেঁচি ধৰাত তাত ফল নধৰিল। ৮আন
কেতবোৰ কঠীয়া ভাল মাটিত পৰিল। সেইবোৰে গজালি
মেলিলে, বাঢ়ি আহিল আৰু ভাল শস্য উৎপন্ন কৰিলে।
ত্ৰিশ গুণ, ষাঠি গুণ, আৰু কিছুমানে এশ গুণতকৈও বেছি
শস্য চপোৱা হ’ল।”

৯তেতিয়া যীচুৱে কলে, “যাৰ কাণ আছে তেওঁ শুনা
উচিত।”

## যীচুৱে দৃষ্টান্তৰে কথা কোৱাৰ উদ্দেশ্য

*(মথি ১৩:১০–১৭; লূক ৮:৯–১০)*

১০যেতিয়া যীচু অকলে আছিল, তেওঁৰ বাৰজন পাঁচনিৰ
সৈতে চাৰিও কাষে থকা বাকী শিষ্যসকলে তেওঁক
দৃষ্টান্তবিলাকৰ অৰ্থৰ বিষয়ে সুধিলে।

১১যীচুৱে তেওঁলোকক কলে, “কেৱল তোমালোকেহে
ঈশ্বৰৰ ৰাজ্যৰ নিগূঢ়তত্বৰ বিষয়ে জানা। কিন্তু আন সকলৰ
বাবে সকলো কথা দৃষ্টান্তৰে কোৱা হৈছে। ১২মই এইবাবেই
কৰিছো কাৰণ,

‘তেওঁলোকে চায় আৰু চাইয়েই থাকে কিন্তু প্ৰকৃততে
কেতিয়াও নেদেখে,
তেওঁলোকে শুনে আৰু শুনিয়েই থাকে কিন্তু
কেতিয়াও নুবুজে।
যদি তেওঁলোকে দেখিলেহেঁতেন আৰু
বুজিলেহেঁতেন,
তেওঁলোকে তেওঁলোকৰ জীৱন সলনি
কৰিলেহেঁতেন আৰু ক্ষমাপ্ৰাপ্ত হ’লহেঁতেন!’”

*যিচয়া ৬:৯–১০*

## যীচুৱে কঠীয়াসিচাঁৰ দৃষ্টান্তৰ বিষয়ে বুজাই দিয়ে

*(মথি ১৩:১৮–২৩; লূক ৮:১১–১৫)*

১৩তেওঁ তেওঁলোকক কলে, “তোমালোকে যদি
এই দৃষ্টান্তৰ কথা বুজা নাই তেন্তে আন দৃষ্টান্তবিলাক
কেনেকৈ বুজিবা? ১৪খেতিয়কে যি সিচে সেয়ে ঈশ্বৰৰ
বাক্য। ১৫কিছুমানলোক বাটৰ দাঁতিত সিচাঁ কঠীয়াৰ দৰে।
তেওঁলোকে যেতিয়া বাক্য শুনে লগে লগে চয়তান আহে
আৰু তেওঁলোকত ৰোৱা উপদেশ কাঢ়ি লৈ যায়।

১৬“বাকীবোৰ সেইবোৰ কঠিয়াৰ দৰে যাক শিলনিত
সিঁচা হৈছিল। তেওঁলোকে শব্দবোৰ শুনে আৰু তৎক্ষণাত
আনন্দেৰে গ্ৰহণ কৰে। ১৭কিন্তু তেওঁলোকে বাক্যবোৰ
তেওঁলোকৰ জীৱনত শিপাব নিদিয়ে। যেতিয়া বাক্যৰ
বাবে ক্লেশ আৰু তাড়না আহে, তেতিয়া তেওঁলোকে
তেওঁলোকৰ বিশ্বাস এৰি দিয়ে।

১৮“আন কিছুমান কাইটনিত সিচাঁ কঠীয়াৰ দৰে।
যিবিলাকে বাক্য শুনোতে শুনে, ১৯কিন্তু সংসাৰৰ চিন্তা,
ধন-সম্পতিৰ প্ৰলোভন আৰু মায়া-মোহ, অন্য বস্তুৰ প্ৰতি

কামনা বাসনা আহে আৰু বাক্যবোৰ হেঁচি ধৰে। সেয়ে তাত
ফল ধৰিব নোৱাৰে।
২০“আন কিছুমান ভাল মাটিত সিঁচা কঠীয়াৰ দৰে।
তেওঁলোকে বাক্য শুনে আৰু গ্ৰহন কৰে। তেওঁলোকে
ত্ৰিশ গুন, ষাঠী গুন, আনকি এশ গুনতকৈ অধিক ফল
উৎপন্ন কৰে।”

### আপোনাৰ বোধজ্ঞান ব্যৱহাৰ কৰক

*(লূক ৮:১৬–১৮)*

২১তেতিয়া যীচুৱে তেওঁলোকক কলে, “তোমালোকৰ
কোনোবাই চাকি[a] ডাঙৰ পাত্ৰ বা বিচনাৰ তলত থবলৈ
আনা জানো? তোমালোকে ইয়াক গছাৰ ওপৰত থবৰ বাবে
নানানে? ২২কাৰণ প্ৰতিটো লুকাই থকা বস্তু প্ৰকাশ হ'ব আৰু
প্ৰত্যেক ওপুত কথা জনাজাত হ'ব। ২৩যাৰ কাণ আছে তেওঁ
শুনা উচিত।” ২৪তেওঁ তেওঁলোকক কলে, “তোমালোকে
যি শুনা তাক সাৱধানে বুজিবলৈ চেষ্টা কৰা, তোমালোকে
আনক যিদৰে ব্যৱহাৰ কৰা তোমালোকেও তেনেদৰেই
ব্যৱহাৰ পাবা কিন্তু তোমালোক যিমান পাবৰ উপযুক্ত
তাতকৈ অধিক তেওঁ দিব। ২৫যি সকলৰ বিবেচনা আছে
তেওঁক আৰু দিয়া হব, আৰু যি সকলৰ নাই তেওঁলোকৰ
যি অলপ আছে তাকো হেৰুৱাব।”

### শস্য গজি বঢ়াৰ দৃষ্টান্ত

২৬তেওঁ আকৌ কলে, “ঈশ্বৰৰ ৰাজ্য সেইজনৰ দৰে
যিজনে মাটিত গুটি সিঁচিছিল। ২৭যেতিয়া তেওঁ ৰাতি শুৱে
বা ৰাতিপুৱা উঠে, গুটিবোৰে গজালি মেলে আৰু বাঢ়ি
যায়, আৰু এইবোৰ কেনেদৰে হয় সেয়া তেওঁ নাজানে।
২৮পৃথিৱীয়ে আপোনা-আপুনিকৈ, শস্য উৎপন্ন কৰে প্ৰথমে
পুলি, তাৰ পাচত থোক, আৰু থোকত হোৱা গুটি উৎপন্ন
কৰে। ২৯যেতিয়া শস্য পকে, তেতিয়া কাঁচিৰে শস্য দায়
কাৰণ শস্য দোৱাৰ সময় আহি পালে।”

### ঈশ্বৰৰ ৰাজ্য কেনেকুৱা

*(মথি ১৩:৩১–৩২, ৩৪–৩৫; লূক ১৩:১৮–১৯)*

৩০তেতিয়া যীচুৱে কলে, “মই তোমালোকক কেনেকৈ কম
ঈশ্বৰৰ ৰাজ্য কেনেকোৱা? কি দৃষ্টান্তৰ ব্যৱহাৰ কৰি তাক
প্ৰকাশ কৰিম? ৩১এইটো এটি সৰিয়হ গুটিৰ দৰে যিটো তুমি
মাটিত সিঁচা শস্যবোৰৰ ভিতৰত আটাইতকৈ সৰু। ৩২কিন্তু
তাক ৰোৱা হলত সি বাঢ়ি পৃথিৱীৰ সকলোবোৰ শাকতকৈ
ডাঙৰ হ'ল; ইয়াৰ ডালবোৰ ইমান ডাঙৰ হ'ল যে চৰাইবোৰ
উৰি আহিল আৰু তাত সিহঁতৰ বাঁহ সাজিলে।”
৩৩যীচুৱে তেওঁলোকক উপদেশ দিবৰ বাবে বহুতো
এনে ধৰণৰ দৃষ্টান্তৰ ব্যৱহাৰ কৰিছিল। তেওঁ সেইবোৰ
যিমান পাৰে সিমান ব্যৱহাৰ কৰিছিল যাতে তেওঁলোকে
বুজি পায়। ৩৪দৃষ্টান্তৰ সহায়ৰ অবিহনে তেওঁলোকক তেওঁ
একো নকলে, কিন্তু তেওঁ শিষ্যসকলৰ সৈতে অকলে
থকা সময়ত, তেওঁ তেওঁলোকক সকলোখিনিৰ প্ৰকৃত অৰ্থ
বুজাই দিছিল।

### যীচুৰ শিষ্যসকলে তেওঁৰ শক্তি দেখা পায়

*(মথি ৮:২৩–২৭; লূক ৮:২২–২৫)*

৩৫সেই দিনা গধূলি হ'লত, যীচুৱে তেওঁলোকক কলে,
“বলা আমি সৰোবৰৰ সিপাৰলৈ যাওঁহক।” ৩৬সেয়ে
লোকসমূহক পাছত এৰি থৈ তেওঁলোক যীচুৰ সৈতে নাৱত
গুচি গ'ল যত তেওঁ ইতিমধ্যে উঠি আছিল। তেওঁলোকৰ
লগত আৰু কেইখনমান নাও আছিল। ৩৭হঠাতে বৰ ডাঙৰ
ধুমুহা বতাহ আহিল টোবোৰ নাৱলে জোৰেৰে আহিছিল।
নাওখন প্ৰায় পানীৰে ভৰি পৰিছিল। ৩৮কিন্তু যীচুৱে নাৱৰ
পিছৰ অংশত গাৰুত মূৰ দি টোপনিত আছিল। শিষ্যসকলে
তেওঁক জগালে আৰু কলে, “হে গুৰু, আমি যে ডুবি আছো
তালৈ আপুনি চিন্তা নকৰে নে!”
৩৯যীচুৱে উঠি থিয় হল। তেওঁ বতাহক ডবিয়ালে আৰু
সাগৰৰ ঢৌক কলে, “শান্ত হোৱা। এইটো বন্ধ কৰা!”
তেতিয়া বতাহ গুচিল, আৰু চাৰিওফালে অতি শান্ত হ'ল।
৪০তেতিয়া যীচুৱে তেওঁলোকক কলে, “তোমালোকে
কিয় ভয় কৰিছা? তোমালোকৰ এতিয়াও বিশ্বাস নাইনে?”
৪১তেওঁলোকে অতিশয় ভয় খাইছিল আৰু তেওঁলোকে
ইজনে-সিজনক কলে, “এই মানুহজন কোন? বতাহ আৰু
পানীৰ ঢৌৱেও এওঁৰ কথা পালন কৰে।”

### যীচুৱে এজন কু-আত্মাই ধৰা মানুহক মুকলি কৰা

*(মথি ৮:২৮–৩৪; লূক ৮:২৬–৩৯)*

৫ ১তেতিয়া যীচু আৰু তেওঁৰ শিষ্যসকলে হ্ৰদৰ সিপাৰে
থকা গিৰাচেনীয়া লোক বিলাকৰ দেশ গৈ পালে। ২যীচু
নাৱৰ পৰা নামিলে। লগে লগে মৰিশালিৰ পৰা লোক এজনে
তেওঁক সাক্ষাৎ কৰিবলৈ ওলাই আহিল। সেই মানুহজনক
অশুচি আত্মাই লম্ভিছিল। ৩সি মৰিশালিৰ গুহাত বাস
কৰিছিল। তাক কোনেও বান্ধি ৰাখিব নোৱাৰিছিল, এনেকি
শিকলিৰেও তাক নোৱাৰিছিল। ৪কিয়নো যেতিয়াই তাৰ
হাত ভৰি শিকলিৰে বন্ধা হৈছিল, সি শিকলি ছিঙি দিছিল।
সি শিকলিবোৰ ডোখৰ ডোখৰ কৰিছিল। তাক কোনেও
নিয়ন্ত্ৰণ কৰিব নোৱাৰিছিল। ৫মৰিশালি আৰু পৰ্বতত
গোটেই দিন আৰু ৰাতি চিঞৰি ফুৰিছিল, আৰু নিজে
নিজকে শিলেৰে কাটিছিল।
৬যেতিয়া দূৰৰ পৰা যীচুক দেখিলে সি তেওঁৰ ওচৰলৈ
দৌৰি আহিল, আৰু তেওঁৰ আগত প্ৰণিপাত কৰি আঁঠু
ললে। ৭আৰু ৰিঙিয়াই কলে, “হে সৰ্বোপৰি ঈশ্বৰৰ পুত্ৰ
যীচু! আপুনি মোৰ পৰা কি বিচাৰিছে? মই আপোনাক
ঈশ্বৰৰ নামত বিনয় কৰিছো মোক যাতনা নিদিব।” ৮কিয়নো
যীচুৱে তেওঁক কৈছিল, “হেৰ অশুচি আত্মা, এই মানুহৰ
পৰা বাহিৰ ওলা।”

---

[a] **৮:২১ চাকি** যীচু হৈছে চাকিৰ দৰে। তেওঁ হৈছে জগতৰ
পোহৰ, আনকি তেওঁৰ শিষ্যসকলো (মথি ৫:১৪; যোহন
৮:১২; ৯:৫)

৯তেতিয়া যীচুৱে তাক সুধিলে, “তোৰ নাম কি?”
তেওঁ কলে, “মোৰ নাম লীজন,[a] কিয়নো আমি অনেক
আছোঁ।” ১০তেওঁ যীচুক বাৰে বাৰে মিনতি কৰি কলে, যাতে
তেওঁ (যীচু) তেওঁলোকক সেই ঠাইৰ পৰা নেখেদায়।
১১সেই সময়ত ওচৰৰ পাহাৰত এজাক গাহৰি চৰি
আছিল। ১২অশুচি আত্মাবোৰে তেওঁক মিনতি কৰিলে,
“আমাক সেই গাহৰিবিলাকক জাকলৈ পঠিয়াই দিয়ক
যাতে আমি গৈ সিহঁতত সোমাব পাৰো।” ১৩আৰু যীচুৱে
সিহঁতক সেইদৰে কৰিবলৈ অনুমতি দিলে। আত্মাবোৰে
সেয়ে মানুহজনৰ পৰা ওলাই গাহৰিবোৰত সোমালেগৈ;
আৰু দুহেজাৰ মান গাহৰি থকা জাকটোৱে লৰি গৈ গৰাৰ
পৰা সৰোবৰত পৰিল। সিহঁত সকলোৱে ডুবি মৰি থাকিল।
১৪যিসকলে গাহৰিবিলাকৰ প্ৰতিপালন কৰিছিল নগৰ আৰু
গাৱঁলৈ পলাই গ’ল আৰু লোকসমূহক এই সংবাদ দিলেগৈ।
এইবোৰ শুনাৰ পাছত লোকসমূহে গাহৰিৰ জাকটোৰ কি
হ’ল তাকে চাবলৈ আহিল। ১৫তেওঁলোক যীচুৰ ওচৰলৈ
আহি দেখিলে যে যি মানুহৰ গাত অশুচি আত্মাই বাস
কৰিছিল, সেই ব্যক্তিজনে কাপোৰ পিন্ধি আছে আৰু
শান্তভাৱে তাত আছে আৰু এইজনেই সেই মানুহজন যাৰ
ভিতৰত দুষ্ট আত্মাৰ এটা বৃহৎ সৈন্যবাহিনীয়ে বাস কৰিছিল।
তেওঁলোকে ইয়াক বহিথকা দেখি ভয় কৰিলে। ১৬যিবিলাকে
এই ঘটনা দেখিছিল, তেওঁলোকে বাকীবোৰক বৰ্ণনা কৰি
কলে অশুচি আত্মাই ধৰা ব্যক্তিজনৰ আৰু গাহৰি বিলাকৰ কি
গতি হল। ১৭সেয়ে লোকসমূহে যিসকলে ঘটনাটোৰ বিষয়ে
জানিলে যীচুক তেওঁলোকৰ ঠাই এৰি যাবলৈ বিনয় কৰিলে।
১৮আৰু যেতিয়া যীচু নাৱলৈ ঘুৰি গৈছিল, অশুচি আত্মাই
পোৱাজনে যীচুক তেওঁকো লগত নিবলৈ বিনয় কৰিব
ধৰিলে। ১৯কিন্তু যীচুৱে তেওঁক নিজৰ লগত যাবলৈ অনুমতি
নিদিলে। তেওঁ তেওঁক কলে, “তুমি নিজৰ আত্মীয়স্বজন
বিলাকৰ ওচৰলৈ ঘূৰি যোৱা আৰু প্ৰভুৱে তোমালৈ যিবোৰ
কৰিলে সকলো কোৱাগৈ, আৰু ইয়াকো কবা যে প্ৰভুৱে
দয়া কৰি তোমালৈ কেনে মহৎ কৰ্ম কৰিলে।”
২০তেতিয়া তেওঁ গ’ল আৰু দিকাপলিৰ লোক সমূহক
সংবাদ দিবলৈ আৰম্ভ কৰিলে যে, যীচুৱে তেওঁলৈ কেনে
মহৎ কৰ্ম কৰিলে। তাতে সকলোৱে বিস্ময় মানিলে।

## যীচুৱে এজনী মৃত ছোৱালীক জীৱন দিয়ে আৰু এগৰাকী ৰোগী সুস্থ কৰে

*(মথি ৯:১৮–২৬; লূক ৮:৪০–৫৬)*

২১যীচু যেতিয়া নাৱেৰে হ্ৰদ পাৰ হৈ সিপাৰলৈ গল, তাত
বহুতো লোক গোট খালে। তেওঁলোক সৰোবৰৰ পাৰত
আছিল। ২২সেই সময়তে, যায়ীৰ নামে যিহুদী বিলাকৰ
মন্দিৰৰ এগৰাকী বিষয়া তালৈ আহিল যেতিয়া তেওঁ যীচুক
দেখিলে তেওঁৰ চৰণত পৰিল, ২৩আৰু আগ্ৰহেৰে মিনতি
কৰি কলে, “মোৰ সৰু কন্যাজনী মৰো মৰো হৈছে, অনুগ্ৰহ
কৰি আপুনি মোৰ লগত আহক আৰু তাইৰ মূৰত হাত
দিয়কহি যাতে তাই সুস্থ হয়, আৰু জীয়াই থাকে।”
২৪সেয়ে যীচু তেওঁৰ লগত যাব ধৰিলে আৰু লোকসমূহৰ
বৃহৎ দল এটাই ও তেওঁক অনুসৰণ কৰিলে আৰু তেওঁৰ
চাৰিওফালে ইজনে সিজনক ঠেলা হেঁচা কৰিব ধৰিলে।
২৫তাতে এজনী তিৰোতা আছিল যাৰ বাৰ বছৰ ধৰি তেজ
যোৱা ৰোগত ভূগি আছিল। ২৬তেওঁ অনেক চিকিৎসকৰ
দ্বাৰা চিকিৎসা কৰি ভাগৰি পৰিছিল। তাই চিকিৎসাৰ বাবদ
যিমান টকা পইচা আছিল সকলোখিনি খৰচ কৰি পেলালে।
কিন্তু তাই একোতে ভাল পোৱা নাছিল বৰং দিনক দিনে
বেছি বেয়াহে হৈ গৈছিল।
২৭যেতিয়া তেওঁ যীচুৰ বিষয়ে শুনিলে তেওঁ লোকসমূহৰ
মাজত যীচুৰ পিচফালেদি আহিল আৰু তেওঁৰ কাপোৰ
চুলে। ২৮তেওঁ মনতে ভাবিছিল, “যদি মই তেওঁৰ কপোৰ
মাথোন চুবলৈ পাওঁ মই সুস্থ হম।” ২৯তৎক্ষণাত তেওঁৰ
তেজ যোৱা বন্ধ হ’ল আৰু শুকাই গ’ল। তেওঁ নিজ
শৰীৰত ৰোগ সুস্থ হোৱা অনুভৱ কৰিলে। ৩০আনকি যীচুৱে
তেতিয়াই অনুভৱ কৰিলে যে তেওঁৰ শৰীৰৰ পৰা শক্তি
বাহিৰ হ’ল। তেওঁ লোকসমূহলৈ মূখ ঘূৰাই সুধিলে, “মোৰ
কাপোৰ কোনে চুলে?”
৩১তেতিয়া তেওঁৰ শিষ্যবিলাকে তেওঁক কলে, “আপুনি
দেখিছেই যে লোকসমূহ আপোনাৰ কেউকাষে ঠেলা-হেঁচা
কৰি আছে আৰু আপুনি সুধিছে, ‘মোক কোনে চুলে?’”
৩২কিন্তু কোনেনো তেনে কৰিলে তেওঁক চাবলৈ
যীচুৱে চাৰিওফালে চকু ফূৰালে। ৩৩তেতিয়া সেই
তিৰোতা গৰাকীয়ে তাইলৈ কি হ’ল জানিছিল, ভয়ত
কঁপিব ধৰিলে আৰু সন্মুখলৈ আহিল আৰু যীচুৰ চৰণত
পৰিল। তাই তেওঁক সকলো কথা সত্যৰূপে প্ৰকাশ কৰি
কলে। ৩৪তেতিয়া যীচুৱে তেওঁক কলে, “আইটি, তোমাৰ
বিশ্বাসেই তোমাক সুস্থ কৰিলে। কুশলে যোৱা, তোমাৰ এই
ৰোগৰ পৰা মুক্ত হোৱা।”
৩৫যীচুৱে কথা কৈ থাকোতেই মন্দিৰৰ বিষয়াৰ ঘৰৰ পৰা
লোকসকল আহিল আৰু বিষয়াজনক কলে, “আপোনাৰ
কন্যাৰ মৃত্যু হল, এতিয়া গুৰুক আপুনি কিয় দিগদাৰ দিব
বিচাৰিছে?”
৩৬যীচুৱে লোকসমূহে কি কৈছিল শুনিলে আৰু নামঘৰৰ
বিষয়াগৰাকীক কলে, “ভয় নকৰিবা, কেৱল বিশ্বাস কৰা।”
৩৭তেতিয়া যীচুৱে কাকো তেওঁৰ পিছত আহিব নিদিলে
আৰু তেওঁ কেৱল পিতৰ, যাকোব, আৰু যাকোবৰ ভায়েক
যোহনক লগত ললে ৩৮যেতিয়া তেওঁলোক নামঘৰৰ
বিষয়াৰ ঘৰলৈ আহিলে, তেওঁ দেখিলে য়ে তাত হুলস্থূল
আৰু জোৰেৰে কন্দা-কটা কৰি আছে। ৩৯তেওঁ ভিতৰলৈ
গ’ল আৰু তেওঁলোকক কলে, “তাত ইমান কন্দা-কটা
আৰু অশান্তি কিয়? সন্তানটি মৰা নাই; তাই শুইহে আছে।”
৪০কিন্তু তেওঁলোকে তেওঁক ঠাট্টা কৰিলে।
তেতিয়াঁ যীচুৱে সকলোকে বাহিৰলৈ উলিয়াই দিলে আৰু
কেৱল সন্তানটিৰ পিতৃ-মাতৃ আৰু তেওঁৰ লগত থকা কেই

[a] **৫:৯ লীজন** এই নামৰ অৰ্থ হৈছে বহুতো। এটা লীজন হৈছে ৰোমান সৈন্যৰ প্ৰায় ৬০০০ মানুহ।

গৰাকীৰ সৈতে ভিতৰত থকিল আৰু ছোৱালীজনী থকা কোঠালিলৈ সোমাল, ৪১তেওঁ সন্তানটিৰ হাতত ধৰি কলে, *“টালিথা কুমী!”* (অৰ্থাৎ “আইটি, মই কওঁ উঠা!”) ৪২সন্তানটি তৎক্ষণাত থিয় হ’ল আৰু ইফালে-সিফালে খোজ কাঢ়িবলৈ ধৰিলে। (তাইৰ বয়স বাৰ বছৰ হৈছিল)। লোকসমূহে বিস্ময় মানিলে। ৪৩যীচুৱে তেওঁলোকক কঠোৰ আদেশ দিলে এই বিষয়ে যাতে কাকো নকয়। তেতিয়া তেওঁ তেওঁলোকক কলে, “ছোৱালীজনীক কিবা খাবলৈ দিয়া।”

## যীচু নিজ নগৰলৈ যোৱা

*(মথি ১৩:৫৩–৫৮; লূক ৪:১৬–৩০))*

**৬** ১তাৰ পাছত যীচুৱে সেই ঠাই এৰি নিজ নগৰলৈ যায়, তেওঁৰ শিষ্যসকলো তেওঁৰ লগত আছিল। ২যেতিয়া বিশ্রামবাৰ আহিলে তেওঁ নামঘৰত উপদেশ দিবলৈ ধৰিলে। তেওঁৰ শিক্ষাবিলাকত বহু লোকে বিস্ময় মানিলে! তেওঁলোকে কলে, “এই মানুহজনে এইবিলাক শিক্ষা কৰ পৰা পালে? তেওঁ কেনেকৈ এই জ্ঞান পালে? তেওঁ এনে আচৰিত কৰ্ম কেনেকৈ কৰিছে?” ৩তেওঁ সেই মৰিয়মৰ পুতেক বাঢ়ৈ নহয়নে? আৰু যাকোব, য়োচি, যিহুদা আৰু চিমোনৰ ককায়েক নহয়নে? তেওঁৰ ভনীযেক সকল আমাৰ মাজত নাই জানো? সেয়েহে তেওঁলোকে তেওঁক গ্ৰহণ কৰিবলৈ কঠিন হল।

৪যীচুৱে তাতে তেওঁলোকক কলে, “এগৰাকী ভাৱবাদী নিজ নগৰ, নিজ আত্মীয়স্বজন আৰু নিজ পৰিয়ালৰ বাহিৰে আন সকলো ঠাইতে সন্মানিত হ’য়।” ৫কেইগৰাকী মান ৰোগীক হাত দি সুস্থ কৰাৰ বাজে তেওঁ তাত আন একো আচৰিত কৰ্ম নকৰিলে। ৬যীচুৱে তেওঁবিলাকৰ অবিশ্বাসৰ কাৰনে অত্যন্ত বিস্ময় মানিলে। তেতিয়া তেওঁ আন গাওঁবোৰলৈ গ’ল আৰু তাত লোকসমূহক উপদেশ দিব ধৰিলে।

## যীচুৱে তেওঁৰ পাঁচনিসকলক পঠোৱা

*(মথি ১০:১, ৫–১৫; লূক ৯:১–৬)*

৭তেওঁ বাৰ জন পাঁচনিক ওচৰলৈ মাতিলে, আৰু তেওঁলোকক দুজন দুজনকৈ লোকসমূহক উপদেশ দিবলৈ তেওঁ তেওঁলোকক অশুচি আত্মাৰ ওপৰত অধিকাৰ দি বাহিৰলৈ পঠিয়ালে। ৮আৰু তেওঁ তেওঁলোকক নিৰ্দেশ দিলে, “তোমালোকে বাটৰ নিমিত্তে লাখুটিৰ বাহিৰে, পিঠা, মোনা, আৰু জেপত পইচাও নলবা। ৯তোমালোকে পাদুকা পিন্ধিব পাৰা কিন্তু অতিৰিক্ত কাপোৰ নলবা, ১০আৰু যি ঘৰত তোমালোকে সোমোৱা নগৰৰ পৰা ওলাই নোযোৱালৈকে তোমালোকে তাতে থাকিবা। ১১আৰু যদি কোনো ঠাইত তোমালোকক আদৰ নকৰে বা লোকসমূহে তোমালোকৰ কথা নুশুনে, তেন্তে সেই ঠাই এৰি দিবা। আৰু তেওঁলোকক সতৰ্ক কৰাৰ ধৰনে তোমালোকৰ ভৰিৰ তলুৱাৰ ধূলিও[a] জোকাৰি পেলাবা।”

১২তেতিয়া তেওঁলোকে তাৰ পৰা আন ঠাইলে গ’ল। ওলাই তেওঁলোকে প্ৰচাৰ কৰিলে যাতে লোকসমূহে হৃদয় আৰু জীৱন পৰিবৰ্তন কৰে। ১৩তেওঁলোকে অনেক অশুচি আত্মা খেদালে, আৰু বহুতো ৰোগীক জলফাইৰ তেল ঘঁহি[b] সুস্থ কৰিলে।

## হেৰোদে ভাবে যীচুৱেই যোহন বাপ্তাইজক

*(মথি ১৪:১–১২; লূক ৯:৭–৯)*

১৪হেৰোদ ৰজাই এইবোৰ শুনিবলে পালে, কাৰণ যীচুৰ খ্যাতি কেউফালে প্ৰচাৰিত হৈছিল। কিছুলোকে কৈছিল, “বাপ্তাইজক যোহন পুনৰ জী উঠিল সেয়ে তেওঁ আচৰিত কৰ্ম কৰাৰ ক্ষমতা পাইছে।”

১৫আন কোনোৱে কৈছিল, “এওঁ এলিয়া।”

আন কিছুমানে কৈছিল, “তেওঁ প্ৰাচীন কালৰ ভাৱবাদী সকলৰ নিচিনা এজন ভাৱবাদী।”

১৬কিন্তু হেৰোদে যেতিয়া এই কথা শুনিলে আৰু তেওঁ কলে, “তেওঁ যোহন, যাক মই শিৰচ্ছেদ কৰালো, তেওঁ মৃত্যুৰ পৰা পুনৰ জী উঠিল।”

## কেনেকৈ যোহন বাপ্তিস্মদাতাক আগে বধ কৰা হৈছিল

১৭হেৰোদে নিজে যোহনক বন্দী কৰাই কাৰাগাৰত ৰাখিবলৈ আদেশ দিছিল। তেওঁ নিজৰ ভায়েক ফিলিপৰ পত্নী হেৰোদিয়াৰ বাবে এনে কৰিছিল, যাক্ হেৰোদে অলপতে বিয়া কৰিছিল। ১৮কিয়নো যোহনে বাৰে বাৰে কৈছিল, “আপুনি আপোনাৰ ভাই-বোৱাৰীক বিয়া কৰোৱাটো উচিত হোৱা নাই।” ১৯সেয়ে হেৰোদিয়াই তেওঁক শত্ৰু হিচাৱে গণ্য কৰিবলৈ আৰম্ভ কৰিছিল। তাই তেওঁক বধ কৰিবলৈ বিচাৰিছিল, কিন্তু তেওঁ হেৰোদৰ বাবে তেনে কৰিব নোৱাৰিছিল। ২০হেৰোদে যোহনক ভয় কৰিছিল কাৰণ তেওঁ জানিছিল যে যোহন এজন ধাৰ্মিক আৰু পবিত্ৰ লোক সেয়ে তেওঁ তেওঁক নিৰাপদে ৰাখিছিল। হেৰোদে যেতিয়া যোহনৰ কথা শুনিছিল, তেওঁৰ বৰ বিভ্ৰান্ত হৈছিল, তথাপি তেওঁৰ কথা শুনি ভাল পাইছিল।

২১কিন্তু সুযোগৰ সময় আহিল যেতিয়া হেৰোদে তেওঁৰ উচ্চপদস্থ বিষয়াসকল, সেনাধ্যক্ষসকল আৰু গালীলৰ গণ্যমান্য লোকসকলক নিজৰ জন্মদিনত আমন্ত্ৰণ কৰি নৈশভোজৰ আয়োজন কৰিলে। ২২হেৰোদিয়াৰ কন্যাই প্ৰদৰ্শন কৰা নৃত্যই নৈশভোজৰ অতিথি সকলক আৰু ৰজা হেৰোদক সন্তুষ্ট কৰিলে।

ৰজা হেৰোদে সন্তুষ্ট হৈ কন্যাজনীক কলে, “তোমাক কি লাগে কোৱা, মই তাকেই দিম।” ২৩আৰু তেওঁ কন্যাজনীক শপত খাই কলে, “তুমি যিহকে বিচৰা তাকে দিম। আনকি মোৰ ৰাজ্যৰ আধা অংশও তোমাক দিম।”

[a] **৬:১১ ভৰিৰ তলুৱাৰ ধূলি** সাৱধানৰ জাননী। এইলোক বিলাকৰ লগত আৰু কিবা কথা পাতিৰ লগীয়া একো নাই।

[b] **৬:১৩ তেল ঘঁহি** এইয়া হৈছে ৰোগীৰ প্ৰতি দেখুওৱা সহানুভূতিৰ প্ৰতীক আৰু ৰোগীজনক সুস্থ কৰিবৰ বাবে ঈশ্বৰলৈ জনোৱা প্ৰাৰ্থনা।

২৪তাই মাকৰ ওচৰলৈ ওলাই গ'ল আৰু সুধিলে, "মই
কি খুজিম?"
তাইৰ মাকে কলে, "যোহন বাপ্তাইজক মূৰ।"
২৫তাই ল'গে ল'গে ভিতৰলৈ গ'ল আৰু ৰজাক কলে,
"আপুনি মোক এতিয়াই যোহন বাপ্তাইজকৰ মূৰটো এখন
থালত আনি দিয়াটো বিচাৰিছো।"
২৬তাতে ৰজা বৰ দুখিত হল, কিন্তু তেওঁ কৰা প্ৰতিজ্ঞাৰ
কাৰণে তেওঁৰ নিমন্ত্ৰিত অতিথি সকলৰ বাবে তাইক "নহব"
বুলি ক'ব নুখুজিলে। ২৭সেয়ে ৰজাই লগে লগে যোহনৰ
মূৰটো কটাৰ আদেশ দি এজন ঘাটকক কাৰাগাৰলৈ
পঠাই দিলে। ঘাটক জনে এখন থালত যোহনৰ মূৰটো
কাটি আনি, ২৮কন্যা জনীক দিলে আৰু তাই লৈ মাকক
দিলে। ২৯যেতিয়া যোহনৰ শিষ্য সকলে এই সংবাদ পালে,
তেওঁলোকে তালৈ আহিলে আৰু দেহটো নি কবৰ দিলে।

## যীচুৱে পাঁচ হাজাৰতকৈ অধিক লোকক খুউৱা

*(মথি ১৪:১৩–২১; লূক ৯:১০–১৭; যোহন ৬:১–১৪)*

৩০পাঁচনি সকল যি সকলক যীচুৱে প্ৰচাৰ কৰিবলৈ
পঠিয়াইছিল, তেওঁৰ ওচৰলৈ ঘূৰি আহিল আৰু তেওঁলোকে
কি কি কৰিলে আৰু কি শিক্ষা দিলে সকলোবোৰ কথা
তেওঁক বিবৰি কলে। ৩১যীচুৱে তেওঁলোকক কলে, "আঁহা,
আমি এক নিৰ্জন ঠাইলৈ গৈ জিৰণি লওঁ।" কিয়নো তাত
অনেক লোকসমূহ অহা-যোৱা কৰিছিল সেয়ে তেওঁলোকে
ভোজন কৰিবলৈ ও সুযোগ পোৱা নাছিল।
৩২সেয়েহে তেওঁলোকে এখন নাৱত উঠিলে আৰু এক
নিৰ্জন ঠাইলৈ গল। ৩৩কিছুমানে তেওঁলোকক যোৱা
দেখা পালে আৰু বহুতে এই বিষয়ে জানিব পাৰিলে সেয়ে
সকলোবোৰ নগৰৰ পৰা তেওঁলোক সকলোৱে দৌৰিবলৈ
আৰম্ভ কৰিলে আৰু যীচু আৰু তেওঁৰ শিষ্যসকল গৈ পোৱাৰ
আগেয়ে তাত উপস্থিত হলগৈ। ৩৪যেতিয়া যীচু নাৱৰ পৰা
নামিল, তেওঁ মানুহৰ এটি বিৰাট জুম দেখিলে, তেওঁলোকৰ
বাবে তেওঁৰ দয়া উপজিল, কিয়নো তেওঁলোক ৰখীয়া
নোহোৱা ভেড়াৰ নিচিনা আছিল। সেয়েহে তেওঁ
তেওঁলোকক অনেক উপদেশ দিবলৈ ধৰিলে।
৩৫তেতিয়া ৰাতি হবৰ হৈছিল। সেয়ে শিষ্য সকলে
তেওঁৰ ওচৰলৈ আহিল আৰু কলে, "এইখন নিৰ্জন ঠাই
আৰু এতিয়া বহু দেৰিও হৈছে, ৩৬লোকসকলক ওচৰৰ
গাওঁবিলাকলৈ যাবলৈ দিয়ক যাতে তেওঁলোকে খাবলৈ
কিবা বস্তু কিনিব পাৰে।"
৩৭কিন্তু তেওঁ কলে, "তোমালোকেই তেওঁলোকক কিবা
খাবলৈ দিয়া।"
তেতিয়া তেওঁলোকে তেওঁক কলে, "আমি এই সকলো
মানুহে খাবৰ বাবে যথেষ্ট পিঠা কিনিব নোৱাৰিম। ইমানবোৰ
টকা গোটাবৰ বাবে আমি সকলোৱে এমাহ কাম কৰিব
লাগিব?"[a]

[a] **৬:৩৭ আমি … লাগিব** আক্ষৰিকভাৱে "আমি গৈ ২০০ ডিনাৰীৰ ৰুটি কিনি এই মানুহবিলাকক দিয়া উচিতনে?"

৩৮তেওঁ তেওঁলোকক কলে, "যোৱা আৰু তোমালোকৰ
কিমান পিঠা আছে চোৱাগৈ।"
তেওঁলোকে চাই আহি কলে, "আমাৰ ওচৰত পাঁচটা
পিঠা আৰু দুটা মাছ আছে।"
৩৯তেতিয়া তেওঁ শিষ্যসকলক আজ্ঞা দিলে, "সকলোকে
সেউজীয়া ঘাঁহনিৰ ওপৰত শাৰি পাতি বহিবলৈ কোৱা।"
৪০তেতিয়া লোকসমূহ এশ, এশকৈ, আৰু পঞ্চাছ-পঞ্চাছ
জনকৈ শাৰী পাতি বহিল।
৪১আৰু যীচুৱে পাঁচোটি পিঠা আৰু দুটি মাছক ললে। তেওঁ
স্বৰ্গলৈ চাই ঈশ্বৰক ধন্যবাদ দিলে আৰু পিঠা ভাঙিলে। তাৰ
পাছত তেওঁ টুকুৰাবিলাক শিষ্যসকলক দি লোকসমূহক
বিলাই দিবলৈ কলে। তেওঁ দুটি মাছকো ভাঙিলে আৰু
তেওঁলোকক দি লোকসমূহক ভগাই দিবলৈ কলে।
৪২তেওঁলোক সকলোৱে পেট পুৰাই খালে আৰু তৃপ্ত
হল। ৪৩আৰু শিষ্যসকলে অৱশিষ্ট আহাৰ তুলিলে যিবিলাকে
বাৰটা পাচিত পূৰ্ণ কৰিলে। ৪৪পিঠা খোৱা লোকৰ ভিতৰত
পুৰুষৰ সংখ্যাই কেৱল পাঁচ হাজাৰ আছিল।

## যীচুৱে পানীৰ ওপৰত খোজকাঢ়ে

*(মথি ১৪:২২–২৩; যোহন ৬:১৫–২১)*

৪৫তাৰ পাছত যীচুৱে তেওঁৰ শিষ্যসকলক নাৱত উঠিবলৈ
কলে আৰু সৰোবৰৰ আনটো পাৰত থকা বৈৎচদালৈ
যাবলৈ কলে। তেওঁ তেওঁলোকক কলে যে তেওঁ পাছত
যাব। তেওঁ প্ৰত্যেককে ঘৰলৈ যাবলৈ কবৰ বাবে তাতে
থাকিল। ৪৬লোকসমূহক বিদায় দিয়াৰ পাছত তেওঁ প্ৰাৰ্থনা
কৰিবৰ বাবে পৰ্বত লৈ গল।
৪৭সন্ধ্যা সময়ত নাওখন সৰোবৰৰ মাজ পালেগৈ, আৰু
তেওঁ অকলে পাৰত আছিল। ৪৮তেওঁ দেখিলে যে বতাহ
বিপৰীত দিশত বলিছে আৰু শিষ্যসকলে নাৱখন বোৱাত
কষ্ট পাইছে। পুৱতি নিশা চাৰিটা বজাত তেওঁ (যীচুৱে)
তেওঁলোকৰ ওচৰলৈ সৰোবৰৰ পানীৰ ওপৰে খোজ কাঢ়ি
আহিল। তেওঁ তেওঁলোকক পাচ পেলাই যাবলৈ উপক্ৰম
হল। ৪৯তেওঁলোকে তেওঁক সৰোবৰৰ ওপৰেদি খোজ
কাঢ়ি যোৱা দেখা পাই ভূত বুলি ভাবিলে। তেওঁলোকে
চিঞঁৰিবলৈ ধৰিলে। ৫০কিয়নো সকলোৱে তেওঁক দেখি
ভয়তে পেপুৱা লাগিছিল। লগে লগে তেওঁ তেওঁলোকক
মাত লগাই সম্বোধন কৰিলে আৰু কলে, "সাহ কৰা, মইহে
ভয় নকৰিবা!" ৫১তেতিয়া তেওঁ নাৱত উঠিলে আৰু বতাহ
শান্ত হল। এইবোৰ দেখি তেওঁলোকে বিস্ময় মানিলে।
৫২এইয়া তেওঁ পিঠাৰ লগত কৰা আচৰিত কৰ্ম্মৰ দৰে
আছিল। তেওঁলোকে ইয়াৰ অৰ্থ বুজিব নোৱাৰিলে যিহেতু
তেওঁলোকৰ মন বন্ধ আছিল।

## যীচুৱে বহুতো ৰোগীক সুস্থ কৰে

*(মথি ১৪:৩৪–৩৬)*

৫৩তেওঁলোকে সৰোবৰ পাৰ হৈ গিনেচেৰৎ পালে। তাতে
তেওঁলোকে নাওঁ বান্ধিলে। ৫৪যেতিয়া তেওঁলোকে নাৱৰ

পৰা নামিলে তাৰ লোকসমূহে যীচুক চিনি পালে। ৫৫সেয়ে তেওঁলোকে সেই অঞ্চলৰ সকলোকে কথাটো জনাবৰ বাবে লৰালৰিকৈ গ'ল। তেওঁলোকে যীচু থকা ঠাইলৈ ৰোগীসকলক চাঙিৰে সৈতে কঢ়িয়াই আনিলে। ৫৬গাঁৱে গাঁৱে, নগৰে-নগৰে যীচু যলৈকে গৈছিল, লোকসমূহে তেওঁলোকৰ ৰোগী সকলক হাট-বজাৰ বহা ঠাইলৈ আনি তেওঁলোকে যেন তেওঁৰ কাপোৰৰ এটি অংশ মাথোন চুবলৈ দিয়ে, এনে মিনতি কৰিলে। আৰু যিমান লোকে চুলে সকলোৱে সুস্থ হল।

## ঈশ্বৰৰ বিধান আৰু মানুহৰ দস্তুৰ

*(মথি ১৫:১–২০)*

৭ ১তেতিয়া জেৰুচালেমৰ পৰা অহা কেইগৰাকীমান ফৰীচী আৰু বিধান পণ্ডিত যীচুৰ ওচৰত একত্ৰিত হল। ২তেওঁলোকে দেখিলে যে যীচুৰ শিষ্যসকলে খাবলৈ বহিছে আৰু তেওঁলোকৰ হাতবোৰ পৰিস্কাৰ নহয়, ইয়াৰ অৰ্থ এইয়াই যে তেওঁলোকে পৰম্পৰাগত ৰীতি অনুযায়ী হাত ধোৱা নাই। ৩কিয়নো পূৰ্ব পুৰুষৰ নিয়ম অনুসৰি ফৰীচী আৰু যিহুদী সকলে এই বিশেষ প্ৰকাৰে হাত নুধুৱাকৈ ভোজন নকৰে। ৪যেতিয়াই তেওঁলোকে হাট-বজাৰৰ পৰা উভটি আহে আনুষ্ঠানিক ৰীতিমতে নুধুৱাকৈ নাখায়। এনেকৈয়ে আৰু অনেক ৰীতি-বিধি আছে যেনে, পিয়লা, কলহ আৰু তামৰ কাঁহি-বাতি[a] ধোৱা আদি তেওঁলোকে মানি চলিছিল।

৫সেয়েহে ফৰীচী আৰু বিধান-পণ্ডিত সকলে যীচুক সুধিলে, "আপোনাৰ শিষ্যবিলাকে কিয় পূৰ্ব পূৰুষৰ পৰা চলি অহা ৰীতি-বিধি পালন নকৰে? তেওঁলোকে তেওঁলোকৰ হাত শুচি নকৰাকৈ ভোজন কৰে।"

৬যীচুৱে তেওঁলোকক উত্তৰ দিলে, "যিচয়াই তোমালোক কপটীয়া বিলাকৰ বিষয়ে ঠিকেই ভাৱবাণী কৰিছিল; যেনেকৈ লিখা আছে:

'তেওঁলোকে মোক তেওঁলোকৰ ওঠৰ দ্বাৰা ওলোৱা
শব্দৰেহে সন্মান কৰে।
কিন্তু তেওঁলোকৰ হৃদয়ত মোক তেওঁলোকৰ
বাবে উপযুক্ত বুলি বিবেচনা নকৰে।
৭ তেওঁ বিলাকে মোক কৰা আৰাধনা মূল্যহীন।
আৰু তেওঁলোকৰ উপদেশবোৰ হৈছে মাত্ৰ
মানুহৰ নিয়ম।' *যিচয়া ২৯:১৩*

৮তোমালোকে ঈশ্বৰৰ আজ্ঞা এফলীয়াকৈ ৰাখিছা আৰু মানুহৰ পৰম্পৰা ৰীতি-বিধি ধৰি ৰাখিছা।"

৯তেওঁ তেওঁলোকক কলে, "তোমালোকে দেখোন নিজ ৰীতি-বিধিবোৰ প্ৰতিষ্ঠা কৰিবৰ বাবে ঈশ্বৰৰ বিধানক এফলীয়াকৈ ৰাখিছা। এয়া জানো ভাল কথা? নহয়! ১০উদাহৰণ স্বৰূপে মোচিয়ে কৈছিল, 'তুমি তোমাৰ পিতৃ-মাতৃক সন্মান কৰা'[b] আৰু 'যি কোনোৱে পিতৃ-মাতৃক শাও দিয়ে তেওঁক নিশ্চয় বধ কৰা হব।'[c] ১১কিন্তু তোমালোকে উপদেশ দিয়া যে লোকসমূহে তেওঁলোকৰ পিতৃ-মাতৃক কব পাৰে, 'মই তোমালোকক সহায় কৰিবৰ বাবে মোৰ অলপমানহে আছিল, কিন্তু মই সেয়া তোমালোকৰ বাবে কৰিব নোৱাৰো। মই এইয়া ঈশ্বৰক দিবৰ বাবে প্ৰতিজ্ঞা কৰিছো। ১২যেতিয়া তেওঁলোকে এনে ধৰণৰ শপত খায় তোমালোকে তেওঁলোকক কৰা~যে তেওঁলোকক তেওঁলোকৰ পিতৃ-মাতৃক সহায় কৰিবৰ বাবে দিয়া নহব। কাৰণ তেওঁলোকৰ শপত যুক্তিপূৰ্ণ আৰু ইয়াক ৰক্ষা কৰা হ'ব। ১৩এইদৰে তোমালোকে নিজে গঢ়া ৰীতি-বিধিৰ দ্বাৰা যিবিলাক তোমালোকে আনকো শিকোৱা তাৰ কাৰণে ঈশ্বৰৰ আজ্ঞা পালনত প্ৰত্যাহাৰ লঙ্ঘন কৰিছা। আৰু তোমালোকে এনে ধৰণৰ বহুতো কাম কৰি আছ।"

১৪যীচুৱে আকৌ লোকসমূহক ওচৰলৈ মাতিলে আৰু কলে, "সকলোৱে মোৰ কথা শুনা আৰু বুজা। ১৫এনে কোনো বস্তু নাই যি বাহিৰৰ পৰা মানুহৰ ভিতৰলৈ সোমাই আৰু ইয়াক অপবিত্ৰ কৰে; কিন্তু যিবিলাক মানুহৰ ভিতৰৰ পৰা ওলাই আহে সেইবোৰহে তেওঁক অপৱিত্ৰ কৰে।" ১৬[d]

১৭পাছত যীচুৱে লোকসমূহক এৰিলে আৰু ঘৰৰ ভিতৰত সোমালত তেওঁৰ শিষ্যবিলাকে দৃষ্টান্তৰ অৰ্থ সুধিলে। ১৮তাতে তেওঁ তেওঁলোকক কলে, "কি তোমালোকে এইটোও বুজা নাইনে? তোমালোকে দেখা নাইনে যে বাহিৰৰ পৰা সোমোৱা কোনো বস্তুৱে মানুহ এজনক অপৱিত্ৰ কৰিব নোৱাৰে। ১৯কিয়নো তেনে বস্তু অন্তৰলৈ নাযায় কিন্তু পেটলৈহে সোমায় আৰু আকৌ শৌচৰ ঠাইত বাহিৰ ওলাই যায়।" (এনে কৈ তেওঁ বুজালে যে সকলো খোৱা বস্তু শুদ্ধ)

২০তেওঁ আৰু কলে, "মানুহৰ ভিতৰৰ পৰা যি ওলাই সেয়েই তেওঁক অপৱিত্ৰ কৰে, ২১কিয়নো মানুহৰ মনৰ পৰা, কু-চিন্তা, অনৈতিক কাৰ্য্য, চুৰ, হত্যা, ২২ব্যাভিচাৰ, লোভ, মোহ, দুষ্টতা, মিছা কথা, অভদ্ৰতা, ইৰ্ষা, অহংকাৰ, মূৰ্খতা, এইবোৰ ওলায়। ২৩এই সকলো মন্দবিষয় ভিতৰৰ পৰা ওলায় আৰু তেওঁক ঈশ্বৰৰ অগ্ৰাহ্য কৰি তুলে।"

## যীচুৱে এগৰাকী অযিহুদী মহিলাক সহায় কৰা

*(মথি ১৫:২১–২৮)*

২৪তেতিয়া যীচুৱে সেই ঠাই এৰি তুৰ অঞ্চলৰ আৰু ইয়াৰ চাৰিওফালৰ ঠাইলৈ গল। তাত তেওঁ এটা ঘৰত সোমাল। তেওঁ বিচৰা নাছিল যে কোনোবাই তেওঁৰ উপস্থিতিৰ কথা জানক, কিন্তু তেওঁৰ উপস্থিতি গুপ্তকৈ ৰাখিব নোৱাৰিলে। ২৫এগৰাকী মহিলা যাৰ জীয়েকক অশুচি আত্মাই ধৰিছিল যীচু অহা গম পালে। লগে লগে তেওঁ তেওঁৰ ওচৰলৈ আহি তেওঁৰ চৰনত আঁঠু ললে। ২৬তেওঁ যিহুদী নাছিল।

[a] **৭:৪ তামৰ কাঁহি-বাতি** কিছুমান গ্ৰীক লিপিত "কিছুমান আচবাব" সংযুক্ত কৰা হৈছে।

[b] **৭:১০** উদ্ধৃত যাত্ৰাপুস্তক ২০:১২; দ্বি. বি. ৫:১৬

[c] **৭:১০** উদ্ধৃত যাত্ৰাপুস্তক ২০:১৭

[d] **৭:১৬** কিছুমান গ্ৰীক লিপিত পদ ১৬ সংযুক্ত কৰা হৈছে: "কাৰোবাৰ যদি শুনিবলৈ কান আছে, তেওঁ শুনক!"

তেওঁ চিৰিয়াৰ ফণিকীয়াত জন্মা এগৰাকী মহিলা আছিল।
তাই জীয়েকৰ পৰা অশুচি আত্মাক খেদাবলৈ যীচুক মিনতি
কৰিলে।
২৭যীচুৱে তেওঁক কলে, “সন্তান সন্ততি বিলাকৰ
আহাৰলৈ কুকুৰবিলাকক দিয়াটো ঠিক নহয়। প্ৰথমে
ইস্ৰায়েলৰ সন্তান সকলে যি বিচাৰিছে সেই সকলো
তেওঁলোকক খাবলৈ দিয়া।”
২৮উত্তৰত মহিলাগৰাকীয়ে যীচুক কলে, “হয় প্ৰভু, কিন্তু
কুকুৰেও মেজৰ তলত পৰা সন্তান বিলাকে খাই থকাৰ পৰা
পৰি যোৱা বিলাক খাবলৈ পায়।”
২৯তেতিয়া যীচুৱে তেওঁক কলে, “তুমি এটা ভাল উত্তৰ
দিলা। তুমি যোৱা, তোমাৰ জীয়েৰাৰ পৰা অশুচি আত্মা
বাহিৰ ওলাই গল।”
৩০তেতিয়া ঘৰলৈ গৈ দেখিলে যে, ছোৱালীটিয়ে বিচনাত
শুই আছে, আৰু অশুচি আত্মা ওলাই গল।

## যীচুৱে এজন কলা-বোবাক সুস্থ কৰা

৩১তেওঁ আকৌ তুৰ অঞ্চলৰ পৰা ঘূৰি আহিল আৰু চিদোনৰ
মাজেদি গৈ দিকাপলিৰ[a] পথেৰে গালীল সৰোবৰলৈ
পালেগৈ। ৩২তাতে কিছুমান লোকে এজন কলা আৰু বোবা
মানুহক যীচুৰ ওচৰলৈ আনিলে। তেওঁলোকে যীচুক বিনয়
কৰিলে তেওঁৰ ওপৰত হাত দি সুস্থ কৰিবলৈ।
৩৩যীচুৱে তেওঁক লোকসমূহৰ পৰা এফলীয়াকৈ নিলে।
যীচুৱে তেওঁৰ কাণ দুখনত আঙুলি ভৰালে। আৰু তেওঁ
তেওঁৰ আঙুলিত থু দিলে আৰু তাৰ সৈতে মানুহজনৰ
জিভা চুলে। ৩৪যীচুৱে স্বৰ্গৰ ফাললৈ চাই গভীৰ হুমুনিয়া
কাঢ়ি কলে, *“ইফফাথা”* (অৰ্থাৎ “মুকলি হওঁক!”) ৩৫লগে
লগে মানুজনৰ কাণ মুকলি হল আৰু জিভাৰ জঠৰতা ঢিলা
হ’ল আৰু তেওঁ স্পষ্টকৈ কথা কবলৈ ধৰিলে।
৩৬তেতিয়া যীচুৱে কাকো নকবলৈ তেওঁলোকক আদেশ
দিলে। কিন্তু তেওঁ যিমানে লোকসমূহক কবলৈ মানা কৰিলে
সিমানে তেওঁলোকে খবৰটো বিয়পাই দিলে। ৩৭লোকসকল
অতিশয় বিস্মিত হল আৰু কলে, “যীচুৱে যি কৰিছে সকলো
ভালৰ বাবে কৰিছে। তেওঁ আনকি কলাবিলাককো শুনিব
পৰা আৰু বোবাবিলাককো কব পৰা কৰিছে।”

## যীচুৱে চাৰি হাজাৰৰো অধিক লোকক খুউৱা

*(মথি ১৫:৩২–৩৯)*

**৮** ১সেই দিন বিলাকৰ আন এটি সময়ত বহুলোকৰ দল
সমবেত হ’ল। তেওঁলোকৰ খাবলৈ একো নাছিল।
সেয়ে যীচুৱে তেওঁৰ শিষ্যসকলক তেওঁৰ ওচৰলৈ মাতি
ক’লে, ২“এই লোকসকলৰ বাবে মোৰ দুঃখ লাগিছে,
কাৰণ তেওঁলোক মোৰ লগত তিনিদিন ধৰি আছে আৰু
তেওঁবিলাকৰ ওচৰত এতিয়া খাবলৈ একোৱেই নাই। ৩যদি
তেওঁলোকক লঘোনে ঘৰলৈ পঠাই দিওঁ, বাটত তেওঁলোক
ভাগৰৰ বাবে অচেতন হৈ পৰিব। কিয়নো তেওঁলোকৰ
কিছুমান বহুত দুৰৰ পৰা আহিছে।”
৪তেওঁৰ শিষ্যবিলাকে উত্তৰ দিলে, “এই নিৰ্জন ঠাইত
কৰ পৰা এই লোকসকলৰ কাৰনে পৰ্যাপ্ত আহাৰ আমি
পাম?”
৫তেতিয়া যীচুৱে তেওঁলোকক সুধিলে, “তোমালোকৰ
লগত কিমান পিঠা আছে?”
তেওঁলোকে উত্তৰ দিলে, “সাতোটা।”
৬তেতিয়া যীচুৱে লোকসমূহক মাটিত বহিবলৈ আজ্ঞা দিলে
আৰু তেওঁ সেই সাতোটা পিঠা লৈ, ঈশ্বৰক ধন্যবাদ দিলে,
সেইবোৰ ভাঙিলে আৰু শিষ্য বিলাকক দি লোকসকলক
ভগাই দিবলৈ কলে। তাতে তেওঁলোকে লোকসমূহক
সেইবিলাক ভগাই দিলে। ৭তেওঁলোকৰ লগত কেইটিমান
সৰু মাছো আছিল। যীচুৱে মাছ কেইটালৈ ঈশ্বৰক ধন্যবাদ
দিলে আৰু শিষ্যসকলক সেইকেইটাও দি ভগাবলৈ কলে।
৮লোকসমূহে পেট ভৰাই খালে। পাছত শিষ্যসকলে
অৱশিষ্ট পিঠাৰে সাতটা পাচি পূৰালে। ৯তাত প্ৰায় চাৰি
হাজাৰ লোক আছিল। তেতিয়া যীচুৱে লোকসমূহক ঘৰলৈ
যাব কলে। ১০আৰু তেওঁ শিষ্যসকলৰ সৈতে নাৱত উঠিলে
আৰু দলমানুথা নগৰৰ ওচৰৰ অঞ্চললৈ যাত্ৰা আৰম্ভ কৰিলে।

## কিছুলোকে যীচুৰ ক্ষমতা সন্দেহ কৰা

*(মথি ১৬:১–৪; লূক ১১:১৬, ২৯)*

১১ফৰীচীবিলাক আহিলে আৰু যীচুক প্ৰশ্ন কৰিবলৈ ধৰিলে।
তেওঁলোকে তেওঁক পৰীক্ষা কৰিবৰ নিমিত্তে স্বৰ্গৰ পৰা কিবা
আচৰিত চিন দেখুৱাৰ কলে। ১২যীচুৱে গভীৰ ভাৱে হুমুনিয়া
কাঢ়িলে আৰু কলে, “এই যুগৰ লোকসমূহে কিয় আচৰিত
চিন চাব খোজে? মই সচাঁকৈ কওঁ এই লোকবিলাকক একো
আচৰিত চিন দিয়া নহব।” ১৩তেতিয়া তেওঁ তেওঁবিলাকক
এৰিলে আৰু নাৱত উঠি সৰোবৰৰ সিপাৰলৈ গুচি গ’ল।

## যীচুৰ শিষ্যসকলে তেওঁক ভুল বুজা

*(মথি ১৬:৫–১২)*

১৪যীচুৰ শিষ্যবিলাকে লগত পিঠা আনিবলৈ পাহৰিলে।
নাৱত তেওঁলোকৰ লগত মাত্ৰ এটাহে পিঠা আছিল।
১৫যীচুৱে তেওঁলোকক সতৰ্ক কৰি কলে, “সাৱধান!
ফৰীচীবিলাকৰ খমিৰ আৰু হেৰোদৰ খমিৰৰ[b] পৰা নিজক
বচাই ৰাখিবা।”
১৬শিষ্যসকলে ইজনে-সিজনে আলোচনা কৰি কলে,
“আমাৰ লগত পিঠা নাই সেয়ে তেওঁ তেনেকৈ কলে।”
১৭তেওঁলোকে কি কথা পাতিছে যীচুৱে জানিলে। তেওঁ
তেওঁলোকক কলে, “পিঠা নথকাৰ কাৰণে কিয় তোমালোক
চিন্তিত হৈছা? তোমালোকে এতিয়াও দেখা বা বুজা
নাইনে? তোমালোকে বুজিব পৰা নাইনে? ১৮তোমালোকৰ

[a] **৭:৩১ দিকাপলি** গ্ৰীকত দহটা নগৰ, গালীল সৰোবৰৰ পূবে অৱস্থিত। এটা সময়ত ইয়াত দহটা মূখ্য নগৰ আছিল।

[b] **৮:১৫ ফৰীচীবিলাকৰ খমিৰ আৰু হেৰোদৰ খমিৰ** ফৰীচীবিলাকে (৮:১১–১৩) আৰু হেৰোদ (৬:১৪–১৬) দুযোৱে আচৰিত চিন বিচাৰি যীচুক অসন্মান কৰিব বিচাৰিছিল।

চকু আছে, কিন্তু দেখা নাইনে, কান আছে কিন্তু নুশুনা?
তোমালোকৰ মনত নপৰে নে? ১৯মই যেতিয়া পাঁচ হাজাৰ
লোকসমূহৰ বাবে পাচোটা পিঠা ভাঙিছিলো, তেতিয়া
তোমালোকৰ মনত নপৰেনে কেইটা পাচি তুলি লৈছিলা?”
তেওঁলোকে কলে, “বাৰটা।”
২০“আৰু যেতিয়া মই চাৰিহাজাৰ লোকসমূহৰ কাৰণে
সাতোটা পিঠা ভাঙি দিছিলো তেতিয়া ডোখৰা ডুখৰি
কেইটা পাচিত তুলি লৈছিলা?”
তেওঁলোকে উত্তৰ দিলে, “সাতটা।”
২১যীচুৱে তেওঁলোকক সুধিলে, “কি তোমালোকে
এতিয়াও বুজি পোৱা নাইনে?”

## বৈৎচৈদাত যীচুৱে এজন অন্ধক সুস্থ কৰা

২২তাৰ পিচত তেওঁলোক বৈৎচৈদালৈ আহিল। তাত
কিছুমান লোকে এজন অন্ধ মানুহক যীচুৰ ওচৰলৈ
আনিলে আৰু স্পৰ্শ কৰিবলৈ অনুৰোধ কৰিলে। ২৩যীচুৱে
অন্ধ মানুহজনৰ হাতত ধৰিলে আৰু গাৱৰ পৰা বাহিৰলৈ
লৈ গ’ল। তেওঁ তেওঁৰ চকুত থুই দিলে আৰু গাত হাত থৈ
সুধিলে, “তুমি কিবা দেখিছানে?”
২৪তেওঁ ওপৰলৈ চালে আৰু কলে, “মই কেইজনমান
মানুহক দেখা পাইছোঁ, তেওঁলোকক খোজ কাঢ়ি থকা গছৰ
নিচিনা দেখিছো।”
২৫তেতিয়া সেই মুহূৰ্ততে যীচুৱে অন্ধ মানুহজনৰ চকুত
হাত দিলে আৰু তেওঁ সম্পূৰ্ণকৈ চকু মেলিলে। তেওঁ দৃষ্টি
ঘূৰাই পালে তেওঁ সকলো স্পষ্টকৈ দেখা পালে। ২৬পাচে
যীচুৱে তেওঁক ঘৰলৈ পঠাই দিলে আৰু কলে, “গাওঁখনত
নোসোমাবা।”

## পিতৰে কয়-যে যীচুৱেই খ্ৰীষ্ট

*(মথি ১৬:১৩–২০; লূক ৯:১৮–২১)*

২৭তেতিয়া আকৌ যীচু আৰু তেওঁৰ শিষ্যবিলাকে কৈচৰীয়া
ফিলিপী আৰু ইয়াৰ চাৰিওফালৰ ওচৰৰ গাওঁবোৰলৈ
ওলাই গল। বাটত যীচুৱে তেওঁৰ শিষ্যসকলক সুধিলে,
“মানুহবিলাকে বাৰু মোক কোন বুলি কয়?”
২৮তেওঁলোকে উত্তৰ দিলে, “কিছুমানে কয় আপুনি যোহন
বাপ্তাইজক , আন কিছুমানে কয় আপুনি এলিয়া আৰু আন
কোনোৱে আপুনি ভাববাদী সকলৰ মাজৰ এজন বুলি কয়।”
২৯তেতিয়া যীচুৱে তেওঁলোকক সুধিলে, “আৰু
তোমালোকেনো মোক কোন বুলি কোৱা?”
পিতৰে তেওঁক কলে, “আপুনি খ্ৰীষ্ট।”
৩০তেতিয়া যীচুৱে তেওঁলোকক কাকো এই বিষয়ে
নকবলৈ নিৰ্দেশ দিলে।

## যীচুৱে কয় যে তেওঁৰ মৃত্যু নিশ্চয়কৈ হ’ব

*(মথি ১৬:২১–২৮; লূক ৯:২২–২৭)*

৩১আৰু তেওঁ শিষ্যবিলাকক ব্যাখ্যা কৰিব ধৰিলে যে,
মানৱপুত্ৰই যে অনেক দুঃখভোগ কৰিব আৰু বৃদ্ধ যিহুদী
নেতাসকল, প্ৰধান পুৰোহিতসকল আৰু বিধান-পণ্ডিত
সকলৰ দ্বাৰা অগ্ৰাহ্য হ’ব। তেওঁক নিশ্চয়ে বধ কৰা হব।
আৰু তেতিয়া তিনিদিনৰ পাছত তেওঁ পুনৰাই জী উঠিব।
৩২তেওঁ তেওঁলোকক সেই কথা স্পষ্টকৈ কলে।
তেতিয়া পিতৰে তেওঁক এফলীয়াকৈ নিলে আৰু তেওঁক
ভৰ্ত্সনা কৰিবলৈ ধৰিলে। ৩৩কিন্তু যীচুৱে ঘুৰি শিষ্যসকলৰ
ফালে চালে আৰু পিতৰক ধমকি দি কলে, “মোৰ পৰা দুৰ
হ চয়তান! [a] তুমি ঈশ্বৰৰ ভবাৰ দৰে ভবা নাই, কিন্তু মানুহে
ভবাৰ দৰেহে ভাৱিছা।”
৩৪তেতিয়া যীচুৱে শিষ্যসকলৰ সৈতে লোকসমূহক মাতি
কলে, “কোনোৱে যদি মোৰ পাচত আহিবলৈ বিচাৰে, তেওঁ
সকলোবোৰ ত্যাগ কৰি লাগিব আৰু নিজৰ ক্ৰুচ তুলি
মোৰ পাচে পাচে আহিব। ৩৫কাৰণ যি কোনোৱে নিজৰ
জীৱন বচাব বিচাৰে তেওঁ তাক হেৰুৱাব আৰু যি কোনোৱে
মোৰ আৰু শুভবাৰ্তাৰ বাবে নিজ জীৱন হেৰুৱাই তেওঁ
তাক ৰক্ষা কৰিব। ৩৬এজন মানুহে যদি গোটেই জগতখন
পাইয়ো নিজৰ জীৱন হেৰুৱাই তেন্তে তেওঁৰ কি লাভ হব?
৩৭কিয়নো কোনোৱে কিবা বস্তুৰ সলনি জীৱন নাপায়? ৩৮যদি
কোনোৱে এই অবিশ্বাসী আৰু পাপীষ্ট যুগত মোৰ আৰু মোৰ
বাক্যৰ কাৰণে লাজ পায় তেন্তে, মই, এই মানৱ পুত্ৰইযো
যেতিয়া পবিত্ৰ স্বৰ্গদূতবিলাকৰ সৈতে পিতৃৰ মহিমাৰে
আহিব তেতিয়া তেওঁ সেইবিলাক মানুহত লাজ পাব।”

৯ ১আৰু তেওঁ তেওঁলোক কলে, “মই তোমালোকক
সচাঁকৈ কওঁ, ইয়াত থকা লোকসকলৰ কিছুমান
লোকে তেওঁলোকৰ মৃত্যুৰ আগতে ঈশ্বৰৰ ৰাজ্য প্ৰতাপেৰে
অহা দেখিব।”

## মোচি আৰু এলিয়াৰ লগত যীচুক দেখা পোৱা

*(মথি ১৭:১–১৩; লূক ৯:২৮–৩৬)*

২ছয়দিনৰ পাচত যীচুৱে কেৱল, পিতৰ, যাকুব আৰু যোহনক
তেওঁৰ লগত ললে আৰু এটা ওখ পৰ্বতৰ ওপৰলৈ গল।
তাত তেওঁলোকৰ আগতে তেওঁৰ ৰূপ সলনি হ’ল। ৩তেওঁৰ
বস্ত্ৰ জিলিকিব ধৰিলে ই উজ্জ্বল আৰু বগা হ’ল। ইমানেই
বগা হৈছিল যে পৃথিৱীৰ কোনো ধোবাই তেনে উজ্জ্বলকৈ
ধোব নোৱাৰে। ৪এলিয়া আৰু মোচিয়ে তেওঁৰ সৈতে দেখা
দিলে। তেওঁলোকে যীচুৰ সৈতে কথোপকথন কৰিছিল।
৫সেই সময়ত পিতৰে মাত লগাই যীচুক কলে, “হে ৰব্বি,
আমি ইয়াত থকাটো ভাল। আমি ইয়াত তিনিটা পঁজা ঘৰ
সাজোঁ, এটা আপোনাৰ বাবে, এটা মোচিৰ বাবে আৰু এটা
এলিয়াৰ বাবে।” ৬কি কথা কব লাগে, নাজানি পিতৰে এই
কথা কৈছিল। কিয়নো তেওঁ আৰু শিষ্য সকলে ইমানেই
ভয় খাইছিল।
৭আৰু তেতিয়া এডোখৰ ডাৱৰ আহিলে আৰু
তেওঁলোকক ছাঁ কৰি ধৰিলে, ডাৱৰৰ পৰা এটা বাণী কোৱা
শুনা হল, “এওঁ মোৰ প্ৰিয় পুত্ৰ, এওঁৰ কথা শুনা!”

[a] **৮:৩৩ চয়তান** চয়তানৰ অৰ্থ হল শত্ৰু। পিতৰে চয়তানৰ
দৰে কথা কৈছে বুলি যীচুৱে বুজাৰ বিচাৰিছে।!

৮তেতিয়াই তেওঁলোকে চাৰিওফালে চালে কিন্তু
তেওঁলোকৰ লগত যীচুৰ বাহিৰে কাকো নেদেখিলে।
৯যেতিয়া তেওঁলোকে পৰ্বতৰ পৰা নামি আহিছিল,
যীচুৱে তেওঁলোকক এই নিৰ্দেশ দিলে যে যেতিয়ালৈকে
মানৱপুত্ৰ মৃত বিলাকৰ মাজৰ পৰা পুনৰুত্থিত নহয় মানে
তেওঁলোকে যি দেখিলে কাকো যেন নকয়।
১০সেয়ে তেওঁলোকে কথাটো নিজৰ মনতে ৰাখিলে
যদিও তেওঁলোকে নিজৰ মাজতে আলোচনা কৰিবলৈ
ধৰিলে য়ে, “মৃতবিলাকৰ মাজৰ পৰা উঠাৰ” অৰ্থ কি?
১১তেতিয়া তেওঁলোকে যীচুক সুধিলে, “বিধান পন্ডিত
সকলে এলিয়া আগেয়ে আহিব[a] লাগে বুলি কিয় কয়?”
১২যীচুৱে তেওঁলোকক উত্তৰ দিলে, “হয় সকলোখিনি
আগৰ দৰে সঠিক কৰিবৰ বাবে এলিয়া প্ৰথমে আহিব, কিন্তু
কিয় মানৱ পুত্ৰৰ বিষয়ে লিখা আছে~যে তেওঁ অনেক দুঃখ
ভোগ কৰিব আৰু ঘৃণাৰে অগ্ৰাহ্য হব? ১৩মই তোমালোকক
কওঁ এলিয়া আহিল, আৰু শাস্ত্ৰত তেওঁৰ বিষয়ে যেনেকৈ
ঘটিব বুলি লিখা আছে মানুহবিলাকে তেওঁৰ প্ৰতি তেনেকৈ
কৰিলে।”

## যীচুৱে লৰা এটি অশুচি আত্মাৰ পৰা মুক্ত কৰা

*(মথি ১৭:১৪–২০; লূক ৯:৩৭–৪৩)*

১৪যেতিয়া, তেওঁলোক আন শিষ্যসকলৰ ওচৰলৈ আহিল
তেতিয়া তেওঁলোকৰ চাৰিওকাষে বহুলোকৰ জুম এটা
দেখিলে। আৰু বিধান পণ্ডিত সকলে তেওঁলোকৰ লগত
যুক্তি তৰ্ক কৰি থকা তেওঁলোকে দেখা পালে। ১৫আৰু যি
মুহূৰ্ততে লোকসমূহে যীচুক দেখিলে তেওঁলোক আচৰিত
হল। তেওঁলোকে তেওঁক সম্ভাষণ জনাবলৈ লৰি গ'ল।
১৬যীচুৱে বিধান পণ্ডিতসকলক সুধিলে, “তোমালোকে
কিহৰ বিষয়ে মোৰ শিষ্যসকলৰ লগত তৰ্ক কৰিছা?”
১৭তাতে জুমটোৰ এজনে উত্তৰ দিলে, “হে গুৰু, মই
মোৰ সন্তানটিক আপোনাৰ ওচৰলৈ আনিছিলো। তাক এক
অশুচি আত্মাই ধৰিলে আৰু সি তাক কথা কবলৈ নিদিয়ে।
১৮যেতিয়াই অশুচি আত্মাই মোৰ লৰাক ধৰে, তাক মাটিত
আছৰি পেলায় আৰু তাৰ মুখেদি ফেন ওলাব ধৰে, সি তাৰ
দাঁত কৰছে আৰু জঠৰ হৈ যায়। তাৰ পৰা অশুচি আত্মাক
খেদিবলৈ মই আপোনাৰ শিষ্য সকলক কৈছিলো কিন্তু
তেওঁলোকে একো কৰিব নোৱাৰিলে।”
১৯যীচুৱে উত্তৰ দি কলে, “হে অবিশ্বাসী লোক! মই
কিমান কাল তোমালোকৰ লগত থাকিব লাগিব? আৰু মই
তোমালোকক কিমান কালনো সহিম? লৰাটি মোৰ ওচৰলৈ
আনা!”
২০সেয়ে তেওঁলোকে লৰাটিক তেওঁৰ ওচৰলৈ আনিলে
যেতিয়া অশুচি আত্মাই যীচুক দেখিলে লগে লগে সি
লৰাটিকে আছাৰি পেলালে। লৰাটি মাটিত মূৰ ঘূৰাই বাগৰি
পৰিল। তাৰ মুখেদি ফেন ওলাবলৈ ধৰিলে।
২১যীচুৱে বাপেকক সুধিলে, “তাৰ এনেকুৱা হোৱা কিমান
দিন হল?”
বাপেকে কলে, “তাৰ শিশু কালৰে পৰা এনেকুৱা হৈছে।
২২অশুচি আত্মাই বহুত বাৰ তাক জুইত আৰু পানীত
পেলাই মাৰিবলৈ চেষ্টা কৰিছিল। যদি আপুনি কিবা এটা
কৰিব পাৰে তেন্তে আমাক দয়া কৰি সহায় কৰক।”
২৩যীচুৱে বাপেকক কলে, “তুমি কলা, যদি আপুনি কিবা
এটা কৰিব পাৰে। বিশ্বাস কৰা জনৰ বাবে সকলো সম্ভৱ।”
২৪তৎক্ষণাৎ লৰাটিৰ বাপেকে চিঞৰি কলে, “মই বিশ্বাস
কৰো, কিন্তু এইয়াই যথেষ্ঠ নহয়। অনুগ্ৰহ কৰি মোৰ বিশ্বাস
আৰু দৃঢ় কৰক।”
২৫যেতিয়া যীচুৱে দেখিলে যে মানুহৰ জুম আৰু ডাঙৰ
হৈ গৈছে, তেওঁ অশুচি আত্মাক ডবিয়াই কলে, “হেৰ
অশুচি আত্মা যিয়ে লৰাটোক কলা আৰু বোবা কৰিলি মই
তোক আদেশ দিছোঁ, ইয়াৰ পৰা বাহিৰ হ আৰু কেতিয়াও
তেওঁত প্ৰবেশ নকৰিবি!”
২৬তেতিয়া অশুচি আত্মাই চিঞঁৰ মাৰিলে আৰু ল'ৰাটিক
বেয়াকৈ আছাৰি পেলালে আৰু তাৰ পৰা ওলাই গ'ল।
লৰাটি মৰা মানুহৰ দৰে হল, সেয়ে বহুতো লোকে ভাৰিলে,
“সি মৰিল!” ২৭তেতিয়া যীচুৱে লৰাটিক হাতত ধৰিলে আৰু
তাক থিয় কৰালে। লৰাটো থিয় হল।
২৮ইয়াৰ পাছত যীচু ঘৰলৈ ঘূৰি গ'ল। যেতিয়া তেওঁ
অকলশৰে আছিল শিষ্যসকলে সুধিলে, “আমি কিয় অশুচি
আত্মাক খেদাব নোৱাৰিলো?”
২৯যীচুৱে তেওঁলোকক কলে, “এনে অশুচি আত্মা
প্ৰাৰ্থনাৰ[b] অবিহনে খেদাব নোৱাৰি।”

## যীচুৱে তেওঁৰ মৃত্যুৰ বিষয়ে জনোৱা

*(মথি ১৭:২২–২৩; লূক ৯:৪৩–৪৫)*

৩০তেতিয়া যীচু আৰু তেওঁৰ শিষ্যসকলে সেই ঠাই
এৰিলে। আৰু যেতিয়া তেওঁলোক গালীলৰ মাজেদি গ'ল,
তেওঁৰ ঠিকনা মানুহবিলাকে জনাটো যীচুৱে নিবিছাৰিছিল।
৩১যীচুৱে শিষ্যবিলাকক শিক্ষা দিছিল আৰু তেওঁ
তেওঁলোকক কৈছিল, “মানৱপুত্ৰক মানুহবিলাকৰ হাতত
শোধাই দিয়া হব, আৰু তেওঁলোকৰ দ্বাৰা তেওঁক বধ কৰা
হব। আৰু মৰাৰ তিনি দিনৰ পিচত তেওঁ মৃত্যুৰ পৰা জী
উঠিব।” ৩২কিন্তু তেওঁলোকে এই কথা বুজি নাপালে আৰু
এই বিষয়ে যীচুক সুধিবলৈ ভয় কৰিলে।

## কোন সকলোতকৈ মহান

*(মথি ১৮:১–৫; লূক ৯:৪৬–৪৮)*

৩৩তেতিয়া তেওঁলোকে কফৰনাহূমলৈ আহিল। যীচু ঘৰত
থাকোঁতে তেওঁৰ শিষ্যসকলক সুধিলে, “তোমালোকে
বাটত কি আলোচনা কৰিছিলা?” ৩৪কিন্তু তেওঁলোকে মনে
মনে থাকিল, কাৰণ বাটত তেওঁলোকে তেওঁলোকৰ মাজত

[a] **৯:১১ এলিয়া আগেয়ে আহিব**মলাখী ৪:৫–৬

[b] **৯:২৯** প্ৰাৰ্থনা কিছুমান গ্ৰীক লিপিত ‘প্ৰাৰ্থনা আৰু লঘোন’ দিয়া।

কোন সকলোতকৈ মহান তাৰ বিষয়ে পৰস্পৰে আলোচনা
কৰিছিল।
৩৫সেয়ে যীচু বহিলে আৰু বাৰজন শিষ্যক তেওঁৰ
ওচৰলৈ মাতি কলে, “যদি কোনোৱে প্ৰথম হবলৈ বিচাৰে,
তেওঁ সকলোতকৈ সৰু হব লাগিব আৰু সকলোৰে সেৱা
কৰিব লাগিব।”
৩৬আৰু তেতিয়া যীচুৱে এটি শিশুক আনিলে আৰু
তেওঁলোকৰ আগত থিয় হবলৈ দিলে। তেতিয়া শিশুটিক
তেওঁ কোলাত ললে আৰু তেওঁলোকক কলে, ৩৭“যি
কোনোৱে এনে এটি শিশুক মই যেনে দৰে কৰিলো
তেনেদৰে কৰে তেওঁ মোকেই গ্ৰহণ কৰে, আৰু
যিকোনোৱে মোক গ্ৰহণ কৰে, তেওঁ মোক পঠোৱা জনাকো
গ্ৰহণ কৰে।”

### যি জন আমাৰ বিপক্ষ নহয় তেঁও আমাৰ সপক্ষে

*(লূক ৯:৪৯–৫০)*

৩৮যোহনে যীচুক কলে, “হে গুৰু, আমি এজন ব্যক্তিক
আপোনাৰ ক্ষমতাত অশুচি আত্মাক খেদোৱা দেখিছিলো।
আমি তেওঁক মানা কৰিছিলো কিয়নো তেওঁ আমাৰ মাজৰ
নহয়।”
৩৯কিন্তু যীচুৱে কলে, “তেওঁক মানা নকৰিবা, কাৰণ যি
জনে মোৰ নামত আচৰিত কৰ্ম কৰে তেওঁ মোৰ বিৰুদ্ধে
কেতিয়াও বেয়াকথা কব নোৱাৰে।” ৪০যি জন আমাৰ বিপক্ষ
নহয় তেওঁ আমাৰ সপক্ষ। ৪১মই সচাঁকৈ তোমালোকক কওঁ
কোনোৱে যদি তোমালোকক খ্ৰীষ্টৰ লোক বুলি এবাতি পানীও
দিয়ে, নিশ্চয়কৈ ইয়াৰ বাবে তেওঁ তেওঁৰ পুৰস্কাৰ পাব।

### পাপৰ কাৰণ সম্বন্ধে যীচুৱে সমাধান কৰি দিয়ে

*(মথি ১৮:৬–৯; লূক ১৭:১–২)*

৪২আৰু যদি কোনোবাই মোত বিশ্বাস কৰা এই নিৰ্দোষী
শিশু[a] বিলাকৰ কোনো এজনক পাপ কৰোৱাই, তাৰ
ডিঙিত ডাঙৰ শিল আৰি সমুদ্ৰত পেলাই দিয়াই ভাল।
৪৩যদি তোমাৰ হাতে তোমাক পাপ কৰোৱাই তেন্তে তাক
কাটি পেলোৱা দুহতীয়াহৈ নৰকলৈ অৰ্থাৎ অনন্ত জুইত
পুৰাতকৈ হাত নথকাকৈ জীৱনত সোমোৱাই ভাল। ৪৪[b]
৪৫যদি তোমাৰ ভৰিয়ে পাপ কৰোৱাই তেন্তে তাক কাটি
পেলোৱা। দুটা ভৰি লৈ নৰকত যোৱাতকৈ পংগু হৈ
জীৱনত সোমোৱাই তোমাৰ বাবে ভাল। ৪৬[c] ৪৭তোমাৰ
চকুৱে যদি পাপ কৰোৱাই তেন্তে তাক উলিয়াই পেলোৱা।
দুচকুৱা হৈ নৰকত যোৱাতকৈ অন্ধ হৈ ঈশ্বৰৰ ৰাজ্যত
সোমোৱাই তোমাৰ বাবে ভাল ৪৮যত পোক কেতিয়াও
নমৰে আৰু জুই কেতিয়াও নুনুমায়।
৪৯“প্ৰত্যেক মানুহকে জুইত লোণীয়া কৰা হব।[d]
৫০“লোণ ভাল। কিন্তু লোণৰ যদি সুৱাদ গুচি যায় তেন্তে
কেনেকৈ ইয়াক আকৌ লুণীয়া কৰিবা? তোমালোকৰ
লোণীয়া স্বাদ ধৰি ৰাখা আৰু পৰস্পৰে সৈতে শান্তিৰে থাকা।”

### বিবাহ আৰু বিবাহ বিচ্ছেদৰ বিষয়ে যীচুৰ শিক্ষা

*(মথি ১৯:১–১২)*

**১০** ১তেতিয়া যীচুৱে সেই ঠাই এৰি যিহুদীয়াৰ
অঞ্চললৈ আৰু যৰ্দন নদীৰ সিপাৰলৈ গল।
আকৌ বহুতো লোক তেওঁৰ ওচৰলৈ আহিল আৰু যীচুৱে
তেওঁলোকক আগৰ দৰেই উপদেশ দিলে।
২তেতিয়া কিছুমান ফৰীচী যীচুৰ ওচৰলৈ আহি তেওঁক
সুধিলে, “কোনো পুৰুষে তেওঁৰ ভাৰ্য্যাক ত্যাগ কৰাটো
উচিতনে?” তেওঁলোকে যীচুক এই প্ৰশ্ন সুধিছিল যাতে
তেওঁ কিবা ভুলকৈ কয়।
৩যীচুৱে উত্তৰ দিলে, “মোচিয়ে তোমালোকক কি আজ্ঞা
দিছিল?”
৪তেওঁলোকে কলে, “মোচিয়ে কোনো পুৰুষে ত্যাগ
পত্ৰ দি তেওঁৰ ভাৰ্য্যাক ত্যাগ কৰিবলৈ অনুমতি দিছিল।”[e]
৫যীচুৱে তেওঁলোকক কলে, “মোচিয়ে তোমালোকক
এই আজ্ঞা দিছিল কাৰণ তোমালোকে কঠোৰতাৰে
ঈশ্বৰৰ শিক্ষাক গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিছিলা। ৬সৃষ্টিৰ
আৰম্ভনিতে প্ৰভুৱে মানুহক পুৰুষ আৰু মহিলাৰূপে সৃষ্টি
কৰিলে।[f] ৭সেই বাবে এজন পুৰুষে তেওঁৰ পিতৃ-মাতৃক
এৰিব আৰু তেওঁৰ ভাৰ্য্যাৰ সৈত্যে একলগ হব। ৮আৰু
তেওঁলোক দুয়ো এক দেহ হব।[g] সেয়ে তেওঁলোক আৰু
দুজন নহয় কিন্তু এক হব। ৯সেয়েহে, ঈশ্বৰে যাক একেলগ
কৰিলে মানুহে যাতে তাক পৃথক নকৰক।”
১০যেতিয়া তেওঁলোকে ঘৰলৈ ঘূৰি গ’ল, শিষ্যসকলে
যীচুক এই বিষয়ে সুধিলে। ১১তেওঁ তেওঁলোকক কলে, “যি
কোনোৱে নিজৰ ভাৰ্য্যাক ত্যাগ কৰি আন এগৰাকীক বিয়া
কৰায় তেওঁ প্ৰথম ভাৰ্য্যাৰ অহিতে ব্যভিচাৰ কৰে। ১২আৰু
যদি ভাৰ্য্যাই তেওঁৰ স্বামীক ত্যাগ কৰি অন্য পুৰুষৰ লগত
বিবাহ হলে ব্যাভিচাৰ কৰে।”

### যীচুৱে শিশুসকলক আদৰে

*(মথি ১৯:১৩–১৫; লূক ১৮:১৫–১৭)*

১৩তেতিয়া মানুহবিলাকে যীচুৰ ওচৰলৈ শিশুসকলক
লৈ আনিছিল যাতে তেওঁ তেওঁলোকক স্পৰ্শ কৰে আৰু
আশীৰ্বাদ দিয়ে। কিন্তু তেওঁৰ শিষ্য সকলে মানুহবিলাকক

[a] **৯:৪২ নিৰ্দোষী শিশু** বা এই মানুহবিলাক যিসকল আনৰ বাবে দৰকাৰী নহয।
[b] ***৯:৪৪*** কিছুমান গ্ৰীক লিপিত মাৰ্কৰ ৪৪ পদ সংযুক্ত কৰা হৈছে।
[c] ***৯:৪৬*** কিছুমান গ্ৰীক লিপিত মাৰ্কৰ ৪৬ পদ সংযুক্ত কৰা হৈছে।
[d] ***৯:৪৯*** কিছুমান গ্ৰীক লিপিত, “আৰু প্ৰত্যেক বলিক লোনীয়া কৰা হব” শব্দাংশ সংযুক্ত কৰা হৈছে। পুৰনি নিয়ম অনুসৰি বলিৰ জন্তুত লোন দিয়া হয়। অৰ্থাৎ যীচুৰ অনুগামী সকলক দুঃখ বাটৰ দ্বাৰা পৰীক্ষিত হব যাতে তেওঁলোকে ঈশ্বৰৰ উদ্দেশ্যে বলিস্বৰূপে উচগিত হয়।
[e] ***১০:৪*** **মোচিয়ে … দিছিল**দ্বি. বি. ২৪:১
[f] ***১০:৬*** উদ্ধৃত আদিপুস্তক ১:২৭
[g] ***১০:৭–৮*** উদ্ধৃত আদিপুস্তক ২:২৪

আহিবলৈ মানা কৰিলে। ১৪যেতিয়া যীচুৱে এইবোৰ দেখিলে
তেওঁৰ বৰ খং উঠিল। তেওঁ কলে, “শিশুসকলক মোৰ
ওচৰলৈ আহিবলৈ দিয়া। তেওঁলোকক নিষেধ নকৰিবা,
কিয়নো ঈশ্বৰৰ ৰাজ্য এনেকোৱা বিলাকৰহে। ১৫মই
তোমালোকক সচাঁকৈ কওঁ যি কোনোৱে শিশুৰ দৰে হৈ
ঈশ্বৰৰ ৰাজ্য গ্ৰহণ নকৰে, তেওঁ তাত কোনোমতে সোমাব
নোৱাৰিব।” ১৬তেতিয়া যীচুৱে সেই শিশুসকলক কোলাত
ললে আৰু সিহঁতৰ গাত হাত দি আশীৰ্বাদ কৰিলে।

### এজন ধনী মানুহে যীচুৰ পিছত চলিবলৈ অস্বীকাৰ কৰা

*(মথি ১৯:১৬–৩০; লূক ১৮:১৮–৩০)*

১৭যেতিয়া যীচুৱে যাত্ৰা আৰম্ভ কৰিছিল এজন মানুহ ল’ৰি
আহি তেওঁৰ আগত আঁঠু লৈ সুধিলে, “হে সদগুৰু, অনন্ত
জীৱনৰ অধিকাৰী হবলৈ মই কি কৰিব লাগিব?”
১৮যীচুৱে তেওঁক কলে, “মোক কিয় সৎ বুলিছা?
এজন ঈশ্বৰৰ বাহিৰে কোনো সৎ নাই। ১৯তুমি বিধানৰ
আজ্ঞাবিলাক জানা: নৰবধ নকৰিবা, ব্যাভিচাৰ নকৰিবা,
চুৰ নকৰিবা, মিছা সাক্ষ্য নিদিবা, টকা পইচা বা সম্পত্তিৰ
বাবে কাকো প্ৰৱঞ্চনা নকৰিবা, নিজৰ পিতৃ-মাতৃক সন্মান
কৰিবা।”[a]
২০মানুহজনে যীচুক কলে, “হে গুৰু কিশোৰ অৱস্থাৰ
পৰাই মই এই সকলোবোৰ পালন কৰি আহিছোঁ।”
২১যীচুৱে তেওঁ লৈ চালে আৰু তেওঁৰ প্ৰতি মৰম লাগিল।
তেওঁক কলে, “তোমাৰ এটা অভাৱ আছে : যোৱা তোমাৰ
যি আছে সেই সকলো বেচি দিয়া আৰু দৰিদ্ৰ বিলাকক দি
দিয়া, তেহে তোমাৰ স্বৰ্গত ধন হব। তাৰ পাছত আহি মোৰ
পিচত চলা।”
২২এই কথাত মানুহজন বৰ অসন্তোষ হল আৰু বেজাৰ
মনেৰে গুচি গ’ল কাৰণ তেওঁ বৰ ধনীলোক আছিল।
২৩যীচুৱে তেওঁৰ শিষ্যসকলৰ ফালে চালে আৰু কলে,
“ধনী মানুহৰ ঈশ্বৰৰ ৰাজ্যত প্ৰৱেশ কৰাটো কঠিন!”
২৪তেওঁৰ এই কথাত শিষ্যসকলে আচৰিত মানিলে। কিন্তু
যীচুৱে তেওঁলোকক আকৌ কলে, “বোপাইহঁত, ঈশ্বৰৰ
ৰাজ্যত সোমোৱাটো কিমান কঠিন। ২৫এজন ধনী মানুহে
ঈশ্বৰৰ ৰাজ্যত সোমাৱাতকৈ বেজীৰ বিন্ধাইদি উট সৰকি
যোৱাটো সহজ।”
২৬শিষ্যসকলে অতিশয় বিস্ময় মানিলে। তেওঁলোকে
ইজনে সিজনক কলে, “তেন্তে কোনে পৰিত্ৰাণ পাব পাৰে?”
২৭তেওঁলোকক চাই যীচুৱে কলে, “এয়া মানুহৰ বাবে
অসম্ভৱ কিন্তু ঈশ্বৰৰ বাবে নহয়, কাৰন ঈশ্বৰৰ বাবে সকলো
সম্ভৱ।”
২৮পিতৰে কবলৈ ধৰিলে, “চাওঁক, আমি সৰ্ব্বস্ব ত্যাগ
কৰি আপোনাৰ পিচত চলিছো।”
২৯যীচুৱে কলে, “মই তোমালোকক সত্য কওঁ: যি
কোনোৱে মোৰ কাৰণে আৰু শুভবাৰ্তাৰ কাৰণে, নিজৰ
ঘৰ, ভাই-ভনী, পিতৃ-মাতৃ, সন্তানবিলাকক, মাটি বাৰী আৰু
যি সকলো ত্যাগ কৰে, ৩০এই বৰ্তমান যুগত তাৰ এশগুণ
পাব। তেওঁ এশ গুণ বেছি ঘৰ, ককাই-ভাই, ভাই-ভনী, মাতৃ,
লৰা ছোৱালী আৰু মাটি বাৰী পাব আৰু তাড়নাও পাব। আৰু
তেওঁলোকে ভাবী যুগত অনন্ত জীৱন পাব। ৩১কিন্তু তেতিয়া
আগ হোৱা বিলাকৰ অনেকে পাচ হব, আৰু এতিয়া পাচ
হোৱা বিলাকৰ অনেকে আগ হব।”

### যীচুৱে পুনৰ তেওঁৰ মৃত্যুৰ বিষয়ে জনোৱা

*(মথি ২০:১৭–১৯; লূক ১৮:৩১–৩৪)*

৩২তেতিয়া তেওঁলোক জেৰুচালেমৰ অভিমুখে যাওঁতে, যীচু
তেওঁলোকৰ আগে আগে গৈ আছিল। তেওঁৰ শিষ্যসকল
অতি শংকিত হৈছিল আৰু পাচে পাচে যোৱা সকলৰো ভয়
লাগিছিল। তেতিয়া যীচুৱে বাৰজন পাঁচনিক এফলীয়া কৰি
মাতিলে আৰু তেওঁলৈ কি ঘটিব তেওঁলোকক কবলৈ ধৰিলে,
৩৩তেওঁ কলে, “শুনা! আমি জেৰুচালেমলৈ গৈছো, তাত
মানৱপুত্ৰক বন্দী কৰিব আৰু প্ৰধান পুৰোহিত আৰু বিধান
পন্ডিতসকলৰ হাতত গতাই দিয়া হব। তেওঁলোকে তেওঁক
মৃত্যু দণ্ড দিবলৈ কব আৰু তেওঁক অ-যিহুদী বিলাকৰ হাতত
শোধাই দিব ৩৪সিইতে তেওঁক বিদ্ৰূপ কৰিব আৰু তেওঁৰ
গাত থু-পেলাব। চাবুকেৰে কোবাব আৰু তেওঁক বধ কৰিব।
আৰু তৃতীয় দিনা তেওঁ জী উঠিব।”

### যাকোব আৰু যোহনে এটি অনুগ্ৰহৰ বাবে অনুৰোধ কৰে

*(মথি ২০:২০–২৮)*

৩৫তেতিয়া চিবিদিয়ৰ পুতেক যাকোব আৰু যোহনে যীচুৰ
ওচৰলৈ আহি কলে, “হে গুৰু, আমি যিয়ে বিচাৰো আমালৈ
আপুনি তেনে কৰে যেন।”
৩৬যীচুৱে তেওঁলোকক কলে, “তোমালোকলৈ মই কি
কৰাটো ইচ্ছা কৰা?”
৩৭তেওঁলোকে উত্তৰ দিলে, “যেতিয়া আপুনি সন্মানেৰে
সৈতে সিংহাসনত বহিব তেতিয়া এজনক আপোনাৰ
সোঁহাতে আৰু এজনক বাওঁহাতে বহিবলৈ অনুমতি দিয়ক।”
৩৮যীচুৱে তেওঁলোকক কলে, “তোমালোকে কি খুজিছা
তাক নাজানা। মই যি পাত্ৰত পান কৰোঁ তোমালোকে সেই
পাত্ৰত পান কৰিব পাৰানে? বা মই যি বাপ্তিস্মৰে বাপ্তিস্ম লওঁ
তোমালোকে লব পাৰানে?”
৩৯তেওঁলোকে কলে, “আমি পাৰো।”
যীচুৱে তেওঁলোক কলে “মই পান কৰা পাত্ৰত
তোমালোকে পান কৰিবা, আৰু মোৰ বাপ্তিস্মৰে
তোমালোক বাপ্তিস্মও হবা?” ৪০কিন্তু মোৰ সোঁহাতে বা
বাওঁহাতে বহিবলৈ অধিকাৰ দিয়াজন মই নহয় ঈশ্বৰে
তেওঁৰ মনোনীত সকলৰ বাবেহে সেই ঠাই যুগুত কৰিছে।”
৪১যেতিয়া বাকী দহজনে এই বিষয়ে শুনিলে, যাকোব
আৰু যোহনৰ ওপৰত তেওঁলোকৰ খং উঠিল। ৪২তেতিয়া

[a] **১০:১৯** উদ্ধৃত যাত্ৰাপুস্তক ২০:১২–১৬; দ্বি. বি. ৫:১৬–২০

যীচুৱে তেওঁলোকক ওচৰলৈ মাতি কলে, "তোমালোকে জানা যে অ-যিহুদী বিলাকৰ শাসনকৰ্তা সকলে আনৰ ওপৰত প্ৰভুত্ব চলাই আৰু তেওঁলোকৰ নেতাসকলে আনৰ ওপৰত ক্ষমতা চলায়। ৪৩কিন্তু তোমালোকৰ তেনে কৰা উচিত নহয়। যি কোনোৱে তোমালোকৰ মাজত মহান হব বিচাৰে তেওঁ তোমালোকৰ সেৱক হব লাগিব। ৪৪আৰু যিজনে তোমালোকৰ মাজত প্ৰথম হ'ব বিচাৰে তেওঁ তোমালোক সকলোৰে দাসৰ দৰে শুশ্ৰূষা কৰক। ৪৫কিয়নো মানৱ পুত্ৰও সেৱা শুশ্ৰূষা পাবলৈ নহয়, কিন্তু সেৱা শুশ্ৰূষা কৰিবলৈ আহিছে আৰু অনেকৰ উদ্ধাৰৰ অৰ্থে নিজৰ প্ৰাণ দিবলৈহে আহিছে।"

## যীচুৱে এজন অন্ধক সুস্থ কৰে

*(মথি ২০:২৯–৩৪; লূক ১৮:৩৫–৪৩)*

৪৬তেতিয়া তেওঁলোকে যিৰীহো নগৰলৈ আহিল। যীচু আৰু তেওঁৰ শিষ্যসকলে যিৰীহো এৰি যাওঁতে এটা মানুহৰ জুম তেওঁলোকৰ লগত আছিল। বাৰতীময়াচ নামৰ অন্ধ ভিখাৰী এজন বাটৰ কাষত বহি আছিল। (তেওঁ "তীময়চৰ পুত্ৰ" আছিল।) ৪৭যেতিয়া তেওঁ শুনিলে যে এইজন নাচৰতীয়া যীচু, তেওঁ বব মাতেৰে, চিঞৰি কবলৈ ধৰিলে, "হে যীচু দায়ূদৰ সন্তান, মোক দয়া কৰক!"

৪৮বহুতে তেওঁক ডাবি দিলে আৰু মনে মনে থাকিবলৈ আদেশ দিলে। কিন্তু তেওঁ বেচিকৈ চিঞৰিব ধৰিলে, "হে দায়ূদৰ সন্তান, মোক দয়া কৰক!"

৪৯তেতিয়া যীচুৱে থমকি ৰৈ কলে, "তেওঁক মোলৈ লৈ আহাঁ!" সেয়ে তেওঁলোকে অন্ধজনক মাতিলে আৰু কলে, "আনন্দিত হোৱা! উঠা, যীচুৱে তোমাক মাতিছে!" ৫০সিজনে নিজৰ হলৌ চোলা দলিয়াই পেলালে, জাপ মাৰি উঠিলে আৰু যীচুৰ ওচৰলৈ আহিল।

৫১যীচুৱে তেওঁক সুধিলে, "মই তোমাৰ প্ৰতি কি কৰাটো বিচৰা?" অন্ধজনে কলে, "হে গুৰু, মই মোৰ দৃষ্টি শক্তি ঘূৰাই পাব বিচাৰো!"

৫২তেতিয়া যীচুৱে কলে, "যোৱা! তোমাৰ বিশ্বাসে তোমাক সুস্থ কৰিলে।" তেতিয়াই তেওঁ দৃষ্টি শক্তি পালে আৰু বাটেদি যীচুৰ পাচে পাচে গ'ল।

## যীচুৱে ৰজাৰূপে জেৰুচালেমত যীচুৰ প্ৰৱেশ

*(মথি ২১:১–১১; লূক ১৯:২৮–৪০; যোহন ১২:১২–১৯)*

**১১** ১এনেতে তেওঁলোকে জেৰুচালেমৰ ওচৰ আহি পালত জৈতুন পৰ্বতৰ কাষত থকা বৈৎফগী নগৰত আৰু বৈথনিয়া পালে, যীচুৱে তেওঁৰ দুজন শিষ্য ওচৰৰ গাৱঁলৈ পঠাই দি কলে, ২"তোমালোকে সন্মুখত থকা গাঁৱখনলৈ যোৱা আৰু তাত গৈ পোৱাৰ লগে লগে কোনেও নুঠা এটা গাধ পোৱালি পাবা। তাক খুলিবা আৰু ইয়ালৈ আনাগৈ। ৩আৰু যদি কোনোৱে তোমালোকক সুধে, কিয় এনে কৰিছা বুলি? তেওঁক কবা, 'প্ৰভুক ইয়াক লাগে। সোনকালেই তেওঁ ইয়াক তোমালৈ ঘুৰাই পঠাব।'"

৪তেতিয়া তেওঁলোকে তালৈ গৈ দুৱাৰৰ বাহিৰত ৰাস্তাত বান্ধি থোৱা এটা গাধ পোৱালি পালে। যেতিয়া তেওঁলোকে তাক খুলিলে, ৫তাত থিয় হৈ থকা কিছুমান লোকে সুধিলে, "এই গাধ পোৱালিটি তোমালোকে কিয় খুলিছা?" ৬তেওঁলোকে যীচুৱে কবলৈ কোৱাৰ দৰে কলে। তেতিয়া তেওঁলোকে তেওঁবিলাকক গাধাটো লৈ যাবলৈ দিলে।

৭তেতিয়া তেওঁলোকে গাধ পোৱালিটো যীচুৰ ওচৰলৈ আনিলে। আৰু তেওঁলোকে তাৰ ওপৰত কাপোৰ পাৰি দিলে। তেতিয়া যীচু তাৰ ওপৰত বহিল। ৮অনেক লোকে বাটৰ ওপৰত তেওঁলোকৰ কাপোৰ পাৰি দিলে আৰু আন নিবলৈ। লোকসমূহে পথাৰৰ পৰা গছৰ ডাল কাটিলে আৰু আনি সজাই যীচুক আদৰি নিবলৈ বাটত পাৰি দিলে। ৯তেওঁৰ আগে পাছে যোৱা সকলে বৰ মাতেৰে কবলৈ ধৰিলে,

"'ঈশ্বৰৰ! জয়!' [a]
'যিজন প্ৰভুৰ নামেৰে আহিছে তেওঁ ধন্য!'

*গীতমালা ১১৮:২৫–২৬*

১০ "আমাৰ পিতৃ দায়ূদৰ যি ৰাজ্য আহিছে ধন্য!
স্বৰ্গত ঈশ্বৰৰ জয়ধ্বনি হওক!"

১১তেতিয়া যীচুৱে জেৰুচালেমত প্ৰৱেশ কৰিলে আৰু মন্দিৰলৈ গ'ল। তেওঁ চাৰিওফালৰ সকলোবোৰ বস্তু চালে। কিন্তু তেতিয়া গধূলি বহুত দেৰি হৈছিল, সেয়েহে তেওঁৰ বাৰজন পাচনিসহ চহৰ এৰি বৈথনিয়ালৈ গ'ল।

## যীচুৱে ডিমৰু গছ এজোপাক শাও দিয়া

*(মথি ২১:১৮–১৯)*

১২পাছ দিনা তেওঁলোকে বৈথনিয়াৰ পৰা ঘূৰি আহোঁতে যীচুৰ ভোক লাগিছিল। ১৩তেওঁ অলপ দূৰত সেউজীয়া পাতেৰে ভৰা এজোপা ডিমৰু গছ দেখিলে তাত ফল আছে নেকি চাবলৈ তেওঁ ওচৰলৈ গল। কিন্তু তেওঁ গৈ কেৱল পাতৰ বাহিৰে একো নাপালে, কিয়নো তেতিয়া ডিমৰুৰ বতৰ হোৱা নাছিল। ১৪তেতিয়া যীচুৱে ডিমৰু গছজোপাক কলে, "তোৰ পৰা কোনেও আৰু কেতিয়াও ফল নাখাওঁক!" তেওঁৰ শিষ্যসকলে তেওঁ কোৱা কথা শুনিলে।

## যীচু মন্দিৰলৈ যায়

*(মথি ২১:১২–১৭; লূক ১৯:৪৫–৪৮; যোহন ২:১৩–২২)*

১৫তেতিয়া তেওঁলোক জেৰুচালেম পালেগৈ। যেতিয়া তেওঁলোকে মন্দিৰত সোমাল যীচুয়ে মন্দিৰ প্ৰাংগনত কিনা-বেচা ব্যৱসায় কৰা সকলক বাহিৰ কৰিবলৈ ধৰিলে। তেওঁ ধন সলোৱা বিলাকৰ মেজ আৰু পাৰ চৰাই বেচোঁতা সকলৰ আসন লুটিয়াই পেলালে। ১৬আৰু তেওঁ মন্দিৰৰ ভিতৰেদি

[a] **১১:৯ জয়**ইব্ৰী শব্দ 'হোচানা' ঈশ্বৰক সহায় বিচৰা প্ৰাৰ্থনাত ব্যৱহাৰ হয়। ইয়াত আনন্দৰে জয়ধ্বনি দিয়াত ঈশ্বৰৰ প্ৰশংসা নতুবা তেওঁৰ 'মচীহ' ত ব্যৱহাৰ হৈছে।

একো অনা নিয়া কৰিবলৈ নিদিলে। ১৭তেতিয়া তেওঁ
তেওঁলোকক উপদেশ দি কলে, "শাস্ত্ৰত এয়া লিখা নাইনে,
'মোৰ ঘৰ সকলো জাতিৰ বাবে প্ৰাৰ্থনাৰ ঘৰ বোলা যাব?[a]
কিন্তু তোমালোকে ইয়াক ডকাইতৰ গুহা কৰিলাহঁক।'"[b]
১৮যেতিয়া প্ৰধান পুৰোহিত আৰু বিধান পন্ডিত সকলে
এই কথা শুনিলে তেওঁলোকে যীচুক বধ কৰাৰ উপায়
বিচাৰিবলৈ ধৰিলে। কিন্তু তেওঁলোকৰ ভয় লাগিছিল
কিয়নো গোটেই জুমটোৱে যীচুৰ শিক্ষাত বিস্ময় মানিছিল।
১৯সেই নিশা তেওঁলোকে নগৰৰ পৰা বাহিৰ ওলাই গল।

## যীচুৱে বিশ্বাসৰ শক্তি দেখুৱায়

*(মথি ২১:২০–২২)*

২০পাছদিনা ৰাতিপুৱা যীচু আৰু তেওঁৰ শিষ্যসকলে যাওঁতে
বাটত ডিমৰু গছ জোপা শিপাৰেকৈ শুকাই থকা দেখা পালে।
২১পিতৰৰ মনত পৰাত যীচুক কলে, "হে গুৰু, চাওক। আপুনি
ডিমৰু জোপাক শাওঁ দিলে আৰু গছজোপা শুকাই গল।"
২২যীচুৱে তেওঁক উত্তৰ দি কলে, "ঈশ্বৰত বিশ্বাস ৰাখা।
২৩মই তোমালোকক সঁচাকৈ কওঁ, 'কোনোৱে যদি এই
পৰ্বতক কয়, ইয়াৰ পৰা উঠি সাগৰত পৰ গৈ', আৰু যদি
তেওঁৰ হৃদয়ত সন্দেহ নকৰি যি কয় সেয়ে ঘটিব বুলি বিশ্বাস
কৰে, তাকে তেওঁলৈ সিদ্ধ কৰা হব। ২৪সেই কাৰণে মই
তোমালোকক কওঁ যে যেতিয়া প্ৰাৰ্থনাৰে তোমালোকে
কিবা খোজা, তাকে পালো বুলি তোমালোকে বিশ্বাস কৰিবা
আৰু এইটো তোমাৰ হব। ২৫আৰু তোমালোকে প্ৰাৰ্থনা
কৰোতে যদি তোমালোকৰ কাৰোবাৰ বিৰুদ্ধে কিবা আছে,
তোমালোকে তেওঁক ক্ষমা কৰিবা যাতে তোমালোকৰ
স্বৰ্গত থকা পিতৃয়েও তোমালোকৰ পাপ ক্ষমা কৰে।" ২৬[c]

## যিহুদী নেতাসকলে যীচুৰ ক্ষমতাত সন্দেহ কৰা

*(মথি ২১:২৩–২৭; লূক ২০:১–৮)*

২৭তেতিয়া তেওঁলোকে জেৰুচালেমলৈ ঘুৰি আহিল। যীচুৱে
মন্দিৰৰ ভিতৰত খোজ কাঢ়ি ফুৰোতে, প্ৰধান পুৰোহিত,
বিধান পন্ডিত আৰু বৃদ্ধ নেতাসকলে তেওঁৰ ওচৰলৈ আহি
২৮সুধিলে, "তুমি কি অধিকাৰৰ দ্বাৰা এই বিলাক কৰ্ম কৰিছা?
তোমাক কোনে এই অধিকাৰ দিলে?"
২৯যীচুৱে তেওঁলোকক কলে, "ময়ো তোমালোকক এটা
প্ৰশ্ন কৰোঁ, তোমালোকে যদি উত্তৰ দিয়া, তেন্তে ময়ো কি
অধিকাৰৰ দ্বাৰা এই বিলাক কৰ্ম্ম কৰো তাক কম। ৩০যোহনে
যি বাপ্তিস্ম দিছিল, সেয়া তেওঁ ঈশ্বৰৰ পৰা নে মানুহৰ পৰা
পাইছিল? উত্তৰ দিয়া!"
৩১যীচুৱে এই প্ৰশ্ন কৰাত তেওঁলোকে নিজৰ মাজতে
আলোচনা কৰিলে, "যদি আমি কওঁ তেওঁ সেয়া স্বৰ্গৰ
পৰা পাইছিল, তেতিয়া আমাক কব, তেন্তে তোমালোকে
কিয় তেওঁক বিশ্বাস নকৰিলা? ৩২কিন্তু যদি আমি কওঁ,
এয়া মানুহৰ পৰা পাইছিল, লোকসমূহে আমাক খং
কৰিব।" (তেওঁলোকে মানুহৰ কাৰণে ভয় কৰিলে কিয়নো
সকলোৱে প্ৰকৃততে যোহনক এজন ভাৱবাদী বুলি বিশ্বাস
কৰিছিল।)
৩৩সেয়ে তেওঁলোকে যীচুক উত্তৰ দিলে, "আমি
নাজানো।"
তেতিয়া যীচুৱেও তেওঁলোকক কলে, "তেন্তে
কাৰ অধিকাৰৰ দ্বাৰা মই এই কৰ্ম্ম বিলাক কৰোঁ, ময়ো
তোমালোকক নকওঁ।"

## ঈশ্বৰে তেওঁৰ পুত্ৰক পঠোৱা

*(মথি ২১:৩৩–৪৬; লূক ২০:৯–১৯)*

১২ ১যীচুৱে দৃষ্টান্তৰ সহায়েৰে তেওঁলোকক কথা
কবলৈ ধৰিলে, "এজন মানুহে এখন দ্ৰাক্ষাবাৰী
পাতিলে। তেওঁ তাৰ চাৰিওফালে বেৰ দিলে। তাৰ পাছত
তেওঁ দ্ৰাক্ষাশালৰ বাবে এটা গাত খানি টঙিৰ ঘৰো সাজিলে।
আৰু তেওঁ দ্ৰাক্ষাকাৰীখন কেইজনমান খেতিয়কক ভাড়াত
দি আন ঠাইলৈ যাত্ৰা কৰিলে।
২"তাৰ পাছত যেতিয়া আঙুৰ পকিলে তেওঁ খেতিয়ক
সকলৰ ওচৰলৈ তেওঁৰ এজন দাসক পঠাই দিলে যাতে
সি তেওঁলোকৰ পৰা তেওঁৰ ভাগৰ আঙুৰৰ অংশ আনিব
পাৰে। ৩কিন্তু খেতিয়ক সকলে তেওঁক ধৰি মাৰ-পিট কৰি
একোৱে নিদিয়াকৈ খালি হাতে পঠাই দিলে। ৪তেতিয়া
তেওঁ আৰু এজন দাসক তেওঁলোকৰ ওচৰলৈ পঠাই
দিলে। তেওঁলোকে তেওঁক মূৰত প্ৰহাৰ কৰিলে আৰু
বৰ বেয়া ধৰণে অপমান কৰিলে। ৫তাৰ পাছত মানুহজনে
অন্য এজন দাসক পঠালে আৰু তেওঁলোকে তেওঁক বধ
কৰিলে। এনেদৰে তেওঁ অনেক দাসক পঠালে। খেতিয়ক
সকলে তেওঁলোকৰ কিছুমানক মাৰ-পিট কৰিলে আৰু আন
বিলাকক বধ কৰিলে।
৬"এতিয়া মালিকৰ পঠিয়াবলৈ কেৱল তেওঁৰ প্ৰিয় পুত্ৰ হে
থাকিল। অৱশেষত মালিকে তেওঁৰ পুত্ৰকে পঠালে। তেওঁ
কলে, 'অন্ততঃ তেওঁলোকে মোৰ পুত্ৰক সন্মান কৰিব!'
৭"কিন্তু সেই খেতিয়ক সকলে ইজনে সিজনক কলে,
'এই জনেই মালিকৰ উত্তৰাধিকাৰি। আহা আমি ইয়াক
বধ কৰো, তেতিয়া আমি সম্পত্তিবিলাক পাম!' ৮সেয়ে
তেওঁবিলাকে তেওঁক ধৰি বধ কৰিলে, আৰু দ্ৰাক্ষাবাৰীৰ
বাহিৰত পেলাই দিলে।
৯"তেতিয়া দ্ৰাক্ষাবাৰীৰ মালিকজনে কি কৰিব? তেওঁ
আহিব আৰু সেই খেতিয়ক সকলক বধ কৰিব আৰু
দ্ৰাক্ষাবাৰীখন অন্য লোকক দিব। ১০তোমালোকে শাস্ত্ৰৰ
এই অংশ পঢ়া নাইনে:

'ঘৰ সজাবিলাকে যি শিল অযোগ্য গণ্য কৰিছিল
সেয়েই চুকৰ প্ৰধান শিল হ'ল।

[a] **১১:১৭** উদ্ধৃত যিচয়া ৫৬:৭
[b] **১১:১৭** উদ্ধৃত যিৰিমিয়া ৭:১১
[c] **১১:২৬** কিছুমান গ্ৰীক লিপিত পদ ২৬ সংযুক্ত কৰা হৈছে: "কিন্তু তোমালোকে যদি ক্ষমা নক, তোমালোকৰ স্বৰ্গত থকা পিতৃয়েও তোমালোকক ক্ষমা নকৰিব।"

১১ এয়া প্ৰভুৰ দ্বাৰাই হ'ল,
ই আমাৰ চকুত আচৰিত!' " *গীতমালা ১১৮:২২–২৩*

১২তেওঁলোকে বুজি পালে যে যীচুৱে কোৱা এই দৃষ্টান্ত তেওঁলোকৰ বিৰুদ্ধে আছিল। তেতিয়া তেওঁলোকে যীচুক বন্দী বনাবলৈ উপাই বিচাৰিলে, কিন্তু লোকসমূহলৈ ভয় কৰিলে। সেয়ে তেওঁলোকে যীচুক তাতে এৰি গুচি গল।

### যিহুদী নেতাসকলে যীচুক ফান্দত পেলাবলৈ চেষ্টা কৰে

*(মথি ২২:১৫–২২; লূক ২০:২০–২৫)*

১৩তেতিয়া তেওঁলোকে যীচুক প্ৰশ্ন কৰি ফান্দত পেলাবলৈ কিছুমান ফৰীচী আৰু হেৰোদিয়া লোকক পঠালে। ১৪তেওঁলোক যীচুৰ ওচৰলৈ আহিল আৰু কলে, "হে গুৰু, আমি জানো আপুনি এজন সৎলোক, আৰু আপুনি কোৱা কথাত আনবিলাকে কি কয় আপুনি কেৰেপ নকৰে। কোনে শুনি আছে সেয়া আপুনাৰ বাবে গুৰুত্বপূৰ্ণ নহয়। কিয়নো আপুনি ঈশ্বৰৰ পথৰ সত্যৰূপে শিক্ষা দিয়ে। সেয়ে আমাক কওঁক কৈচৰক কৰ দিয়া উচিত নে অনুচিত? তেওঁক কৰ দিম নে নিদিম?"

১৫যীচুৱে তেওঁলোকৰ প্ৰকৃত অভিপ্ৰায় জানিলে। তেওঁ তেওঁলোকক কলে, "তোমালোকে মোক কিয় পৰীক্ষা কৰিছা? মোক এটা ৰূপৰ মুদ্ৰা আনি দিয়া আৰু মোক সেইটো চাব দিয়া।" ১৬তেতিয়া তেওঁলোকে এটা ৰূপৰ মুদ্ৰা আনিলে। তেতিয়া যীচুৱে তেওঁলোকক সুধিলে, "এই মুদ্ৰাত কাৰ প্ৰতিমূৰ্ত্তি আৰু নাম লিখা আছে?" তেওঁলোকে উত্তৰ দিলে, "কৈচৰৰ।"

১৭তেতিয়া যীচুৱে তেওঁলোকক কলে, "যিটো কৈচৰৰ হয় তাক কৈচৰক দিয়া আৰু যি ঈশ্বৰৰ তাক ঈশ্বৰক দিয়া।" এই উত্তৰ শুনি তেওঁলোকে বিস্ময় মানিলে।

### কিছুমান চদ্দূকীয়ে যীচুক ফান্দত পেলাবলৈ চেষ্টা কৰে

*(মথি ২২:২৩–৩৩; লূক ২০:২৭–৪০)*

১৮তেতিয়া, কিছুমান চদ্দূকীয়ে (যিবিলাকে মৃত্যুৰ পিচত পুনৰুত্থানত বিশ্বাস নকৰে।) তেওঁৰ ওচৰলৈ আহি সুধিলে, ১৯"হে গুৰু, মোচিয়ে আমালৈ লিখিলে যে, যদি কোনো এজন লোকৰ ককায়েক বা ভায়েক নিঃসন্তান হৈ ঢুকাই যায় তেন্তে তেওঁ বিধবা গৰাকীক বিয়া কৰি মৃত ভায়েকৰ[a] বংশ অব্যাহত ৰাখে। ২০এসময়ত সাতজন ককাই-ভাই আছিল, ডাঙৰ জনে বিয়া পাতি সন্তান নথকাকৈ মৰিল। ২১তেতিয়া দ্বিতীয় জনে ককায়েকৰ পত্নীক বিয়া কৰালে আৰু সন্তান নোহোৱাকৈ মৃত্যু হল। এনেদৰে তৃতীয় জনৰো একে দৰে মৃত্যু ঘটিল। ২২সাতোজন ককাই ভাইয়ে তেওঁলোকৰ ককায়েকৰ পত্নীক বিয়া পাতিলে কিন্তু তেওঁলোকৰ কোনোজনৰে তাইৰ সৈতে সন্তান নহ'ল। অৱশেষত সেই বিধৱা গৰাকীৰো মৃত্যু হল। ২৩মৃত্যুৰ পাছত যেতিয়া লোকসমূহ পুনৰুত্থিত হব তেতিয়া সেই গৰাকী কোন জনৰ ভাৰ্য্যা হব? কিয়নো সাতোজনে তাইক বিয়া কৰিছিল।"

২৪যীচুৱে তেওঁলোকক কলে, "তোমালোকে ধৰ্মশাস্ত্ৰৰ কথা নাইবা ঈশ্বৰৰ শক্তিৰ কথাও নাজানা, নিশ্চয় এই কাৰণেই তোমালোকৰ এই ভ্ৰান্ত ধাৰণা নহয়জানো? ২৫কাৰণ মৃতবিলাকৰ পৰা যেতিয়া সেই ভ্ৰাতৃসকলৰ পুনৰুত্থান হব, তেতিয়া পুৰুষ সকলে নাৰীক বিয়া নাপাতিব আৰু নাৰীযেও কোনো পুৰুষক বিয়া নাপাতিব বৰঞ্চ, তেওঁবিলাক স্বৰ্গৰ স্বৰ্গদূতবিলাকৰ নিচিনা হব। ২৬মৃত বিলাকৰ পুনৰুত্থানৰ বিষয়ে মোচিৰ পুস্তকত লিখা কথা পঢ়া নাইনে? জ্বলি থকা জোপোহাৰ কাহিনীত ঈশ্বৰে মোচিক কৈছিল, "মই আব্ৰাহামৰ ঈশ্বৰ, ইচাহাকৰ ঈশ্বৰ আৰু যাকোৱৰ ঈশ্বৰ হওঁ।" ২৭তেওঁ জীৱিত থকা লোক বিলাকৰ হে ঈশ্বৰ, মৃতবিলাকৰ নহয়। তোমালোকে চদ্দূকীবিলাকে বৰ ভুল বুজিছা।"

### কোনটো আটাইতকৈ মহান আদেশ?

*(মথি ২২:৩৪–৪০; লূক ১০:২৫–২৮)*

২৮তেতিয়া এজন যিহুদী বিধান পন্ডিত যীচুৰ ওচৰলৈ আহিল। তেওঁ তেওঁলোকে তৰ্ক কৰা শুনিছিল। যীচুৱে তেওঁলোকক যেনে দৰে উত্তৰ দিলে তাক দেখি তেওঁ যীচুক সুধিলে, "মোচিৰ বিধান মতে আটাইতকৈ মহান আজ্ঞা কোনটো?"

২৯যীচুৱে উত্তৰ দিলে, "আটাইতকৈ মহান আজ্ঞা এইটোৱেই যে, 'হে ইস্ৰায়েলৰ লোক শুনা! আমাৰ ঈশ্বৰ, প্ৰভুৱেই একমাত্ৰ প্ৰভু! ৩০সকলো মন, সকলো প্ৰাণ, সকলো বুদ্ধিৰে আৰু সকলো শক্তিৰে তোমাৰ ঈশ্বৰ প্ৰভুক প্ৰেম কৰা।' ৩১আনটো আজ্ঞা হল: 'তোমাৰ চুবুৰীয়াক নিজৰ নিচিনাকৈ প্ৰেম কৰা।' এই আজ্ঞাবিলাকতকৈ আৰু কোনো ডাঙৰ আজ্ঞা নাই।"

৩২বিধান পন্ডিতে যীচুক উত্তৰ দিলে, "গুৰু, আপুনি যি কৈছিল সেয়া সত্য যে ঈশ্বৰ এজনেই, তেওঁৰ বাহিৰে আৰু কোনো নাই ৩৩সমস্ত হৃদয়, সকলো জ্ঞান, সকলো শক্তিৰে ঈশ্বৰক প্ৰেম কৰা আৰু চুবুৰীয়াক নিজৰ নিচিনাকৈ প্ৰেম কৰাটো ঈশ্বৰলৈ মেৰছাগ উৎসৰ্গা কৰা আৰু হোম বলিদান দিয়াতকৈও অধিক শ্ৰেষ্ঠ যিবিলাক আমি ঈশ্বৰলৈ উৎসৰ্গা কৰো।"

৩৪যেতিয়া যীচুৱে দেখিলে যে তেওঁ প্ৰকৃততে বুজি পাইছে তেওঁ কলে, "তুমি ঈশ্বৰৰ ৰাজ্যৰ পৰা দূৰ নোহোৱা।" আৰু তাৰ পাছত আন কোনোৱেই তেওঁক বেলেগ প্ৰশ্ন কৰিবলৈ সাহস নকৰিলে।

### খ্ৰীষ্ট দায়ূদৰ সন্তান নে তেওঁৰ প্ৰভু?

*(মথি ২২:৪১–৪৬; লূক ২০:৪১–৪৪)*

৩৫তেতিয়া মন্দিৰত উপদেশ দি থাকোঁতে যীচুৱে সুধিলে, "কেনেকৈ বিধান পন্ডিত সকলে খ্ৰীষ্টক দায়ূদৰ সন্তান বুলি কব পাৰে? ৩৬দায়ূদ নিজে পবিত্ৰ আত্মাৰ দ্বাৰা উদভূদ হৈ কৈছিল,

[a] **১২:১৯ মৃত ভায়েকৰ** দ্বি. বি. ২৫:৫–৬ চাওক।

‘প্ৰভুৱে (ঈশ্বৰ) মোৰ প্ৰভুক (খ্ৰীষ্ট) কলে:
মই তোমাৰ শত্ৰুবোৰক তোমাৰ ভৰিৰ তল
নকৰো মানে
তুমি মোৰ সোঁহাতে বহি থাকা।’ *গীতিমালা-১১০:১*

৩৭দায়ূদে নিজে তেওঁক ‘প্ৰভু’ বুলি কয়, তেতিয়া খ্ৰীষ্ট
কেনেকৈ দায়ূদৰ সন্তান হব পাৰে?” অনেক লোকে
আনন্দৰে তেওঁৰ কথা শুনি আছিল।

### যীচুৱে বিধান পণ্ডিতসকলক সমালোচনা কৰা

*(মথি ২৩:১–৩৬; লূক ২০:৪৫–৪৭)*

৩৮উপদেশত তেওঁ কৈছিল, “বিধান পন্ডিত সকললৈ
সাৱধান হ’বা। তেওঁলোকে দীঘল বস্ত্ৰ পিন্ধি ইফালে
সিফালে ঘূৰিফুৰি, ভাল পায়। হাটে বজাৰে মানুহৰ পৰা
সন্মান পাবলৈ ভাল পায়। ৩৯আৰু তেওঁলোকে নামঘৰত
প্ৰধান আসন বিচাৰে। তেওঁলোকে ভোজনতো প্ৰধান ঠাই
বিচাৰে। ৪০তেওঁলোকে বিধৱা সকলক প্ৰতাৰণা কৰে আৰু
তেওঁলোকৰ সম্পত্তি আটক কৰে। মানুহক দেখুৱাবলৈ
দীঘলীয়া প্ৰাৰ্থনা কৰে। এওঁ লোকে অধিক দণ্ড পাব।”

### প্ৰকৃত দান দিয়া

*(লূক ২১:১–৪)*

৪১যীচুৱে মন্দিৰৰ দান পাত্ৰৰ ওচৰত বহি থাকোতে, মানুহ
বিলাকে কেনেকুৱা ধৰণৰ দান দিয়ে চাই আছিল। বহুত
ধনীলোকে বহুত পৰিমাণৰ ধন ভৰাই দিছিল। ৪২তেনেতে
এগৰাকী দুখীয়া বিধবা আহিলে আৰু কেৱল দুটি সৰু মুদ্ৰা
ভৰাই দিলে। যাৰ মূল্য এটা সৰু তামৰ মুদ্ৰাৰ[a] সমানো নহয়।
৪৩তেতিয়া যীচুৱে তেওঁৰ শিষ্যসকলক ওচৰলৈ
মাতিলে আৰু কলে, “মই তোমালোকক সচাঁ কওঁ, “বাকী
মানুহবিলাকে দান পাত্ৰত ভৰাই দিয়া বেছি পৰিমাণৰ টকা
পইচাতকৈ এই বিধবা গৰাকীয়ে দিয়া মুদ্ৰাটোৰ মূল্য অধিক
বেছি। ৪৪কিয়নো ধনী বিলাকে তেওঁলোকৰ অতিৰিক্ত
ভাগৰ পৰাহে দিলে, কিন্তু এই দুখীয়া বিধৱাগৰাকীয়ে তেওঁৰ
যি আছিল সকলোখিনি দিলে। তেওঁৰ হাতত সেইখিনিয়েই
পইছা আছিল যাৰ দ্বাৰা তেওঁ নিজে জীয়াই থাকিবৰ বাবে
লাগতিয়াল বস্তু কিনিব পাৰিলেহেঁতেন।”

### যীচুৱে ভৱিষ্যতৰ বিষয়ে সাৱধান কৰা

*(মথি ২৪:১–৪৪; লূক ২১:৫–৩৩)*

**১৩** ১যেতিয়া তেওঁ মন্দিৰৰ পৰা ওলাই গ’ল,
তেওঁৰ শিষ্যবিলাকৰ এজনে কলে, “হে
গুৰু, চাওকচোন! কেনে ধুনীয়া এইশিলবোৰ আৰু সুন্দৰ
ভৱনবোৰ!”
২ইয়াতে যীচুৱে কলে, “তোমালোকে এই প্ৰকান্ড
ভৱনবিলাক চাইচা নেকি? ইয়াৰ কোনো এটা শিলো আনটো
শিলৰ ওপৰত নাথাকিব, প্ৰতিটো শিলেই তললৈ দলিয়াই
পেলোৱা হব।”
৩যেতিয়া যীচুৱে মন্দিৰৰ সন্মুখৰ জৈতুন পৰ্বতৰ ওপৰত
বহি আছিল পিতৰ, যাকোব, যোহন আৰু আন্দ্ৰিয়ই তেওঁক
ব্যক্তিগত ভাৱে সুধিলে, ৪“আমাক কওঁক এই সকলো ঘটনা
কেতিয়া ঘটিব? এইটোৱেই যে সময় তাৰ চিন কি?”
৫যীচুৱে তেওঁলোকক কলে, “সাৱধান হোৱা! কোনেও
যেন তোমালোকক ভুলাব নোৱাৰে, ৬অনেকে মোৰ নামেৰে
আহিব আৰু কব, ‘মইয়েই সেইজন’ আৰু তেওঁলোকে
বহুতক প্ৰতাৰণা কৰিব, ৭যেতিয়া তোমালোকে যুদ্ধ আৰু
যুদ্ধৰ সমন্ধে বাতৰি শুনিবা, ভয় নকৰিবা। এই বিলাক
নিশ্চয় ঘটিবই, কিন্তু সেইয়াই শেষ নহয়। ৮ৰাষ্ট্ৰ বিলাকে
আন ৰাষ্ট্ৰৰ বিৰুদ্ধে যুদ্ধ কৰিব ৰাজ্য বিলাকে আন ৰাজ্যৰ
বিৰুদ্ধে যুদ্ধ কৰিব। বহুত ঠাইত আকাল আৰু ভূমিকম্প
হব। এই সকলোবোৰ যাতনা মহিলাৰ প্ৰসৱ বেদনাৰ দৰে
আৰম্ভণিহে মাথোন।
৯“তোমালোক নিজে সাৱধান হবা! তেওঁলোকে
তোমালোকক বন্দী কৰিব আৰু বিচাৰকৰ্তা বিলাকৰ হাতত
গতাই দিব, আৰু তেওঁলোকে তোমালোকক তেওঁলোকৰ
নামঘৰবোৰত কোবাব আৰু তোমালোক মোৰ শিষ্য হোৱাৰ
বাবে তোমালোকক শাসনকৰ্তা আৰু ৰজাবিলাকৰ আগত
নি থিয় কৰাব, এইটো তোমালোকৰ বাবে এটা সুযোগ
মোৰ সমন্ধে তোমালোকৰ সাক্ষ্য দিয়াৰ। ১০কিন্তু সমাপ্তি
অহাৰ আগতেই সকলো জাতিৰ মাজত শুভবাৰ্তা প্ৰচাৰ হব
লাগিব। ১১আৰু যেতিয়া তোমালোকক বন্দী কৰিব বিচাৰধীন
কৰা হব সেইসময়ত কি কথা কবা তালৈ চিন্তা নকৰিবা।
সেই সময়ত তোমালোকক ঈশ্বৰে কি কবলৈ দিব তাকে
কবা। কাৰণ সেই সময়ত তোমালোকে কথা নোকোৱা,
কওঁতাজন হ’ব পবিত্ৰ আত্মা।
১২“ভাইবিলাকে ভাইৰ বিৰোদ্ধিতা কৰিব আৰু বধ
কৰিবলৈ শোধাই দিব। বাপেকে নিজ সন্তান বিলাকক বধ
কৰিবলৈ শোধাই দিব। সন্তান বিলাকেও তেওঁ লোকৰ
পিতৃ-মাতৃৰ বিৰুদ্ধী হ’ব আৰু তেওঁলোকক বধ কৰিবলৈ
শোধাই দিব। ১৩কাৰণ তোমালোকে মোৰ অনুসৰণ
কৰিছা তোমালোকক সকলোৱে ঘিণ কৰিব। কিন্তু যিজনে
শেষলৈকে বিশ্বাসী হৈ থিৰে থাকে তেৱেঁই পৰিত্ৰাণ পাব।
১৪“যেতিয়া তোমালোকে ‘অপবিত্ৰকৰ ধ্বংসকাৰী বস্তু
থাকিব’ নলগা ঠাইত থিয় হৈ থকা দেখা পাবা।” (পঢ়া জনে
নিজে বুজক ইয়াৰ অৰ্থ)। “তেতিয়া যিহূদিয়াৰ লোকসকল
পৰ্বতলৈ পলাই যাওঁক। আৰু ১৫ঘৰৰ চালৰ ওপৰত থকাজন
কিবা বস্তু আনিবলৈ তললৈ নামি ঘৰৰ ভিতৰত নাযাওঁক,
১৬আৰু পথাৰত থকা জনে তেওঁৰ চোলাটো আনিবলৈ
উভতি নাযাওঁক।
১৭“সেই দিন বিলাক গৰ্ভৱতী মহিলা আৰু কেঁচুৱা থকা
মাতৃবিলাকৰ বাবে বৰ কষ্টকৰ হব ১৮জোৰ কালত যেন এই
ঘটনা নঘটক তাৰ বাবে প্ৰাৰ্থনা কৰা। ১৯সেই সময়ত যি
যাতনা হব ঈশ্বৰে পৃথিৱী সৃষ্টি কৰাৰে পৰা এতিয়ালৈকে তেনে

[a] **১২:৪২ সৰু তামৰ মুদ্ৰাৰ** যিহুদীসকৰল আটাইতকৈ কম
মূল্যৰ মুদ্ৰা।

যাতনা হোৱা নাই আৰু ভবিষ্যতে কেতিয়াও নহব। ২০আৰু
প্ৰভুৱে যদি সেই সময় কম কৰিবৰ বাবে সিদ্ধান্ত নোলোৱা
হলে, কোনেও বাচি নাথাকিলে হেঁতেন। কিন্তু তেওঁ বাচি
লোৱা মনোনীত লোকৰ বাবেহে সেই সময় ছুটী কৰিলে।
২১“সেই দিন বিলাকত, তোমালোকক যদি কোনোবাই
কয় ‘চোৱা খ্ৰীষ্ট ইয়াত আছে’ বা ‘খ্ৰীষ্ট তাত আছে!’ তেওঁক
বিশ্বাস নকৰিবা। ২২কিয়নো সেই সময়ত, ভুৱা খ্ৰীষ্ট আৰু
ভুৱা ভাৱবাদী ওলাই আহিব আৰু তেওঁলোকে আচৰিত
চিন দেখুৱাব আৰু যদি সম্ভৱ হয় আশ্চৰ্য্য কাম কৰি দেখুৱাই
মনোনীত লোক সকলক ভুলাবলৈ চেষ্টা কৰিব। ২৩সেয়েহে
তোমালোকে সাৱধান হবা। সময়ৰ পূৰ্বেই সকলো কথা মই
তোমালোকক জনালো।
২৪“সেইসময়ত ক্লেশৰ পাচতে ,

‘সূৰ্য্য অন্ধকাৰময় হব,
আৰু চন্দ্ৰৰ পোহৰো নিজিলিকিব।
২৫ আকাশৰ পৰা তৰাবোৰ খহি পৰিব
আৰু আকাশত থকা সকলোবিলাক পৰিৰ্বতন হৈ
যাব।’ *যিচয়া ১৩:১০–৩৪:৪*

২৬“তেতিয়া লোকসমূহ মানৱ-পুত্ৰক মহা-শক্তি আৰু
মহিমাৰে মেঘত অহা দেখিব। ২৭তেতিয়া তেওঁ স্বৰ্গদূত
বিলাকক চাৰিওটা দিশতঃ পৃথিৱীৰ শেষ সীমাৰ পৰা
আকাশৰ শেষ সীমালৈকে মনোনীত লোক বিলাকক
একত্ৰিত কৰিবলৈ পঠাই দিব।
২৮“ডিমৰু গছৰ পৰা শিক্ষা লোৱা। যেতিয়া ইয়াৰ
ডালবোৰ কুমলীয়া হয় আৰু কলিবোৰ ফুলিবলৈ আৰম্ভ কৰে
তেতিয়া তোমালোকে জহ কাল ওচৰ হৈছে বুলি জানা
২৯এনেদৰেই, যেতিয়া তোমালোকে এইবোৰ ঘটা দেখা
পাবা, তেতিয়া সময়[a] নিচেই ওচৰ পাইছে বুলি জানিবা আৰু
এয়া একেবাৰে দুৱাৰ মুখত। ৩০মই তোমালোকক সচাঁই
কওঁ এই সকলো ঘটনা ঘটাৰ সময়ত এইযুগৰ কিছু লোক
তেতিয়াও জীয়াই থাকিব। ৩১পৃথিৱী আৰু আকাশ লুপ্ত হব
পাৰে, কিন্তু মোৰ বাক্য কেতিয়াও সলনি নহব।
৩২“সেই দিনৰ আৰু সময়ৰ বিষয়ে আন কোনেও নাজানে
আনকি স্বৰ্গদূত বিলাকে বা মানৱ পুত্ৰইও এই বিষয়ে নাজানে,
কেৱল পৰম পিতৃয়েহে জানে। ৩৩সতৰ্ক হোৱা! জাগি থাকিবা;
কাৰণ তোমালোকে নাজানা সেই সময় কেতিয়া আহিব।
৩৪“এইটো এজন মানুহৰ দৰে যিজনে যাত্ৰাত ওলাই
যায় আৰু নিজ দাস বিলাকক ঘৰৰ দায়িত্ব দি যায়। প্ৰত্যেক
দাসকে তেওঁ ভাগে ভাগে কাম দিয়ে আৰু, দুৱৰীবিলাকক
সজাগ থাকিবলৈ আদেশ দিয়ে। ৩৫সেয়েহে তোমালোকেও
সজাগ হৈ থাকা। কোনেও নাজানে ঘৰৰ গৰাকী কেতিয়া
আহিব। তেওঁ সন্ধ্যাও আহিব পাৰে, মাজ ৰাতি বা যেতিয়া
কুকুৰাই ডাক দিয়ে অতি ৰাতিপুৱাও আহিব পাৰে। হয়তো
তেওঁ হঠাতে আহি যাব পাৰে, ৩৬সেয়ে যুগুত হৈ সাৰে
থাকা। ৩৭মই তোমালোকক কওঁ আৰু সকলোকে কওঁ,
‘যুগুত হৈ থাকা!’”

## যিহুদী নেতাসকলে যীচুৰ হত্যাৰ ষড়যন্ত্ৰ কৰা

*(মথি ২৬:১–৫; লূক ২২:১–২; যোহন ১১:৪৫–৫৩)*

**১৪** ১নিস্তাৰপৰ্ব আৰু খমিৰ নোহোৱা পিঠাৰ উৎসৱৰ
মাত্ৰ দুদিনৰ আগৰ কথা। প্ৰধান পুৰোহিত আৰু
যিহুদী বিধান পন্ডিত সকলে ছলেৰে যীচুক বন্দী কৰিবৰ
বাবে আৰু তেওঁক বধ কৰিবৰ বাবে গোপন ভাৱে উপায়
বিচাৰি আছিল। ২তেওঁলোকে পৰস্পৰে কৈছিল, “আমি
এইয়া পৰ্বৰ সময়ত কৰিব নালাগে। কোনে জানে, হয়তো
লোকসমূহৰ খং উঠিব আৰু সংঘাতৰ সৃষ্টি হব পাৰে।”

## এগৰাকী মহিলাই বিশেষ কিবা কৰা

*(মথি ২৬:৬–১৩; যোহন ১২:১–৮)*

৩যেতিয়া বৈথনিয়াত যীচুৱে চিমোন কুষ্ঠৰোগীৰ ঘৰত
ভোজন কৰি বহি থাকোতে, এগৰাকী মহিলাই মূল্যৱান
বিশুদ্ধ জটামাংসীৰ সুগন্ধি তেলেৰে ভৰা এটি বটল[b]
আনিলে। তেওঁ বটলটো খুলি যীচুৰ মূৰত বাকি দিলে।
৪কিছুমান লোকে মহিলা গৰাকীৰ এই কাৰ্য্যত খং কৰি
ইজনে সিজনক কলে, “কিয় তাই এই অতি মূল্যৱান
সুগন্ধি তেলৰ অযথা হানি কৰিছে? ৫এই সুগন্ধি তেল
গোটেই বছৰৰ দৰমহাৰ[c] দৰত বেচিব পৰা গলহেঁতেন
আৰু সেই ধন দৰিদ্ৰ বিলাকক দিব পৰা গলহেঁতেন।” আৰু
তেওঁলোকে মহিলাগৰাকীক কঠোৰ সমালোচনা কৰিলে।
৬তেতিয়া যীচুৱে কলে, “তেওঁক কিয় দিগদাৰী কৰিছা?
তেওঁক অকলে এৰি দিয়া! তেওঁ মোৰ বাবে উত্তম কাৰ্য্যকে
কৰিছে? ৭তোমালোকে দৰিদ্ৰবিলাকক সদায়ে সহায় কৰিব
পাৰিবা। কিয়নো তেওঁলোক তোমালোকৰ লগত সদায়
আছে, কিন্তু মই তোমালোকৰ লগত চিৰদিন নাথাকোঁ।
৮এই মহিলা গৰাকীয়ে যি পাৰিলে তাকেই কৰিলে। তেওঁ
মোৰ গাত সুগন্ধি তেল বাকি দি আগতীয়াকৈ মৃত্যুৰ পাছত
কবৰ দিবৰ বাবে যুগুত কৰিলে। ৯মই তোমালোকক সচাঁকৈ
কওঁ : সমগ্ৰ জগতৰ যি যি ঠাইতে শুভৱাৰ্তা প্ৰচাৰ কৰা
হব সেই সকলো ঠাইতেই তেওঁ যি কৰ্ম কৰিলে তাৰ কথা
কোৱা হব , আৰু তাইক সোঁৱৰণ কৰা হব।”

## যীচুৰ শত্ৰুবিলাকক সহায় কৰিবলৈ যিহুদা সন্মত হয়

*(মথি ২৬:১৪–১৬; লূক ২২:৩–৬)*

১০তেতিয়া যিহুদা ইষ্কাৰিয়তী, যি সেই বাৰজন শিষ্যৰ মাজৰ

[a] **১৩:২৯ পোৱা সময়** ইয়াত যীচুৱে যি সময়ত আলোচনা কৰি আছে। সেই সময় কিৱা অভূতপূৰ্ব্ব ঘটনা ঘটিব। লূক ২১:১৩। যত যীচুৱে কৈছে সেইটো ঈশ্বৰৰ ৰাজ্য ওচৰ চপাৰ সময়।

[b] **১৪:৩ জটামাংসীৰ সুগন্ধি তেলৰ বটল** মূল্যবান সুগন্ধি তেল ৰাখিবৰ বাবে পাথৰেৰে নিৰ্মিত ডিঙোটো দীঘল আৰু তলৰ ভাগনে বেকা আৰু বহুল আকৃতিক। ইয়াত মূৰটো ডাঙিহে খুলিব পাৰি আৰু ভঙা মুহূৰ্ততে এই তেল ব্যৱহাৰ কৰিব লগে।

[c] **১৪:৫ গোটেই বছৰৰ দৰমহাত** প্ৰায় ৩০০ ৰোমান ডিনাৰী। এক ডিনাৰী এটা দিনৰ গড়ে পোৱা হাজিৰা আছিল।

এজন আছিল, প্ৰধান পুৰোহিত সকলৰ ওচৰলৈ যীচুক বন্দী কৰাত তেওঁলোকক সহায় আগবঢ়াবলৈ গল। ১১প্ৰধান পুৰোহিত বিলাকে তেওঁৰ কথা শুনি আনন্দিত হ'ল আৰু তেওঁলোকে তেওঁক ধন দিবলৈ তেওঁ প্ৰতিজ্ঞা কৰিলে। তেতিয়াৰে পৰা যিহুদাই যীচুক তেওঁলোকক শোধাই দিবৰ বাবে সুযোগ বিচাৰিবলৈ ধৰিলে।

## নিস্তাৰপৰ্বৰ ভোজ

*(মথি ২৬:১৭–২৫; লূক ২২:৭–১৪, ২১–২৩; যোহন ১৩:২১–৩০))*

১২খমিৰ নোহোৱা পিঠাৰ প্ৰথম দিনা যেতিয়া নিস্তাৰপৰ্বৰ মেৰ পোৱালি বলি দিয়ে তেওঁৰ শিষ্য বিলাকে তেওঁক সুধিলে, "আপুনি কি ইচ্ছা কৰে, আমি গৈ নিস্তাৰপৰ্বৰ ভোজ কত যুগুত কৰাতো আপুনি বিচাৰে?"

১৩তেতিয়া তেওঁ শিষ্যবিলাকৰ দুজনক পঠিয়াইলৈ কলে, "নগৰলৈ যোৱা, আৰু তোমালোকে এজন ব্যক্তিক পানী একলহ লৈ অহা পাবা তেওঁৰ পিছে পিছে যাবা। ১৪তেওঁ সোমোৱা ঘৰটোৰ গৰাকীক কবা, 'গুৰুৱে সেই কোঠালিটো আমাক দেখুৱাবলৈ আপোনাক কবলৈ কৈছে য়ত তেওঁ তেওঁৰ শিষ্যবিলাকৰ সৈতে নিস্তাৰপৰ্বৰ ভোজ খাব।' ১৫তেতিয়া তেওঁ ওপৰ মহলৰ সুন্দৰকৈ সজাই থোৱা এটা ডাঙৰ কোঠালি তোমালোকক দেখুৱাব। আমাৰ বাবে আহাৰ তাতে যুগুত কৰাগৈ।"

১৬তাতে তেওঁৰ শিষ্য সকলে নগৰলৈ ওলাই গৈ যীচুৱে তেওঁলোকক যেনেকৈ কৈছিল, তেনেকৈ পালে তেওঁলোক তাতে নিস্তাৰপৰ্বৰ ভোজ যুগুত কৰিলে।

১৭পিচে সন্ধ্যা হ'লত যীচুৱে বাৰজন পাঁচনিৰে সৈতে তালৈ আহিল। ১৮যেতিয়া তেওঁলোকে ভোজন কৰি আছিল, যীচুৱে তেওঁলোকক কলে, "মই তোমালোকক সচাঁকৈ কওঁ; মোৰ লগত ভোজন কৰি থকা তোমালোকৰ মাজৰে এজনে মোক শত্ৰুৰ হাতত ছলেৰে শোধাই দিব।"

১৯শিষ্যবিলাকে এই কথা শুনি দুঃখিত হবলৈ ধৰিলে, আৰু তেওঁলোকৰ প্ৰত্যেকজনে তেওঁক কলে, "নিশ্চয় মই নহয়?"

২০যীচুৱে কলে, "তেওঁ তোমালোকে বাৰজনৰে এজন আৰু তেওঁ তেওঁৰ পিঠালৈ মোৰ সৈতে একেটা বাতিতে জুবুৰিয়াছে। ২১তেওঁৰ বিষয়ে যিদৰে লিখা আছে তেনেদৰেই মানৱ পুত্ৰ যাব লাগিব। কিন্তু যাৰ দ্বাৰা মানৱ পুত্ৰক শোধাই দিয়া হব তেওঁৰ ভয়ানক দশা হব। তেওঁৰ জন্ম নোহোৱা হলেই তেওঁৰ কাৰনে ভাল হলহেঁতেন।"

## প্ৰভু ভোজ

*(মথি ২৬:২৬–৩০; লূক ২২:১৫–২০; ১ কৰিন্থীয়া ১১:২৩–২৫)*

২২যেতিয়া তেওঁলোকে ভোজন কৰি আছিল, যীচুৱে পিঠা ললে ঈশ্বৰক ধন্যবাদ দিলে আৰু ইয়াক ভাঙিলে আৰু তেওঁলোকক দি কলে, "লোৱা আৰু ইয়াক খোৱা, এয়ে মোৰ শৰীৰ।"

২৩পাচত তেওঁ পানপাত্ৰ ললে ঈশ্বৰক ধন্যবাদ দিলে আৰু তেওঁলোকক দিলে আৰু তেওঁলোকৰ সকলোৱে ইয়াৰ পৰাই পান কৰিলে। ২৪তেওঁ তেওঁলোকক কলে, "এয়া মোৰ তেজ ইয়েই ঈশ্বৰ আৰু তেওঁৰ লোকসকলৰ মাজৰ নতুন চুক্তিৰ আৰম্ভনি, এই তেজ অনেক লোকৰ নিমিত্তে বাকি দিয়া হ'ল। ২৫মই তোমালোকক সত্য কওঁ ঈশ্বৰৰ ৰাজ্যত নতুন দ্ৰাক্ষাৰস পান নকৰা দিনলৈকে, মই আৰু দ্ৰাক্ষাৰস পান নকৰো।"

২৬তেতিয়া তেওঁলোকে গীত গালে আৰু জৈতুন পৰ্বতলৈ গল।

## যীচুৱে কয়–যে শিষ্য সকলে তেওঁক এৰি দিব

*(মথি ২৬:৩১–৩৫; লূক ২২:৩১–৩৪; যোহন ১৩:৩৬–৩৮)*

২৭যীচুৱে তেওঁলোকক কলে, "তোমালোক সকলোৱে মোক এৰি দিবা, কিয়নো লিখা আছে:

'মই মেৰ ৰখীয়াক বধ কৰিম,
আৰু মেৰ বিলাক ছেদেলি-ভেদেলি হব।'

*জখৰিয়া ১৩:৭*

২৮কিন্তু মৃত্যুৰ পৰা জী উঠাৰ পাছত, তোমালোকৰ আগেয়ে মই গালীললৈ যাম।"

২৯তেতিয়া পিতৰে কলে, "যদি সকলোৱে আপোনাক এৰিও দিয়ে, মই কেতিয়াও নেৰো।"

৩০যীচুৱে কলে, "মই তোমাক সত্য কওঁ, আজি এই নিশাতেই, কুকুৰাই দুবাৰ ডাক দিয়াৰ আগতে তুমি তিনিবাৰ মোক অস্বীকাৰ কৰিবা।"

৩১কিন্তু পিতৰে সজোৰে কলে, "যদি মই আপোনাৰ লগত মৰিবলগীয়াও হয় তথাপি, মই আপোনাক অস্বীকাৰ নকৰিম।" তেতিয়া আন সকলো শিষ্যও একেদৰেই কলে।

## যীচুৱে অকলে প্ৰাৰ্থনা কৰা

*(মথি ২৬:৩৬–৪৬; লূক ২২:৩৯–৪৬)*

৩২তেতিয়া তেওঁলোকে গেৎচিমানী নামে ঠাইলে আহিল। তাতে যীচুৱে তেওঁৰ শিষ্যসকলক কলে, "মই প্ৰাৰ্থনা কৰো মানে তোমালোক সকলোৱে ইয়াতে বহা।" ৩৩আৰু তেওঁ লগত পিতৰ, যাকোব আৰু যোহনক নিলে, তেওঁ বৰ যাতনা আৰু কষ্ট পাবলৈ ধৰিলে। ৩৪তেওঁ তেওঁলোকক কলে, "মই ইমান যাতনা পাইছো যে মোৰ ভাব হৈছে মই যেন মৃত্যুমুখত আছো। তোমালোকে ইয়াতে ৰোৱা আৰু সজাগ হৈ থাকা।"

৩৫তেতিয়া তেওঁ অলপ আগুৱাই গৈ, মাটিত আঁঠু কাঢ়িলে আৰু প্ৰাৰ্থনা কৰিবলৈ ধৰিলে যে, যদি সম্ভৱ হয় তেনে হলে এই দুঃসময় তেওঁৰ পৰা আতৰ হওঁক। ৩৬আৰু তেওঁ কলে, "আব্বা,[a] পিতৃ! আপোনাৰ বাবে সকলো সাধ্য।

[a] **১৪:৩৬ আব্বা** আব্বা এটা আৰমিয় শব্দ। যিহুদী লৰা ছোৱালীবিলাকে দেউতাকক আব্বা বুলি কয়।

অনুগ্ৰহ কৰি মোৰ পৰা এই পানপাত্ৰ[a] দূৰ কৰক। কিন্তু মই
বিচৰা মতে নহয় আপুনি বিচৰা মতে কৰক।”
৩৭তেতিয়া তেওঁ শিষ্যসকলৰ ওচৰলৈ ঘূৰি আহি
তেওঁলোকক টোপনি যোৱা দেখি পিতৰক কলে, “চিমোন
তুমি টোপনি গলানে? এঘন্টাওনো পৰ দিব নোৱাৰানে?
৩৮সাৰ পাই থাকা আৰু প্ৰলোভনৰ মুখামুখি হোৱাৰ শক্তি
পাবৰ বাবে প্ৰাৰ্থনা কৰা, তোমাৰ আত্মাই যি শুদ্ধ তাক কৰিব
বিচাৰে কিন্তু তোমাৰ শৰীৰ দুৰ্বল।”
৩৯তেতিয়া তেওঁ গুচি গ’ল আৰু একে কথাকে কৈ
প্ৰাৰ্থনা কৰিলে। ৪০যেতিয়া দ্বিতীয় বাৰ তেওঁ আহিলে, তেওঁ
পুনৰাই তেওঁলোকক টোপনি যোৱা দেখিলে। তেওঁলোকৰ
চকু টোপনিৰে ভৰি আছিল। তেওঁক কি কব লাগিছিল
তেওঁলোকে নাজানিলে।
৪১তেওঁ আকৌ তৃতীয় বাৰৰ বাবে প্ৰাৰ্থনা কৰিলে আৰু
ঘূৰি আহিল আৰু তেওঁলোকক কলে, “তোমালোকে
এতিয়াও জিৰাই আৰু টোপনিয়াই আছানে? বহুত হল!
মানৱপুত্ৰক পাপীবিলাকৰ হাতত ছলেৰে পাপীবিলাকলৈ
শোধাই দিয়াৰ সময় আহিল। ৪২উঠা, আমি যাওঁহক চোৱা,
তেওঁলোকৰ হাতত মোক শোধাই দিয়া মানুহজন এয়া
আহি আছে।”

### যীচুক বন্দী কৰা হয়

*(মথি ২৬:৪৭–৫৬; লূক ২২:৪৭–৫৩; যোহন ১৮:৩–১২)*

৪৩যেতিয়া যীচুৱে কথা কৈ আছিল, বাৰজনৰ পাঁচনিৰ মাজৰ
যিহুদা তালৈ আহিল। যিহুদাৰ লগত প্ৰধান পুৰোহিত,
বিধান পণ্ডিত আৰু বৃদ্ধ যীহুদী নেতা সকলৰ ,তৰোৱাল
আৰু টাঙুনধাৰী এদল লোক আছিল।
৪৪যি যিহুদাই যীচুক বন্দী কৰাবলৈ বন্দোবস্ত কৰিছিল
তেওঁলোকক সংকেত দিছিল, “যাক মই চুমা খাম তেৰেই
সেইজন। তেওঁক ধৰিবা আৰু তেওঁক সাৱধানে পহৰা দি লৈ
যাবা।” ৪৫সেয়ে যি মূহুৰ্তত যিহুদা তালৈ গ’ল তেওঁ যীচুৰ
ওচৰলৈ গ’ল আৰু তেওঁক কলে, “ৰব্বি!” আৰু তেওঁক
চুমা খালে। ৪৬লগে লগে মানুহবিলাকে তেওঁক ধৰিলে আৰু
তেওঁক বন্দী কৰিলে। ৪৭যীচুৰ এজন শিষ্যই যিজন ওচৰত থিয়
আছিল তেওঁ নিজৰ তৰোৱাল উলিয়ালে আৰু মহাপুৰোহিতৰ
এজন দাসক আক্ৰমণ কৰি কাণ এখন কাটি পেলালে।
৪৮তেতিয়া যীচুৱে তেওঁলোকক কলে, “মই এজন
ডকাইত নে কি? য়ে মোক ধৰিবলৈ তোমালোকে তৰোৱাল
আৰু টাঙুন লৈ আহিছা? ৪৯প্ৰত্যেক দিনাই মই মন্দিৰত
উপদেশ দি তোমালোকৰ লগত আছিলো, কিন্তু তেতিয়া
তোমালোকে মোক নধৰিলা। কিন্তু শাস্ত্ৰীয় বাক্য সিদ্ধ
হবলৈ এই সকলোবোৰ ঘটিছে।” ৫০সকলো শিষ্যই তেওঁক
অকলে এৰি পলাই গল।
৫১কেৱল শন সূতাৰ কাপোৰ পিন্ধা এজন ডেকাই যীচুৰ
পাছে পাছে গৈছিল। যেতিয়া তেওঁলোকে তেওঁক ধৰিলে
৫২তেওঁ শন সূতাৰ কাপোৰ পেলালে আৰু উলংগ হৈ
পলাই গল।

### যিহুদী নেতা সকলৰ আগত যীচু

*(মথি ২৬:৫৭–৬৮; লূক ২২:৫৪–৫৫, ৬৩–৭১;*
*যোহন ১৮:১৩–১৪, ১৯–২৪)*

৫৩তেওঁবিলাকে যীচুক প্ৰধান পুৰোহিতৰ ওচৰলৈ লৈ
গল। তেতিয়া সকলো মহাপুৰোহিত, বৃদ্ধলোক, যিহুদী
নেতাসকল, আৰু বিধান পণ্ডিত সকল তাত একত্ৰিত হল।
৫৪পিতৰে যীচুক আঁতৰে আঁতৰে অনুসৰন কৰিছিল আৰু
প্ৰধান পুৰোহিতৰ চোতাঁলৰ ভিতৰলৈকে গৈছিল। তাৰ
পাছত টেকেলাবোৰৰ লগত বহি জুই পুৱাইছিল।
৫৫প্ৰতেকে, গোটেই মহাসভা আৰু প্ৰধান পুৰোহিত
সকলে যীচুৰ বিৰুদ্ধে দোষ বিচাৰিলে যাতে তেওঁক
মৃত্যুদণ্ড দিব পৰা যায়। কিন্তু তেওঁলোকে একো নাপালে।
৫৬বহুতো লোকে তেওঁৰ বিৰুদ্ধে মিছা সাক্ষ্য দিলে; কিন্তু
তেওঁলোকৰ সাক্ষ্য আন জনৰ বিৰুদ্ধে আছিল।
৫৭তেতিয়া কিছুলোক উঠিলে আৰু তেওঁৰ বিৰুদ্ধে মিছা
সাক্ষ্য দিলে, ৫৮“আমি তেওঁক কোৱা শুনিছিলো, ‘মই
মানুহৰ হাতেৰে নিৰ্ম্মাণ কৰা এই মন্দিৰ ভাঙিম আৰু তিনি
দিনতে আন এটা গঢ়িম যিটো মানুহৰ হাতে গঢ়া নহব।’”
৫৯কিন্তু এই সাক্ষ্যটোতো কাৰো সৈত্যে মিল নাছিল।
৬০তেতিয়া তেওঁ লোকৰ সন্মূখত মহাপুৰোহিত জন থিয়
হ’ল আৰু যীচুক সুধিলে, “এইলোক বিলাকে তোমাৰ বিৰুদ্ধে
এই বিলাক কি সাক্ষ্য দি আছে? তোমাৰ নিজৰ প্ৰতিৰক্ষাৰ
বাবে কবলৈ একো নাইনে?” ৬১যীচুৱে মনে মনে থাকিল।
তেওঁ একো উত্তৰ নিদিলে। মহাপুৰোহিতে পুনৰ তেওঁক
সুধিলে, “তুমিয়েই খ্ৰীষ্ট নেকি, আমি প্ৰশংসা কৰা ঈশ্বৰৰ পুত্ৰ।”
৬২যীচুৱে কলে, “মই হওঁ। আৰু তোমালোকে মানৱ
পুত্ৰক সেই পৰাক্ৰমী জনাৰ সোঁহাতে বহি থকা দেখা পাবা
আৰু আকাশৰ মেঘৰ সৈতে অহা দেখা পাবা।”
৬৩তেতিয়া মহাপুৰোহিতে নিজৰ কাপোৰ ফালিলে
আৰু কলে, “আমাক আৰু সাক্ষ্যৰ কি প্ৰয়োজন আছে?
৬৪তোমালোকে তেওঁ ঈশ্বৰ নিন্দা কৰি কোৱা শব্দবোৰ শুনিলা,
এতিয়া তোমালোকৰ সিদ্ধান্ত কি?” তেওঁলোক সকলোৱে
তেওঁক দোষী সাব্যস্ত কৰিলে আৰু কলে, তেওঁ মৃত্যু
দণ্ডৰ বাহিৰে আন একো পোৱাটো উচিত নহয় ৬৫তেতিয়া
কিছুমান লোকে তেওঁৰ গাত থুই পেলালে, কিছুমানে তেওঁৰ
মুখ ঢাকিলে আৰু ঘোচা মাৰিলে, আৰু ঠাট্টা কৰি কলে,
“ভৱিষৎবাণী কৰি কোৱা, তোমাক কোনে মাৰিলে!” তেতিয়া
সৈন্য বিলাকে তেওঁক নিলে আৰু তেওঁক কোবালে।

### পিতৰে যীচুক জানো বুলি কবলৈ ভয় কৰা

*(মথি ২৬:৬৯–৭৫; লূক ২২:৫৬–৬২;*
*যোহন ১৮:১৫–১৮, ২৫–২৭)*

৬৬পিতৰে যেতিয়া চোতালত বহি আছিল, মহাপুৰোহিতৰ

[a] **১৪:৩৬ পানপাত্ৰ** পানপাত্ৰ হৈছে দুঃখ কষ্টৰ সংকেত। যীচুৱে পানপাত্ৰৰ পৰা পান কৰি বুজাব খুজিছে যে তেওঁ শীঘ্ৰে আহিবলগীয়া যাতনামায় ঘটনাৰ মূখামুখি হৈ দুঃখ কষ্ট গ্ৰহণ কৰিব।

এজনী দাসী ছোৱালী তালৈ আহিল ৬৭যেতিয়া দাসীজনীয়ে পিতৰক জুই পুৱা দেখা পালে তাই ওচৰলৈ আহি ভালকৈ চালে আৰু কলে, "তুমিও সেই নাচৰতীয়া মানুহজনৰ লগত আছিলা। যাৰ নাম যীচু।"

৬৮কিন্তু পিতৰে অস্বীকাৰ কৰি কলে, "মই নাজানো, তুমি কি কৈছা মই একো বুজি পোৱা নাই।" আৰু সন্মূখৰ প্ৰৱেশ পথলৈ ওলাই গ'ল আৰু কুকুৰাই ডাক দিলে।[a]

৬৯যেতিয়া দাসীজনীয়ে পুনৰ তেওঁক দেখা পালতেই দ্বিতীয়বাৰৰ বাবে তাত থকা লোকসমূহক কবলৈ ধৰিলে, "এই ব্যক্তিজনো যীচুৰ দলৰ মাজৰ এজন হয়।" ৭০পিতৰে পুনৰ অস্বীকাৰ কৰে। অলপ পাচত তাত থিয় হৈ থকা লোকবিলাকে পিতৰক কলে, "নিশ্চয় তুমিও সিবিলাকৰ মাজৰ এজন কিয়নো তুমি গালীলীয়া।"

৭১তেতিয়া পিতৰে কলে, "মই শপত খাই কৈছো যি জনৰ বিষয়ে তোমালোকে কৈ আছা সেই জন ব্যক্তিক মই নাজানোৱেই যদি মই মিছা কৈছো ঈশ্বৰে মোক শাওঁ দিব।"

৭২তৎক্ষণাত কুকুৰাই দ্বিতীয় বাৰ ডাক দিলে। পিতৰৰ তেতিয়াই মনত পৰিল যীচুৱে তেওঁক যি কৈছিল: "কুকুৰাই দুবাৰ ডাক দিয়াৰ আগতে তুমি মোক তিনি বাৰ অস্বীকাৰ কৰিবা।" তাতে পিতৰে ভাগি পৰিল আৰু ক্ৰন্দন কৰিলে।

## ৰাজ্যপাল পীলাতে যীচুক প্ৰশ্ন কৰা

*(মথি ২৭:১–২, ১১–১৪; লূক ২৩:১–৫; যোহন ১৮:২৮–৩৮)*

**১৫** ১ৰাতি পুৱাতে, প্ৰধান পুৰোহিত, বিধান পন্ডিত আৰু বৃদ্ধ নেতা সকলে এটি পৰিকল্পনা প্ৰস্তুত কৰিলে। তেওঁলোকে যীচুক বান্ধিলে তেওঁক লৈ গ'ল আৰু তেওঁক পীলাতৰ হাতত গতাই দিলে।

২পীলাতে তেওঁক প্ৰশ্ন কৰিলে, "তুমি যিহুদী বিলাকৰ ৰজানে?" যীচুৱে উত্তৰ দিলে, "এইবোৰ তোমাৰ কথা, কিন্তু মই সেইবোৰ অস্বীকাৰ কৰা নাই।"

৩তেতিয়া প্ৰধান পুৰোহিত সকলে যীচুক বহুত দোষত দোষী সাব্যস্ত কৰিলে। ৪পীলাতে পুনৰ যীচুক সুধিলে, "তুমি উত্তৰ দিব নিবিচৰা নেকি? চোৱা, তেওঁলোকে তোমাক কিমান ভুলৰ বাবে দোষী কৰিছে!"

৫কিন্তু তেতিয়াও যীচুৱে একো উত্তৰ নিদিলে ইয়াতে পীলাতে বিস্ময় মানিলে।

## পীলাতে যীচুক মুক্তি দিবলৈ চেষ্টা কৰে কিন্তু তেওঁ ব্যৰ্থ হয়

*(মথি ২৭:১৫–৩১; লূক ২৩:১৩–২৫; যোহন ১৮:৩৯–১৯:১৬)*

৬প্ৰত্যেক বছৰে নিস্তাৰপৰ্বৰ সময়ত মানুহবিলাকৰ অনুৰোধ মতে ৰাজ্যপালে এজন বন্দীক মুক্ত কৰি দিয়ে। ৭তাত বাৰব্বা নামৰ এজন বন্দী আছিল। তেওঁ আৰু তেওঁৰ লগৰ বিদ্ৰোহী সকলক বিদ্ৰোহৰ সময়ত লোক বিলাকক হত্যা কৰাৰ বাবে বন্দীশালত ৰাখিছিল।

৮এটা মানুহৰ জুম আহিলে আৰু তাত এক গোট খালে। তেওঁলোকে পিলাতক অতীতত কৰাৰ দৰে ছুটিৰ দিনৰ সময়ত বন্দীক মুক্তি দিবলৈ কলে।[b] ৯পীলাতে তেওঁলোকক সুধিলে, "তোমালোকৰ বাবে যিহুদী বিলাকৰ ৰজাজনক মুকলি কৰি দিয়াটো ইচ্ছা কৰানে?" ১০পীলাতে জানিছিল যে প্ৰধান পুৰোহিত সকলে ইৰ্ষাৰ কাৰণে যীচুক বন্দী কৰিছে আৰু তেওঁৰ ওচৰলৈ আনিছে। ১১কিন্তু প্ৰধান পুৰোহিত সকলে লোক সমূহক যীচুৰ পৰিবৰ্তে বাৰব্বাকে মুকলি কৰি দিবৰ বাবে কবলৈ উচতনি দিলে।

১২কিন্তু পীলাত পুনৰ তেওঁলোকক সুধিলে, "তোমালোকে যিহুদীবিলাকৰ ৰজা বোলা ব্যক্তি জনৰ সৈতে মই কি কৰিম?"

১৩উত্তৰত তেওঁলোকে চিঞৰি কলে, "তাক ক্ৰুচত দিয়ক!"

১৪তেতিয়া পীলাতে তেওঁলোকক সুধিলে, "কিয় তেওঁনো কি দোষ কৰিলে?" কিন্তু তেওঁলোকে বেছিকৈ চিঞৰিলে আৰু কলে, "তেওঁক ক্ৰুচত দিয়ক।"

১৫পীলাতে লোক সমূহক সন্তুষ্ট কৰিবলৈ বিচাৰিলে সেয়ে বাৰব্বাক মুকলি কৰি দিলে আৰু সৈন্য সকলক যীচুক চাবোকোৰে কোবাবলৈ আদেশ দিলে আৰু তেওঁক আতঁৰাই নি ক্ৰুচত দিবলৈ কলে।

১৬তেতিয়া পীলাতৰ সৈন্যবিলাকে যীচুক ৰাজভৱনৰ ভিতৰলৈ নিলে। তেওঁলোকে সৈন্যবাহিনীৰ এটা দলকো মাতিলে। ১৭তেওঁবিলাকে যীচুক বেঙেনাৰঙৰ বস্ত্ৰ পিন্ধাই দিলে আৰু কাঁইটেৰে এটা কিৰিটি সাজিলে আৰু যীচুৰ মূৰত পিন্ধাই দিলে। ১৮তাৰ পাছত তেওঁলোকে তেওঁক ঠাট্টা কৰি কলে, "যিহুদীবিলাকৰ ৰজা তোমাক সাদৰ অভিনন্দন জনাইছো!" ১৯তেওঁলোকে বেতৰ লাঠিৰে যীচুৰ মুৰত বাৰে বাৰে কোবাব ধৰিলে। তেওঁলোকে বাৰে বাৰে তেওঁত থু পেলালে। আৰু তেওঁলোকে আঁঠু কাঢ়ি প্ৰণাম কৰি তেওঁক ৰজা হিচাপে সন্মান জনোৱাৰ ভাওঁ কৰিলে। ২০তেওঁক বিদ্ৰূপ কৰাৰ পাছত, তেওঁলোকে বেঙুনীয়া ৰঙৰ বস্ত্ৰ গুচালে আৰু, তেওঁৰ নিজৰ কাপোৰ পিন্ধালে। তাৰ পাছত তেওঁক ক্ৰুচত দিবলৈ বাহিৰলৈ লৈ গ'ল।

## যীচুক ক্ৰুচত দিয়া হয়

*(মথি ২৭:৩২–৪৪; লূক ২৩:২৬–৪৩; যোহন ১৯:১৭–১৯)*

২১বাটত, তেওঁলোকে চিমোন নামৰ এজন মানুহ লগ পালে যি জন কুৰিনীয় নগৰৰ আছিল। তেওঁ পথাৰৰ পৰা নগৰলৈ আহিছিল (তেওঁ আলেকজান্দাৰ আৰু ৰাফাচৰ বাপেক আছিল)। সৈন্য বিলাকে তেওঁক যীচুৰ ক্ৰুচ কঢ়িয়াবলৈ জোৰ কৰিলে। ২২তেতিয়া তেওঁলোকে যীচুক গলগথা (যাৰ অৰ্থ "মূৰৰ লাওখোলাৰ স্থান") নামে ঠাইলে আনিলে। ২৩তেতিয়া তেওঁলোকে যীচুক গন্ধৰস মিহলোৱা দ্ৰাক্ষাৰস পান কৰিবলৈ দিলে। কিন্তু যীচুৱে তাক পান কৰিবলৈ

[a] **১৪:৬৮** কিছুমান গ্ৰীক লিপিত "কুকুৰাই ডাক দিলে" এইটো নাই।

[b] **১৫:৮ ছুটিৰ … কলে** আক্ষৰিকভাৱে "তেওঁলোকৰ প্ৰতি আগতে তেওঁ যি কৰিছিল তাক কৰা।"

অমান্তি হ'ল। ২৪তেতিয়া তেওঁলোকে যীচুক ক্ৰুচত দিলে।
তেওঁলোকে তেওঁৰ কাপোৰ ল'লে আৰু কোনে কি পাব
চাবলৈ চিঠি খেল খেলিলে।
২৫তেওঁলোকে পুৱা ন বজাত যীচুক ক্ৰুচত দিলে।
২৬তেওঁৰ ওপৰত এখন অভিযোগ নামা আৰি থোৱা আছিল,
য'ত লিখা আছিল “যিহুদীসকলৰ ৰজা” ২৭তেওঁৰ লগত
আৰু দুজন অপৰাধীকো ক্ৰুচত দিয়া হৈছিল। এজনক
সোঁহাতে আৰু আনজনক বাওঁহাতে। ২৮ [a]
২৯সেই বাটেদি অহা যোৱা যোৱা মানুহবিলাকে তেওঁক
বিদ্ৰূপ কৰিছিল। তেওঁলোকে মূৰ জোকাৰিছিল আৰু
কৈছিল, “মন্দিৰ ভাঙি পুনৰাই তিনিদিনত নিৰ্মাণ কৰিব
খোজাজন তুমিয়েই নহয়জানো? ৩০এতিয়া ক্ৰুচৰ পৰা
নামি আহা আৰু নিজকে ৰক্ষা কৰা!”
৩১একেদৰে প্ৰধান পুৰোহিত আৰু বিধান পণ্ডিত
সকলেও তেওঁক বিদ্ৰূপ কৰিলে। তেওঁলোকে ইজনে
সিজনক কলে, “এই মানুহজনে অনেকক ৰক্ষা কৰিলে,
কিন্তু এতিয়া তেওঁ নিজকে ৰক্ষা কৰিব নোৱাৰে! ৩২এতিয়া,
এই খ্ৰীষ্ট আৰু যিহুদসকলৰ ৰজাক ক্ৰুচৰ পৰা নামি আহিব
দিয়া, যাতে আমি তেওঁক বিশ্বাস কৰিব পাৰোঁ।” তেওঁৰ
কাষত থকা অপৰাধী দুজনেও তেওঁক অপমান কৰিলে।

## যীচুৱে মৃত্যু বৰন কৰে

*(মথি ২৭:৪৫–৫৬; লূক ২৩:৪৪–৪৯; যোহন ১৯:২৮–৩০)*

৩৩তেতিয়া দুপৰীয়া গোটেই দেশক আন্ধাৰে ঢাকি ধৰিলে
আৰু ই তিনিবজালৈকে আছিল। ৩৪আবোলি তিনি বজাত
যীচুৱে চিঞঁৰি কান্দি উঠিল, “এলোই, এলোই, লামা
চাৱক্তানী!” ইয়াৰ অৰ্থ হৈছে “হে মোৰ ঈশ্বৰ, হে মোৰ
ঈশ্বৰ, মোক কিয় পৰিত্যাগ কৰিলা?” [b]
৩৫তাত থিয় হৈ থকা লোক বিলাকে এই কথা শুনিলে
আৰু কলে, “শুনা! তেওঁ এলিয়াক মাতিছে।”
৩৬তেতিয়া এজনে লৰ মাৰি গ'ল আৰু এটা স্পঞ্জ
চিৰকাৰে পূৰ কৰি নল এডালৰ মূৰত লগালে আৰু পিবলৈ
যীচুৰ মুখত দি কলে, “এলিয়াই আহি তেওঁক ক্ৰুচৰ পৰা
নমাই দিবনে নিদিব চাওঁ।”
৩৭তেতিয়া যীচুৱে জোৰেৰে কান্দি উঠিল আৰু মৰিল।
৩৮ঠিক সেই সময়তে মন্দিৰৰ আঁৰ কাপোৰ ওপৰৰ পৰা
তললৈকে ফাটি দুছিটা হল। ৩৯সেনাপতি জনে যিজন যীচুৰ
সন্মুখত থৈয় হৈ আছিল, তেওঁক কান্দি উঠা দেখিলে
আৰু তেওঁ কেনেকৈ মৰিলে দেখিলে। তেওঁ কলে, “এই
মানুহজন সচাঁকৈয়ে ঈশ্বৰৰ পুত্ৰ আছিল!”
৪০কেইগৰাকী মান মহিলাই দুৰৰ পৰা এই সকলো লক্ষ্য
কৰি আছিল। তেওঁলোকৰ মাজত মগদলীনী মৰিয়ম, কনিষ্ঠ
যাকোব আৰু যোচিৰ মাক মৰিয়ম আৰু চালমী আছিল।
৪১যীচু যেতিয়া গালীলত আছিল, তেতিয়া এই মহিলাসকলে
যীচুৰ অনুগামী হৈ তেওঁৰ সেৱা শুশ্ৰূষা কৰিছিল। যীচুৰ
লগত যিৰূচালেমলৈ অহা আন বহুতো মহিলায়ো তাত থিয়
হৈ সকলো চাই আছিল।

## যীচুক কবৰ দিয়া হয়

*(মথি ২৭:৫৭–৬১; লূক ২৩:৫০–৫৬; যোহন ১৯:৩৮–৪২)*

৪২সেই সময়ত ইতিমধ্যে গধূলি হৈছিল। যিহেতু সেইদিনা
প্ৰস্তুতিৰ দিন আছিল, বিশ্ৰাম বাৰৰ আগদিনা, ৪৩অৰিমিথিয়াৰ
যোচেফ তালৈ আহিছিল। তেওঁ যিহুদী মহাসভাৰ এজন
সন্মানীয় সদস্য আছিল আৰু তেওঁ ঈশ্বৰৰ ৰাজ্যৰ আগমনৰ
অপেক্ষাত আছিল। তেওঁ সাহ কৰি পীলাতৰ ওচৰলৈ গৈ
যীচুৰ মৃত দেহ বিচাৰিলে।
৪৪ইমান সোনকালে যীচু মৰা বুলি জানি পীলাত আচৰিত
হল। সেয়েহে তেওঁ সেনাপতিক মাতি আনিলে আৰু যীচু
কেতিয়া মৰিল সুধিলে। ৪৫যেতিয়া তেওঁ সেনাপতিৰ পৰা
সকলো খবৰ পালে তেওঁ যোচেফক যীচুৰ মৰা শৰটো দি
দিলে।
৪৬তেতিয়া যোচেফে কিছু শনসূতাৰ কাপোৰ আনিলে,
যীচুৰ শৰ টো ক্ৰুচৰ পৰা নমালে, কাপোৰেৰে শৰটো
মেৰিযালে আৰু শিলৰ পৰা কাটি উলিওৱা কবৰ এটাত
শৰটো ৰাখিলে আৰু তাৰ পাচত এটা ডাঙৰ শিলেৰে
মৈদামৰ মুখ বন্ধ কৰিলে। ৪৭যীচুক কত থোৱা হৈছিল,
মগদলীনী মৰিয়ম আৰু যোচিৰ মাক মৰিয়মে দেখিছিল।

## যীচু মৃত্যুৰ পৰা জী উঠাৰ সংবাদ

*(মথি ২৮:১–৮; লূক ২৪:১–১২; যোহন ২০:১–১০)*

১৬ ১বিশ্ৰামবাৰ পাৰ হৈ গ'লত, মগদলীনী মৰিয়ম,
যাকোবৰ মাক মৰিয়ম আৰু চালমীয়ে যীচুৰ
দেহত ঘঁহিবলৈ যাবৰ বাবে সুগন্ধিদ্ৰব্য কিনিলে। ২সপ্তাহৰ
প্ৰথন দিনা, অতি পুৱাতেই তেওঁলোকে মৈদামলৈ গ'ল।
৩তেওঁলোকে পৰস্পৰে কথা পাতি আছিল, “মৈদামৰ দুৱাৰ
মুখত থকা শিলচটা কোনে আমালৈ বগৰাই দিব?”
৪তেতিয়া তেওঁলোকে ওপৰলৈ চালে আৰু যে ডাঙৰ
শিলচটা ইতিমধ্যে বগৰাই থোৱা আছে। ৫যেতিয়া
তেওঁলোকে মৈদামৰ ভিতৰত প্ৰৱেশ কৰিলে, তেওঁলোকে
সোঁফালে শুভ্ৰ বস্ত্ৰ পৰিধান কৰা এজন ব্যক্তিক সোঁহাতে
বহি থকা দেখিলে। তেওঁলোকে ভয় খালে।
৬যুৱকজনে তেওঁলোকক কলে, “ভয় নকৰিবা।
তোমালোকে ক্ৰুচত দিয়া নাচৰতীয়া যীচুক বিচাৰিছা।
তেওঁ মৃত্যুৰ পৰা জী উঠিল। তেওঁ ইয়াত নাই। চোৱা,
এইয়াই সেই ঠাই য'ত তেওঁক শোৱাই থোৱা হৈছিল।
৭তোমালোক এতিয়া যোৱা আৰু তেওঁৰ শিষ্যসকলক আৰু
বিশেষকৈ পিতৰক কোৱাগৈ ঠিক তোমালোকক কোৱাৰ
দৰেই তেওঁ তোমালোকৰ আগে আগে গালীললৈ গৈছে।
তোমালোকে তেওঁক তাতেই দেখিবা।”
৮তেওঁলোক মৈদামৰ পৰা ওলাই আহিল আৰু ভয় আৰু

[a] **১৫:২৮** কিছুমান গ্ৰীক লিপিত পদ ২৮ সংযুক্ত কৰা হৈছে: “তেতিয়া ধৰ্মশাস্ত্ৰৰ সেই বাক্য, ‘তেওঁ ডকাইত বিলাকৰ সৈতে গন্য কৰা হল।’ সেইটো পূৰ্ণ হল। যিচয়া ৫৩:১২।”

[b] **১৫:৩৪** উদ্ধৃত গীতমালা ২২:১

বিভ্ৰান্তহৈ কঁপি কঁপি লৰ মাৰিলে। তেওঁলোকে কাকো একো নকলে কাৰণ তেওঁলোকে খুব ভয় খাইছিল।[a]

### কিছুমান শিষ্যই যীচুক দেখা পায়

*(মথি ২৮:৯–১০; লূক ২৪:১৩–৩৫; যোহন ২০:১১–১৮)*

৯তেতিয়া যীচুৱে সপ্তাহৰ প্ৰথম দিনা মৃত্যুৰ পৰা উঠাৰ পাচত অতি ৰাতি পুৱাতে যাৰ পৰা তেওঁ সাতোটা ভূতক খেদাইছিল সেই মগদলীনী মৰিয়মক প্ৰথমতে দেখা দিলে। ১০তেওঁ গ'ল আৰু এইকথা যীচুৰ শিষ্যবিলাকক জনালে। তেওঁলোক গভীৰ শোকত কান্দি আছিল। ১১যেতিয়া তেওঁলোকে শুনিলে যে যীচু জীৱিত আৰু তাই যে তেওঁক দেখা পালে, তেওঁলোকে বিশ্বাস নকৰিলে।

১২ইয়াৰ পাচত, যেতিয়া তেওঁলোকৰ দুজনে গাৱৰ বাহিৰলৈ গৈ আছিল যীচুৱে অন্য ৰূপত তেওঁলোকক দেখা দিলে। ১৩তেওঁলোক ঘুৰি আহিল আৰু আনবিলাকক এই বিষয়ে জনালে, কিন্তু তেওঁলোকে বিশ্বাস নকৰিলে।

### যীচুৱে তেওঁৰ শিষ্য বিলাকৰ লগত কথাবাৰ্তা হয়

*(মথি ২৮:১৬–২০; লূক ২৪:৩৬–৪৯; যোহন ২০:১৯–২৩; পাঁচনিৰ কৰ্ম্ম ১:৬–৮)*

১৪পাচত, যেতিয়া এঘাৰজন শিষ্যই ভোজন কৰি আছিল, যীচুৱে তেওঁলোকক দৰ্শন দিলে আৰু তেওঁলোকৰ অবিশ্বাস আৰু কঠিন হৃদয়ৰ বাবে আৰু যিবিলাকে তেওঁক পুনৰুত্থানৰ পাছত দেখিলে তেওঁলোকক বিশ্বাস নকৰাৰ বাবে যীচুৱে তেওঁলোকক গৰিহনা দিলে।

১৫তেতিয়া যীচুৱে তেওঁলোকক কলে, "পৃথিবীৰ সকলোঠাইলৈ যোৱা আৰু সমূদায় সৃষ্টিৰ প্ৰত্যেককে শুভবাৰ্তা প্ৰচাৰ কৰা ১৬যিয়েই বিশ্বাস কৰি বাপ্তিস্ম লয় তেওঁ পৰিত্ৰাণ পাব কিন্তু যিজনে বিশ্বাস নকৰে তেওঁক দোষী সাব্যস্ত কৰা হব। ১৭যি বিলাকে বিশ্বাস কৰিব তেওঁবিলাকত এই চিন বিলাক থাকিব, মোৰ নামৰ অধিকাৰত তেওঁলোকে ভূতবোৰক খেদাব পাৰিব; তেওঁলোকে নতুন ভাষাৰে কথা কব, ১৮সৰ্পক হাতেৰে তুলি লব আৰু যদিও তেওঁলোকে বিষ পান কৰে তেওঁলোকৰ হানি নহব আৰু তেওঁলোকে ৰোগীসকলৰ গাৰ ওপৰত হাত ৰাখি তেওঁলোকক সুস্থ কৰিব।"

### যীচু স্বৰ্গলৈ ঘুৰি যায়

*(লূক ২৪:৫০–৫৩; পাঁচনিৰ কৰ্ম্ম ১:৯–১১)*

১৯প্ৰভু যীচুৱে শিষ্যসকলক কোৱাৰ পাচত, তেওঁক স্বৰ্গলৈ তুলি নিয়া হল, তেওঁ ঈশ্বৰৰ সোঁহাতে বহিল। ২০তেওঁৰ শিষ্যসকলে ওলাই গৈ আৰু সকলো ঠাইতে প্ৰচাৰ কৰিলে আৰু প্ৰভুৱে তেওঁলোকক তেওঁলোকৰ কৰ্মত সহায় কৰিলে আৰু তেওঁলোকৰ বাৰ্তা আচৰিত কৰ্মৰ চিনৰ দ্বাৰা প্ৰমাণ কৰিলে।

[a] **১৬:৮** মাৰ্কৰ আগৰ গ্ৰীক লিপি যাক বিচাৰি পোৱা গৈছিল, সেইখন ইয়াতেই শেষ হৈছে। ৯–২০ পদ মাৰ্কৰ প্ৰকৃত শুভবাৰ্তাত আছিল। কিন্তু পাছৰ শতাব্দীত হয়তো সংযুক্ত কৰা হৈছিল। সম্ভৱত, মাৰ্কৰ প্ৰকৃত শুভবাৰ্তাৰ শেষাংশ হেৰাইছে।